● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

আকাশৰ চন্দ্ৰটোকে জীৱনৰ লক্ষ্য কৰি লওক। যদি সেইটো গৈ নাপায়, তেন্তে তৰা এটাতো পাবই।

ডব্লিউ ক্লিমেণ্ট ষ্টʼন
*মাৰ্কিন উদ্যোগপতি*



৫ বিফলতাৰ উদযাপন আৰু আত্ম-প্ৰেৰণা
১৫ কমনৱেলথ গেমছলৈ যোগ্যতা লাভলীনাৰ
৪ জীৱনৰ অৰ্থ জীৱন ঃ সামাজিক অস্থিৰতাৰ মাজত স্বাভাৱিক জীৱন-যাপন সম্ভৱ নহয়

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৪২তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ২৮ জেঠ ১৪২৯ ভাস্কৰাব্দ ১২ জুন ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 12 June 2022 মূল্য ঃ ৯.০০ টকা

■ ৬১সংখ্যক ৰাষ্ট্ৰীয় ছিনিয়ৰ এথলেটিক্‌ছত নতুন ইতিহাস ■ এশ মিটাৰ দৌৰত পুৰুষ-মহিলাত প্ৰথমবাৰলৈ স্বৰ্ণ আহিল অসমলৈ ■ ছেমিফাইনেলত দ্বিতীয় হোৱাৰ পাছতো ফাইনেলত চমক

# দেশৰ দ্ৰুততম তৰুণ হিমা-অম্লান





■ স্বৰ্ণ পদক জয় কৰিলেও কমনৱেল্‌থ-বিশ্ব এথলেটিক্‌ছলৈ যোগ্যতা অৰ্জনত ব্যৰ্থ


**ষ্টাফ ৰিপʼৰ্টাৰ**
**গুৱাহাটী, ১১ জুন ঃ** অসমৰ এথলেটিক্‌ছৰ ইতিহাসত নতুন অধ্যায়ৰ সূচনা কৰিলে দুই প্ৰতিভাৱান দৌৰবিদ হিমা দাস আৰু অম্লানজ্যোতি বৰগোহাঁয়ে। চেন্নাইত চলি থকা ৬১সংখ্যক ৰাষ্ট্ৰীয় ছিনিয়ৰ আন্তঃৰাজ্যিক এথলেটিক্‌ছ প্ৰতিযোগিতাৰ জৰিয়তে দেশৰ দ্ৰুততম দৌৰবিদত পৰিগণিত হʼল হিমা আৰু অম্লানজ্যোতি। আজি দুয়ো প্ৰতিযোগিতাখনৰ এশ মিটাৰ দৌৰত ক্ৰমে মহিলা আৰু পুৰুষৰ বিভাগত প্ৰথম স্থান অধিকাৰ কৰি স্বৰ্ণপদক জয় কৰে। প্ৰথমবাৰলৈ এই প্ৰতিযোগিতাত অসমৰ কোনো পুৰুষ-মহিলা দৌৰবিদে একেলগে এশ মিটাৰ দৌৰত বিজয় অৰ্জন কৰিলে।

উল্লেখ্য যে হিমা আৰু অম্লানজ্যোতিয়ে কালি অনুষ্ঠিত ছেমিফাইনেলত প্ৰথম স্থান অধিকাৰ কৰিব পৰা নাছিল যদিও দ্বিতীয় স্থান অধিকাৰ কৰি তেওঁলোক ফাইনেললৈ অগ্ৰসৰ হৈছিল। আজি ফাইনেলত দুয়ো সকলোকে চমক দিবলৈ সক্ষম হয়। পুৰুষৰ এশ মিটাৰ দৌৰত অম্লানজ্যোতিয়ে ১০.৪৭ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰে। আনহাতে, মহিলাৰ এশ মিটাৰ দৌৰত হিমাই ১১.৪৩ ছেকেণ্ডত দৌৰ *দুই পৃষ্ঠাত চাওক*

## প্ৰায় নিৰপেক্ষ

ধীমান সিন্‌হাৰ পষেকীয়া কলম

### (১) নিৰৱধি



সেইদিনা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ৰিজাল্টৰ সাফল্যত চকুত তৰা তিৰ্‌বিৰোৱাসকলক দেখি মনত পৰিল যে হৃত সময়ক লৈ আক্ষেপ কৰাতকৈ সময়ক নিৰৱধি বুলি গ্ৰহণ কৰাই শ্ৰেয়। আমিও যেন দুদিনমান কুটুম, শুভাকাংক্ষীৰ লাডুৱা গোপাল হৈ কটন বা দিল্লীত উচ্চ শিক্ষাৰ বাবে নামভৰ্তি কৰিবলৈ যাম। যʼত বৈ আছে জীৱনক সাৰ্থক আৰু মহীয়ান কৰি তোলা তেওঁলোক। যিমানে চৰকাৰী *১০ পৃষ্ঠাত চাওক*

আজি ভোটগণনা ঃ সৰৱ এপিএইছএলচিৰ নেতৃত্ব

## ৰিগিং-ভীতি প্ৰদৰ্শনৰে নিৰ্বাচন জয়ৰ চেষ্টা বিজেপিৰ

**ষ্টাফ ৰিপʼৰ্টাৰ**
**গুৱাহাটী, ১১ জুন ঃ** কাইলৈ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ ফলাফল ঘোষিত হʼব। ২৬ টা সমষ্টিৰ বাবে অনুষ্ঠিত এই নিৰ্বাচনৰ ভোটগণনাৰ আগমুহূৰ্তত আজি ইয়াত *১০ পৃষ্ঠাত চাওক*

## বঙাইগাঁৱত মহিলাৰ আত্মহত্যাক কেন্দ্ৰ কৰি উত্তেজনাৰ সৃষ্টি

**অগ্ৰদূত ব্যুৰʼ**
**বঙাইগাঁও, ১১ জুন ঃ** বঙাইগাঁও চহৰৰ উত্তৰ বঙাইগাঁৱৰ শালবাগানৰ আঠ নম্বৰ ৱাৰ্ডত যোৱা নিশা এগৰাকী মহিলাৰ ৰহস্যজনক আত্মহত্যাক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি *দুই পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৫° |
| ডিব্ৰুগড় | ২৮° | ২৪° |
| দিল্লী | ৪৪° | ৩১° |
| কলকাতা | ৩৬° | ২৯° |
| মুম্বাই | ৩১° | ২৭° |
| চেন্নাই | ৩৬° | ২৮° |
| বাংগালুৰু | ২৯° | ২০° |
| শ্বিলং | ২৪° | ১৯° |

১১ জুন, ২০২২

## চেঙা তেল



*পৰিৱৰ্তন এনেকৈও হয়! ভিআইপিসকলৰ যিমানেই আগমন ঘটে সিমানেই ৰাস্তা-ঘাটৰ উন্নতি হয়!*

■ অনলাইন মাধ্যমেৰে ঔষধ বিক্ৰী আইন বিৰুদ্ধ ■ মানৱ জীৱনৰ বাবে হʼব পাৰে হানিকাৰক ■ ফাৰ্মাচিউটিকেল সংস্থাৰ যৌথ মঞ্চৰ দাবী

## দেশত প্ৰয়োজনীয় আঠশ বিধ ঔষধৰ মূল্যবৃদ্ধি, কোনো নিয়ন্ত্ৰণ নাই চৰকাৰৰ



**ষ্টাফ ৰিপʼৰ্টাৰ**
**গুৱাহাটী, ১১ জুন ঃ** যোৱা এপ্ৰিলৰ পৰা দেশত অধিক পৰিমাণে প্ৰয়োজন তথা ব্যৱহাৰ হোৱা আঠশ বিধ ঔষধৰ মূল্য বৃদ্ধি হোৱা বুলি সদৰী কৰি জনতাৰ স্বাৰ্থত ঔষধৰ মূল্য নিয়ন্ত্ৰণ কৰিবলৈ দাবী জনাইছে অসম তথা উত্তৰ-পূৰ্বৰ চাৰিটাকৈ ফাৰ্মাচিউটিকেল সংস্থাৰ যৌথ মঞ্চই। কেমিষ্ট এণ্ড ড্ৰাগিষ্ট এছʼচিয়েছন-অসম, এছʼচিয়েছন *১০ পৃষ্ঠাত চাওক*

তেজপুৰ-লখিমপুৰ-ঢকুৱাখনা-বাগ্‌সাকে ধৰি বিভিন্ন স্থানত দলং-পথ নিৰ্মাণৰ সিদ্ধান্ত তেজপুৰত

ছশ সিদ্ধান্তৰ কাৰ্যকৰীকৰণৰ সমীক্ষাৰ বাবে কমিটী ■ শীঘ্ৰে নহয় পুনৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ

## ছমাহতে মন্ত্ৰীৰ কামৰ মূল্যায়ন অনুচিত

**ষ্টাফ ৰিপʼৰ্টাৰ,**
**তেজপুৰ, ১১ জুন ঃ** 'এবছৰীয়া মন্ত্ৰী সভাৰ ছমাহ সময় কʼভিডতে পাৰ হʼল, বাকী ছমাহতে মন্ত্ৰীসকলৰ কামৰ মূল্যায়ন কৰাটো উচিত নহʼব। বাকী মন্ত্ৰীসকলৰ কামৰ মূল্যায়ন হোৱাৰ পূৰ্বে মোৰ কামৰ মূল্যায়ন হʼব লাগিব। মোৰ কামৰ মূল্যায়ন নেতৃত্বই কৰিব। উপযুক্ত সময়ত ময়ো মন্ত্ৰীসকলৰ কামৰ মূল্যায়ন কৰিম। এতিয়া মন্ত্ৰীসকলৰ দায়িত্ব বৃদ্ধি পাইছে।' এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। তেজপুৰত আজি অনুষ্ঠিত ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড° শৰ্মাই এক সংবাদমেলত আজিৰ কেবিনেট বৈঠকে গ্ৰহণ কৰা প্ৰস্তাৱসমূহৰ বিষয়ে প্ৰকাশ কৰে। ড° শৰ্মাই দিছপুৰৰ বাহিৰত তেজপুৰত অনুষ্ঠিত হোৱা কেবিনেট বৈঠকখন *১০ পৃষ্ঠাত চাওক*

অভিলাষী সৌৰ প্ৰকল্প-ভূমি আবন্টন-লাচিতৰ মৈদাম আৰু আলাবৈ ৰণৰ স্মাৰক নিৰ্মাণ ■ তেজপুৰ কাৰাগাৰ চাৰিদুৱাৰলৈ স্থানান্তৰৰ সিদ্ধান্ত ■ চাহ বাগিচাৰ ভূমিত পৃথক আঁচনি

■ তেজপুৰৰ লিচুৰে ইউৰোপ দখলৰ আশা

## আব্দুল জলিলৰ লিচু ৰপ্তানিকাৰীৰ হাতত তুলি দিলে মুখ্যমন্ত্ৰী শৰ্মাই

**ষ্টাফ ৰিপʼৰ্টাৰ**
**তেজপুৰ, ১১ জুন ঃ** মুম্বাই, শ্বাহি, পিয়াজী, ইলাচি, গ্ৰীণ বেদনাকে ধৰি বিভিন্ন প্ৰজাতিৰ সুস্বাদু তথা ৰসাল আৰু মঙহাল তেজপুৰৰ লিচুৰ সুখ্যাতি দেশে-বিদেশে বিয়পি পৰাৰ পাছত আজিৰে পৰা লণ্ডনলৈ ৰপ্তানি কৰা হৈছে মুম্বাই আৰু শ্বাহি লিচু। শোণিতপুৰ জিলা প্ৰশাসন, জিলা কৃষি বিভাগ, নাবাৰ্ড, অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত এপাৰ্ট, *১০ পৃষ্ঠাত চাওক*



■ ঘৰ এৰিলে চোৰ-পথলৈ ওলালে চিলনী চোৰ ■ নিশা ষ্ট্ৰীট লাইট নজ্বলে-নাই আৰক্ষীৰ টহল ■ মহানগৰীত দৈনিক গড়ে ছয়-সাতটাকৈ চুৰিকাণ্ড ■ নিৰাপত্তা প্ৰদানত ব্যৰ্থ আৰক্ষী

## চোৰৰ সন্ত্ৰাসত গৃহবন্দী মহানগৰীৰ জনতা

**ষ্টাফ ৰিপʼৰ্টাৰ**
**গুৱাহাটী,১১ জুন ঃ** ৰাজধানী মহানগৰীত আৰক্ষীৰ নিৰাপত্তা বেষ্টনিৰ বেহু ফালি দ্ৰুতহাৰত বৃদ্ধি পোৱা চুৰি-লুটপাতৰ ঘটনাই সম্প্ৰতি সাধাৰণ জনতাক আতংকিত কৰি তুলিছে। সাধাৰণ লোকৰ ঘৰ বাদেই শেহতীয়াকৈ স্বয়ং মুখ্যমন্ত্ৰীৰ কনভয়ৰ বাহনতো চোৰে হাত দি নিৰাপত্তা ব্যৱস্থাৰ ফোঁপোলা স্বৰূপ উদঙাই দিয়াৰ পাছতে সম্প্ৰতি চোৰৰ সন্ত্ৰাসত নিৰাপত্তাহীনতাত উজাগৰে দিন কটাবলগীয়া হৈছে মহানগৰবাসীয়ে। উল্লেখ্য যে কʼভিডৰ স্বাভাৱিক অৱস্থা ঘূৰি অহাৰ পাছত অৰ্থাৎ যোৱা দুই-তিনি মাহত মহানগৰীত দৈনিক গড়ে ছয়-সাতটাকৈ চুৰিকাণ্ডৰ ঘটনা সংঘটিত হোৱাৰ তথ্য আৰক্ষীৰ তদন্তত পোহৰলৈ আহিছে। বিগত মাহতো মহানগৰীৰ তিনিখন আৰক্ষী জিলাৰ অধীনস্থ অঞ্চলত দ্ৰুতহাৰত চুৰিকাণ্ডৰ ঘটনা বৃদ্ধি পাই আহিছে। চোৰে অভিযান চলোৱাৰ ভয়ত সাধাৰণ জনতাই একপ্ৰকাৰ ঘৰ এৰি ওলাই যাব নোৱাৰাৰ পৰিস্থিতি উদ্ভৱ হৈছে। দিনক দিনে অস্বাভাৱিক হাৰত চোৰৰ উপদ্ৰৱ বৃদ্ধি পাই আহিছে যদিও এই ক্ষেত্ৰত আৰক্ষীৰ ভূমিকাক লৈ বিভিন্নজনে *১০ পৃষ্ঠাত চাওক*

হজৰত মহম্মদ বিতৰ্ক ■ ঠায়ে ঠায়ে উত্তেজনা অব্যাহত

## দুই শতাধিকক গ্ৰেপ্তাৰৰ পাছত চলিছে বুলডʼজাৰ অভিযান

■ **নিউজ ব্যুৰʼ**
**নতুন দিল্লী, ১১ জুন ঃ** হজৰত মহম্মদৰ বিৰুদ্ধে অসন্মানজনক মন্তব্যক কেন্দ্ৰ কৰি দেশৰ বিভিন্ন অংশত চৰম অশান্তি-উত্তেজনা অব্যাহত আছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে পৰিস্থিতি চম্ভালিবলৈ সংশ্লিষ্ট ৰাজ্যসমূহৰ আৰক্ষীৰ মুৰব্বীসকলক সতৰ্ক কৰি দিছে। এই সম্পৰ্কীয় নিৰ্দেশনাত আৰক্ষীক সতৰ্ক আৰু প্ৰস্তুত হৈ থাকিবলৈ কোৱা হৈছে। আশংকা অনুসৰি আৰক্ষী *১০ পৃষ্ঠাত চাওক*



নগালেণ্ডৰ অটিং বস্তিৰ গণহত্যা

## ৩০জন সেনাৰ বিৰুদ্ধে অভিযোগনামা দাখিল

■ **নিউজ ব্যুৰʼ**
**ডিমাপুৰ, ১১ জুন ঃ** বিগত বৰ্ষৰ ডিচেম্বৰৰ আৰম্ভণিৰ সময়ত নগালেণ্ডৰ মʼন জিলাত সেনাবাহিনীৰ গুলিত ১৪জন নিৰীহ লোকৰ হত্যাৰ ঘটনাত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল উত্তাল হৈ পৰিছিল। সেনাই সন্ত্ৰাসবাদীৰ সন্দেহত এই লোকসকললৈ গুলিচালনা কৰা বুলি যুক্তি দৰ্শাবলৈ চেষ্টা কৰিছিল। কয়লা খনিৰ পৰা এখন ট্ৰাকত অহা ১৪জন লোকক গুলীয়াই হত্যা কৰা ঘটনাৰ সʼতে জড়িত হৈ পৰিছে সেনাৰ বিশেষ বাহিনীৰ ৩০জনৰ নাম। ইয়াৰে ভিতৰত এজন বিষয়াও আছে। শেহতীয়া তথ্য অনুসৰি এই *১০ পৃষ্ঠাত চাওক*

■ ব্যৱসায়ীৰ ওপৰত পুনৰ আক্ৰমণ দুৰ্বৃত্তৰ

## ছালেকাটিত কেএলঅʼৰ নাম লৈ ডকাইতি, নিশাই পাঁচজনক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ১১ জুন ঃ** কোকৰাঝাৰ জিলাত এসপ্তাহৰ মূৰত পুনৰ ব্যৱসায়ীৰ ওপৰত কেএলঅʼৰ নাম লৈ আক্ৰমণ কৰা ঘটনাই জোকাৰণিৰ সৃষ্টি কৰিছে। অৱশ্যে সৌভাগ্যক্ৰমে এইবাৰ কোনো গুলিচালনাৰ ঘটনা সংঘটিত নহʼল যদিও *১০ পৃষ্ঠাত চাওক*






NERIM
Estd. 1992

ADMISSION NOTICE
2022-23

NERIM GROUP OF INSTITUTIONS announces ADMISSIONS into the following programmes for the academic session 2022-23. Admissions shall be conducted as per Regulations of the Affiliating University. Interested candidates may contact Admission Counsellor (9954190758 / 9954051419 / 9864750000) or may apply through online mode (www.nerimindia.org).

| | |
|---|---|
| BBA 3-yr | 50% in 10+2 in any stream (45% for SC/ST) Direct Admission for eligible candidates |
| BCA 3-yr | 45% in 10+2 with Mathematics in any stream (40% for SC/ST/OBC) Direct Admission for eligible candidates |
| BA LLB(H) 5-yr integrated | 45% in 10+2 in any stream (40% for SC/ST/OBC) Direct Admission for eligible candidates |
| BSW 3-yr | 45% in 10+2 in any stream (40% for SC/ST/OBC) Direct Admission for eligible candidates |
| B.Com(H) 3-yr (CBCS Mode) | 45% in 10+2 in any stream (40% for SC/ST/OBC) Direct Admission for eligible candidates |

NERIM also offers the following Courses

MBA (2-yr Full Time)
PGDM (2-yr Under AIMA)
MBA (3-yr Part Time)
MCA (2-yr Full Time)
MA (Applied Psychology) (2-yr Full Time)
M.Sc (Computer Science) (2-yr Full Time)
M.Com (2-yr Full Time)
MSW (2-yr Full Time)
LLB(H) (3-yr Full Time)
B.Ed 2-yr Full Time
MA (Education) 2-yr Full Time

Prof. (Dr) Sangeeta Tripathi, Director, NERIM
Padma Nath Sarmah Bhawan, Jayanagar, Khanapara, Guwahati -781022
nerimindia@gmail.com



দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ১২ জুন, ২০২২ দেওবাৰ পৃষ্ঠা তিনি

## অবৈধ সামগ্ৰী সৰবৰাহৰ কৰিড'ৰ অসম-অৰুণাচল সীমান্ত

### ভৈৰৱকুণ্ডত গাঞ্জা, ওৰাঙত অৰুণাচলী সুৰা জব্দ

বিশেষ সংবাদদাতা

**ওদালগুৰি, ১১ জুন ঃ** অবৈধ নিচাযুক্ত সামগ্ৰী ক্ৰমে গাঞ্জা আৰু অবৈধ সুৰা সৰবৰাহৰ সুৰক্ষিত কৰিড'ৰত পৰিণত হৈছে ওদালগুৰি জিলাৰ অসম-অৰুণাচল প্ৰদেশ সীমান্ত। অৰুণাচল প্ৰদেশৰ পৰা অসমলৈ প্ৰৱেশ কৰা দুটাকৈ পথ ক্ৰমে বালেমুৰ পৰা মাজবাট হৈ ওৰাং আৰু বালেমুৰ আঠ পৃষ্ঠাত চাওক

## চাবুৱাত পথ দুৰ্ঘটনাত আহত যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**চাবুৱা, ১১ জুন ঃ** আজি পুৱতি নিশা প্ৰায় ২.৩০ বজাত চাবুৱাৰ জেৰাই গাঁৱত সংঘটিত এটা পথ দুৰ্ঘটনাত এজন ২১ বছৰীয়া যুৱক আহত অৱস্থাত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়া হয় যদিও অৱশেষত চিকিৎসালয়ত মৃত্যু হয়। যুৱকজন জেৰাই চকলীভৰীয়া গাঁৱৰ প্ৰয়াত টুটু ভূএগ্ৰা আৰু বনিতা ভূএগ্ৰাৰ একমাত্ৰ পুত্ৰ দেৱজিত আঠ পৃষ্ঠাত চাওক

■ নিয়ন্ত্ৰণ হেৰুৱাই খাৱৈত পৰিল চিমেণ্টভৰ্তি ট্ৰাক

## উত্তৰ ধৰ্মপুৰত গড়কাপ্তানী পথৰ দুৰৱস্থা



অগ্ৰদূত বাৰ্তা

**টিহু, ১১ জুন ঃ** ধৰ্মপুৰ সমষ্টি আৰু বৰমা সমষ্টি সংযোগী এটি জৰাজীৰ্ণ গড়কাপ্তানী পথে জ্বলা-কলা খুৱাইছে স্থানীয় ৰাইজৰ লগতে পথচাৰীক। সমষ্টি দুটাৰ নলবাৰী আৰু বাগ্‌সা জিলাৰ অন্তৰ্গত কেবিএছ (কৈঠালকুছি-বৰমা-সুৰনখাটা) গড়কাপ্তানী পথৰ বৰমা-গোৰৰাদল- কৈঠালকুছি অংশৰ পথছোৱা উত্তৰ ধৰ্মপুৰৰ কামপীঠ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়লৈ আৰু কামপীঠ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ পৰা বৰমালৈ যোৱা কে'বাবছৰ ধৰি মেৰামতিৰ অভাৱত যাতায়াতৰ অনুপযোগী হৈ পৰাত পথচাৰীসকলে সমস্যাৰ সন্মুখীন হৈ আঠ পৃষ্ঠাত চাওক

## ক্ষুব্ধ বঞ্চিত ন সদস্যৰ গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ

# নগাঁও জিলা পৰিষদত পুঁজি বিতৰণত বৈষম্য

বিশেষ সংবাদদাতা

**নগাঁও, ১১ জুন ঃ** নগাঁও জিলা পৰিষদত বিভিন্ন আঁচনিৰ পুঁজি বিতৰণত ব্যাপক অনিয়ম তথা বৈষম্যৰ অভিযোগ তুলি ন গৰাকী সদস্যই গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ তৰিছে। গোচৰ তৰা জিলা পৰিষদৰ সদস্যকেইজন ক্ৰমে গীতাঞ্জলী হাজৰিকা, মৰ্ষিদা বেগম, চেলিম জাবেদ, ৰীতা কাকতি বৰা, দীপিকা শইকীয়া, ঘন বৰদলৈ, ৰেজিয়া বেগম, আহিদা বেগম আৰু জিয়াবুৰ ৰহমান ভূএগ্ৰা। জিলা পৰিষদৰ সদস্যকেইজনে গোচৰত অভিযুক্ত হিচাপে উল্লেখ কৰিছে অসম চৰকাৰ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সঞ্চালক, নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, নগাঁও জিলা পৰিষদৰ সভাপতি আৰু নগাঁও জিলাৰ উপায়ুক্তক। ডব্লিউ পি (চি) ৩৭৪৯/২০২২ নম্বৰৰ এই গোচৰৰ ওপৰত ভিত্তি কৰি ন্যায়ালয়ে গোচৰৰ অভিযুক্তসকললৈ জাননী জাৰি কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনপত্ৰত অভিযোগকাৰীকেইজনে উল্লেখ কৰা মতে জিলা পৰিষদৰ পুঁজি বিতৰণৰ ক্ষেত্ৰত বিশেষকৈ ২০২০-২১ৰ পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰ ধন বিতৰণৰ ক্ষেত্ৰত জিলা পৰিষদৰ সভাপতি আৰু উপ-সভাপতিয়ে বৈষম্যমূলক আচৰণ কৰিছে। গোচৰৰ আবেদনকাৰী ন গৰাকী আঠ পৃষ্ঠাত চাওক



কাজিৰঙা বিশ্ববিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ বিক্ষোভ প্ৰদৰ্শন, শনিবাৰে।

■ ৰাইজৰ ডাং বান্ধি পথ অৱৰোধ কৰি প্ৰতিবাদ

## চেলেংহাটত পথ নিৰ্মাণৰ নামত অনিয়ম ঃ নিৰ্মাণৰ দুমাহ পাছতে ভাগিল পথ



**চেলেংহাট, ১১ জুন ঃ** চেলেংহাটত পথ নিৰ্মাণত সংঘটিত হৈছে ব্যাপক অনিয়ম। নিৰ্মাণৰ দুমাহমানৰ পাছতে পথ ভাগি পৰাত ক্ষুব্ধ ৰাইজে আজি পথ বন্ধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। মৰিয়নি বিধানসভা সমষ্টিৰ অন্তৰ্গত লোক নিৰ্মাণ বিভাগৰ নকছাৰী গ্ৰাম্য পথ সংমণ্ডলৰ অধীনৰ চেলেংহাটৰ ধোদৰ আলিৰ ৰঢ়ধলাৰ পৰা চাউদাং চুক সংযোগী পথটো নিৰ্মাণত দুৰ্নীতি আৰু অনিয়ম আঠ পৃষ্ঠাত চাওক

পুনৰ ছিগিল গড়কাপ্তানী পথ ঃ বিচ্ছিন্ন ৰজাবাৰী গাঁও

## পুনৰ বানত বুৰিল ধেমাজিৰ ৰজাবাৰী-চেনিয়া গাঁও

**ধেমাজি, ১১ জুন ঃ** ধেমাজিত বাঢ়নী পানীয়ে পুনৰ ছিগি নিলে ৰজাবাৰীত গড়কাপ্তানী পথ। প্ৰায় ডেৰশ মিটাৰ ছিগি প্লাৱিত কৰিলে ৰজাবাৰী-পুৰণি চেনিয়া পাঁচখন অধিক গাঁও আৰু পথাৰ বিস্তীৰ্ণ অঞ্চল। ফলত বিচ্ছিন্ন হৈ পৰে ১৫ নম্বৰ ঘাইপথৰ পৰা ৰজাবাৰী-চেনিয়া গড়কাপ্তানী পথ। সম্প্ৰতি পানীৰ তলত ৰজাবাৰী প্ৰাথমিক বিদ্যালয়। আধৰুৱা হৈ ৰ'ল বিদ্যালয়ৰ ছমহীয়া পৰীক্ষা। উল্লেখ্য যে যোৱা বৰ্ষত বাৰিষাত একে ঠাইতে ছিগি হাহাকাৰ কৰিছিল নদীৰ বাঢ়নী পানীয়ে। পুনৰ উক্ত অংশ নদীৰ প্ৰবল পানীয়ে সুঁতি লৈ ধল সৃষ্টি কৰে। ৰাইজৰ দাবী অতিশীঘ্ৰে পথটো নিৰ্মাণৰ সুচল ব্যৱস্থা কৰাৰ লগতে তদন্ত কৰি বানত ক্ষতিগ্ৰস্ত লোকক উচিত ক্ষতিপূৰণ প্ৰদানৰ ব্যৱস্থা কৰক।

চহৰখনৰ অবৈধ অট্টালিকাসমূহ উচ্ছেদ কৰাৰ আহ্বান দল-সংগঠনৰ

## ৰেষ্টুৰেণ্ট 'দ্য অপুজ' ছীলৰ পাছত উচ্ছেদ অভিযান



অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ১১ জুন ঃ** বিগত কিছুদিন ধৰি চৰ্চাত থকা তিনিচুকীয়া-মাকুম সংযোগী ৩৭ নম্বৰ ঘাইপথত অৱস্থিত 'দ্য অপুজ' নামৰ ৰেষ্টুৰেণ্টখনৰ লগতে সৰু-বৰ মুঠ ১৪খনকৈ ব্যৱসায়িক প্ৰতিষ্ঠানত জিলা প্ৰশাসনৰ নিৰ্দেশত ৰাজহ চক্ৰ বিভাগে উচ্ছেদ অভিযান চলায়। তিনিচুকীয়া ৰাজহ চক্ৰ বিষয়া চিন্ময় পাঠক, অতিৰিক্ত উপায়ুক্ত চৰফ্ৰাছ হক, কাৰ্যবাহী দণ্ডাধীশ নীলুৰাম শৰ্মা, কংকনজ্যোতি শইকীয়া, চক্ৰ আঠ পৃষ্ঠাত চাওক

## প্ৰবাল, জিতেন, মৃনালে জীৱনটো ধ্বংস কৰিলে ঃ প্ৰাক্তন আলফা পানিকা

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১১ জুন ঃ** একালৰ বিয়াগোম আলফা নেতা প্ৰবাল নেওগ, জিতেন দত্ত আৰু মৃনাল হাজৰিকাই জীৱনটো ধ্বংস কৰিলে বুলি অকপটে স্বীকাৰ কৰিলে একালৰ সতীৰ্থ পানিকাই। ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰৰ পৰা মুকলি আকাশৰ তললৈ আহিয়েই সাংবাদিকৰ আগত কৰিলে এনে বিস্ফোৰক মন্তব্য। 'লঘু ভুল, গুৰু শাস্তি' স্বস্থ হয়, ডিব্ৰুগড়ৰ আদালতত নিৰ্ধাৰিত সময়মতে হাজিৰ হ'ব নোৱাৰাৰ বাবেই উলাইছিল এৰেষ্ট ওৱাৰেণ্ট আৰু তাৰ পাছত সুদীৰ্ঘ পাঁচ বছৰ কাৰাগাৰত বন্দীত্ব জীৱন। অৱশেষত কালি নিশা কাৰাগাৰৰ পৰা ওলাবলৈ সক্ষম হয় আলফাৰ আলোচনা পন্থী গোটৰ সদস্য আন্দোলন পানিকা। আইনী প্ৰক্ৰিয়াত কোনো লোকে সহায় কৰিবলৈ আগবাঢ়ি নহাৰ বাবেই বিগত পাঁচটা বছৰে আঠ পৃষ্ঠাত চাওক

## বৰপেটাত পানীত পৰি ডেৰ বছৰীয়া শিশুৰ মৃত্যু

**আলোপতি, ১১ জুন ঃ** এইবাৰ নগৰবেৰা ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত দেখা গ'ল মটৰ চাইকেল এম্বুলেন্স। বৰপেটা জিলাৰ চেঙা সমষ্টিৰ কাছুমাৰা আৰক্ষী থানাৰ অন্তৰ্গত নিৰলাচৰত আজি পানীত পৰি মৃত্যু হয় এটি ডেৰ বছৰীয়া কণমানিৰ। মৃত শিশুটি আনছাৰুল হক বুলি পৰিয়ালৰ লোকে জানিবলৈ দিয়ে। খেলি থকা অৱস্থাত হঠাৎ ঘৰৰ ওচৰতে থকা সুঁতিত পৰি নিৰুদ্দেশ হৈ পৰে শিশুটি। পৰিয়ালৰ লোকে বহু সময় বিচাৰ-খোচাৰ কৰি অৱশেষত বিলৰ পানীত ওপঙি থকা অৱস্থাত প্ৰত্যক্ষ কৰি তাৰপৰা শিশুটিক উদ্ধাৰ কৰি নগৰবেৰা ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে।

## ড্ৰাগছ ব্যৱসায়ী গ্ৰেপ্তাৰ

## বগুৱানত বহু পৰিমাণৰ মাৰাত্মক নিচাযুক্ত টেবলেট জব্দ

অগ্ৰদূত বাৰ্তা

**লক্ষীপুৰ, ১১ জুন ঃ** গোৱালপাৰাৰ বগুৱান থানা আৰক্ষীয়ে বাপুৰভিটা গাঁৱত নিশা চলোৱা অভিযানত এজন ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰা হয়। তেওঁৰ পৰা আৰক্ষীয়ে হাতে-লোটে জব্দ কৰে বৃহৎ পৰিমাণৰ মাৰাত্মক নিচাযুক্ত 'য়াবা' টেবলেট। ধৃত লোকজন বাংগালঝাৰ গাঁৱৰ আব্দুলবাৰি মণ্ডলৰ পুত্ৰ মিনহাজ মণ্ডল (৩৫)। বগুৱান আৰক্ষী থানাৰ আৰক্ষী বিষয়া বীৰদাও গয়াৰীৰ নেতৃত্বত যোৱা বৃহস্পতিবাৰৰ নিশা বাপুৰভিটা প্ৰথম খণ্ড গাঁৱত চলাইছিল নৈশ পেট্ৰ'লিং। কালি পুৱতি নিশা বাপুৰভিটা লৈ যোৱা মিনহাজ মণ্ডলে আৰক্ষীৰ সন্মুখত পৰে। টহলদাৰী আৰক্ষীৰ দলটোক দেখি তেতিয়া তেওঁ অসাধাৰণ আচৰণ কৰিবলৈ লোৱাত আৰক্ষীৰ আঠ পৃষ্ঠাত চাওক

## মিৰ্জাৰ মামণি ৰয়ছম গোস্বামী চ'কত প্ৰশাসনৰ উচ্ছেদ অভিযান



অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ১১ জুন ঃ** পলাশবাৰী সমষ্টিৰ অন্তৰ্গত মিৰ্জাস্থিত ড° মামণি ৰয়ছম গোস্বামী চ'কত আজি প্ৰশাসনে উচ্ছেদ অভিযান চলায়। বিগত সময়ছোৱা কিছু ব্যক্তিয়ে এই পথছোৱাৰ দুয়োফালে বেদখল কৰি ৰখাৰ অভিযোগত আজি প্ৰশাসনে চ'কটোত অভিযান চলায়। প্ৰশাসনে উচ্ছেদ অভিযান চলোৱাৰ সময়ত কে'বাখনো সৰু সৰু দোকান পোহাৰ আদি এক্সকেভেটাৰেৰে ভাঙি পেলায়। লগতে দক্ষিণ কামৰূপ মহাবিদ্যালয় মিৰ্জাৰ সমীপতে থকা মিৰ্জা বজাৰৰ মদৰ ঘাটিসমূহতো আজি প্ৰশাসনে উচ্ছেদ কৰে। আজি এই উচ্ছেদ অভিযানত পলাশবাৰী ৰাজহ চক্ৰ বিষয়া ধ্ৰুৱজ্যোতি পাঠক, পলাশবাৰী আৰক্ষী থানাৰ অৱসৰপ্ৰাপ্ত বিষয়া জীৱেন্দ্ৰ ব্ৰহ্ম, নৱজিৎ ডেকা, লাৱণ্য বড়ো আদিকে ধৰি কে'বাগৰাকী বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। গুৰুত্বপূৰ্ণ যে মিৰ্জাৰ ৰাষ্ট্ৰীয় পথৰ আশে-পাশে বহু চৰকাৰী ভূমিত আঠ পৃষ্ঠাত চাওক

## দাওধাৰাত বনৰীয়া হাতীৰ উপদ্ৰৱ ঃ দুটা বাসগৃহ লণ্ড-ভণ্ড

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১১ জুন ঃ** বাগ্‌সাত দৈনিক বৃদ্ধি পাই আহিছে হাতী-মানুহৰ সংঘাত। খাদ্যৰ সন্ধানত পাহাৰৰ পৰা নামি অহা বনৰীয়া হাতীৰ জাকে নিদ্ৰা হৰণ কৰিছে বাগ্‌সাৰ সীমান্তৰ ৰাইজক। দৈনিক বনৰীয়া হাতীৰ আক্ৰমণত গৃহহাৰা হৈছে এটাৰ পাছত আনটো পৰিয়াল। যোৱা নিশা পুনৰ বন্যহস্তীৰ উপদ্ৰৱত গৃহহাৰা হ'ল বাগ্‌সাৰ দুটা পৰিয়াল। জিলাখনৰ বাতাবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত দাওধাৰাত নিশা বনৰীয়া হাতীয়ে উপদ্ৰৱ চলায়। বনৰীয়া হাতীয়ে ৰত্না গড় আৰু সুনীতি ৰামছিয়াৰীৰ বাসগৃহ লণ্ড-ভণ্ড কৰাৰ লগতে হাতীৰ গচকত প্ৰায় পাঁচ বিঘা ধানখেতিৰ কঠীয়া নষ্ট হয়। আনকি ঘৰ-দুৱাৰৰ লগতে পাকঘৰৰ বাচন-বৰ্তনো এফালৰ পৰা ধ্বংস কৰে। কিন্তু ধাৰাবাহিকভাৱে অহা বনৰীয়া হাতীৰ জাকটো খেদি পঠোৱাৰ ক্ষেত্ৰত বন বিভাগে কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী ৰাইজে। ফলত বনৰীয়া হাতীৰ ভয়ত আঠ পৃষ্ঠাত চাওক


## ডবকাত ভূমিকেন্দ্ৰিক সংঘাত দুটা পক্ষৰ মাজত প্ৰচণ্ড মাৰপিট ঃ আহত দুই

অগ্ৰদূতবাৰ্তা

**যমুনামুখ, ১১ জুন ঃ** আদালতত গোচৰ চলি থকা অৱস্থাত স্থানীয় একাংশ মাতবৰৰ একপক্ষীয়ভাৱে সীমা নিৰ্ধাৰণ কৰাক লৈ সপ্তাহ দিন পূৰ্বে হোজাই জিলাৰ ডবকাৰ নমাটি গাঁৱত ভয়ংকৰ মাৰপিটৰ ঘটনাৰ মাৰ নৌযাওতেই আজি পুনৰ ডবকা ভেদৌআটীত ভূমি বিবাদক কেন্দ্ৰ কৰি দুটা ফৈদৰ মাজত প্ৰচণ্ড মাৰপিটৰ ঘটনা সংঘটিত হয়। এই ঘটনাত দুগৰাকীকৈ মহিলা গুৰুতৰভাৱে আহত হ'ব লগা হয়। আহত মহিলা দুগৰাকী হৈছে মাৰ্জিনা বেগম আৰু জয়গুন নেচা। আহত দুয়োগৰাকীকে ততাতয়াকৈ ডবকা ৩০ খন বিছনাযুক্ত চিকিৎসালয়ত ভৰ্তি কৰা হয়। ঘটনাস্থলীত ডবকা আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে যদিও বৰ্তমানেও চেপা উত্তেজনাই বিৰাজ কৰি আছে। ডবকা আৰক্ষীয়ে এই সন্দৰ্ভত দুজন আঠ পৃষ্ঠাত চাওক

পঞ্চায়ত প্ৰতিনিধিৰ চৰম অৱহেলাত ক্ষোভিত হৈ হাতে হাতে কোৰ লৈ পথ মেৰামতিৰ বাবেই ওলাই আহিল মহিলা

## শিয়ালমাৰী-ৰতনপুৰ সংযোগী পথৰ দুৰৱস্থাত জীয়াতু ভুগিছে ৰাইজে



অগ্ৰদূত বাৰ্তা

**টিহু, ১১ জুন ঃ** টিহু উন্নয়ন খণ্ডৰ ৪৩ নম্বৰ মথুৰাপুৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত শিয়ালমাৰীৰ প্ৰয়াত মদন মেধিৰ পদুলিৰ সমুখৰ পৰা পাকৰিতল চুবুৰিৰ মাজেৰে ৰতনপুৰ সংযোগী পথটোৰ দুৰৱস্থাই জীয়াতু ভোগাইছে বৃহত্তৰ অঞ্চলৰ ৰাইজক। এজাক বৰষুণতে একাঁঠু বোকা-পানীৰে পোত যায় পাকৰিতল চুবুৰিৰ উক্ত পথছোৱা। পথটোৰ বিভিন্ন আঠ পৃষ্ঠাত চাওক

## দুৰ্ঘটনাৰ ন্যায় বিচাৰি তেজপুৰ হলেশ্বৰত পথ অৱৰোধ

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১১ জুন ঃ** যোৱা আঠ জুনত তেজপুৰৰ হলেশ্বৰত এএছ-০১ বিএন-৬৮৫৮ নম্বৰৰ এখন বাহনে মহটিয়াই নিয়াৰ ফলত হলেশ্বৰৰ প্ৰফুল্ল বৰা নামৰ লোকজনৰ মৃত্যু হোৱাৰ লগতে তেওঁৰ কন্যা তথা নৱম শ্ৰেণীৰ ছাত্ৰী মৃদুস্মিতা বৰা গুৰুতৰভাৱে আহত হৈ বৰ্তমান গুৱাহাটীত সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ থাকিবলগীয়া হোৱাত কিশোৰীগৰাকীৰ উপযুক্ত চিকিৎসা ব্যয় দাবী কৰি আজি স্থানীয় ৰাইজে হলেশ্বৰত ১৫ নম্বৰ ৰাষ্ট্ৰীয়পথ অৱৰোধ কৰে। উল্লেখ্য যে দুৰ্ঘটনা সংঘটিত কৰা বৈঠাভঙাৰ আঠ পৃষ্ঠাত চাওক

নগাঁৱত কংগ্ৰেছৰ নৱ সংকল্প শিবিৰ

## তৃণমূল পৰ্যায়ৰ পৰাই কংগ্ৰেছক শক্তিশালী কৰাৰ পদক্ষেপ



বিশেষ সংবাদদাতা

**নগাঁও, ১১ জুন ঃ** কংগ্ৰেছক শক্তিশালী কৰাৰ লক্ষ্যৰে নগাঁৱত দলটোৱে আজি আয়োজন কৰে নৱ সংকল্প শিবিৰ নামেৰে এক বিশেষ সভাৰ। নগাঁও জিলা কংগ্ৰেছ কাৰ্যালয় ৰাজীৱ ভৱনত অনুষ্ঠিত সভাত কংগ্ৰেছৰ নেতাসকলে দলক তৃণমূল পৰ্যায়ৰ পৰাই শক্তিশালী কৰি তুলিবলৈ দলৰ সকলো স্তৰৰ কৰ্মীসকলক আহ্বান জনায়। নগাঁও জিলা কংগ্ৰেছৰ সভাপতি সুৰেশ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি সাংসদ গৌৰৱ গগৈয়ে ৰাজস্থানৰ উদয়পুৰত হোৱা কংগ্ৰেছৰ চিন্তন বৈঠকৰ সিদ্ধান্তসমূহৰ বিষয়ে অৱগত কৰি কংগ্ৰেছৰ সকলো স্তৰৰ নেতা-কৰ্মীক বিগত সময়ছোৱাত দলে কৰি অহা কামৰ বিষয়ে ৰাইজক অৱগত কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে বিজেপি নেতৃত্বাধীন চৰকাৰক কঠোৰ সমালোচনা কৰি কয়, 'এই চৰকাৰৰ দিনত দেশৰ সৰ্বসাধাৰণ ৰাইজ আৰ্থিকভাৱে দুৰ্বল হৈ পৰিছে। সকলো সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজৰ জীৱন আঠ পৃষ্ঠাত চাওক

শদিয়া সমষ্টিত কে'বাখনো জল জীৱন মিছন আঁচনি উদ্বোধন

## নগাঁও ধূলিজানত উদ্বোধনৰ পাছতেই খহি পৰিল নাম ফলক

অগ্ৰদূত বাৰ্তা

**তালাপ, ১১ জুন ঃ** কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ৰূপায়িত 'জল জীৱন মিছন' আঁচনিখন ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। তিনিচুকীয়া জিলাৰ শদিয়া বিধানসভা সমষ্টিৰ গাখীৰভেটি গাঁও পঞ্চায়তৰ অন্তৰ্গত ন গাঁও ধূলিজান, লাইনা, খোবাং খেৰবাৰী আদি কৰি কে'বাখনো জল জীৱন মিছন আঁচনি আজি শদিয়া সমষ্টিৰ বিধায়ক বলিন চেতিয়াই উদ্বোধন কৰে। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰৰ 'ঘৰে ঘৰে নল ঘৰে ঘৰে জল' নামৰ বিশুদ্ধ খোৱাপানী আঁচনিখনৰ অংশৰূপে আজি ন গাঁও ধূলিজানত উদ্বোধন কৰিলে যদিও আঁচনিখনৰ কাম সম্পূৰ্ণ হোৱাগৈ নাই। আঁচনিখন চোৱাচিতা কৰিবৰ বাবে এখন পৰিচালনা সমিতি গঠন কৰিলে যদিও আঁচনিখনৰ কাম সম্পূৰ্ণ নোহোৱা পৰ্যন্ত অৰ্থাৎ গাঁওখনৰ শেষৰ ঘৰলৈকে পানী নোপোৱালৈকে সমিতিখনে আঁচনিখন গ্ৰহণ নকৰে বুলি দৃঢ় সিদ্ধান্ত আঠ পৃষ্ঠাত চাওক

■ জামুগুৰিহাটৰ মৰিসুঁতিৰ ঠাকুৰবাৰীত ১১ দিনীয়া বিস্তৃত কাৰ্যসূচীৰে প্ৰতিমা প্ৰতিষ্ঠা-ভাগৱত পাঠ ■ হেজাৰ হেজাৰ ভক্তৰ লানি নিছিগা ভিৰ

## বৈকুণ্ঠ নগৰীলৈ পৰিণত মৰিসুঁতি



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১১ জুন ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ মৰিসুঁতিৰ ঠাকুৰবাৰীস্থিত শ্ৰীশ্ৰীলক্ষ্মী নাৰায়ণ মন্দিৰ প্ৰাংগণত ১১ দিনীয়া বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰা শ্ৰীমদ ভাগৱত জ্ঞান যজ্ঞ আৰু অখণ্ড হৰিনাম কীৰ্তন আজি পুৰা অন্ত পৰে। কাৰ্যসূচী মৰ্মে জল যাত্ৰা, ৰথ যাত্ৰা আৰু প্ৰতিমা বিগ্ৰহ স্থাপন তথা প্ৰতিষ্ঠা দিৱস, নন্দোৎসৱ-ৰাসলীলা, লক্ষাধিক বন্তি প্ৰজ্বলন আৰু ১২ ঘণ্টীয়া অখণ্ড হৰি কীৰ্তন উলহ-মালহৰে সম্পন্ন হয়। ১১ আঠ পৃষ্ঠাত চাওক

## শিঙিমাৰীত ঘৰৰ সন্মুখৰ পৰাই শিশু অপহৰণ

### আতংকিত অভিভাৱক

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১১ জুন ঃ** কামৰূপ জিলাৰ শিঙিমাৰীৰ ঘৰৰ সমুখৰ পৰাই এটি ১১ বছৰীয়া শিশু অপহৰণ কৰি নিয়া ঘটনা পোহৰলৈ আহাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অৱশ্য শিশুটিৰ উপস্থিত বুদ্ধিমত্তাত আজ্ঞাঠুৰীৰ পৰাই অপহৰণকাৰী দলটোৰ পৰা পলায়ন কৰে। প্ৰাপ্ত তথ্য মতে, শিঙিমাৰীৰ বিজু বৰ্মনৰ পুত্ৰ প্ৰিতম দাসে আঠ জুনৰ নিশা প্ৰায় ৭.৩০ বজাত আইতাকক বৈ ৰাজপথৰ পদপথত থিয় হৈ আঠ পৃষ্ঠাত চাওক

## কুসুমটোলাত গাড়ীয়ে মহটিয়াই মাৰিলে চাৰিটাকৈ গৰু



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১১ জুন ঃ** নিশা হ'লেই শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ কুসুমটোলাৰ চাৰিলেনযুক্ত ঘাইপথ পৰিণত হয় উদণ্ডীয়া গৰুৰ বিচৰণভূমিত। একাংশ দায়িত্বজ্ঞানহীন গৰাকীয়ে নিজৰ পোহনীয়া গৰু এৰি দি সন্ধিয়া নিজৰ ঘৰলৈ ওভতাই নিনিয়াৰ ফলতেই এই গৰুসমূহে এতিয়া নিশাৰ ভাগত বিচৰণ কৰে কুসুমটোলাৰ ১৫ নম্বৰ ঘাইপথৰ ওপৰত। সন্ধিয়াৰ পৰা পুৱতি নিশালৈকে গৰুসমূহ ঘাইপথৰ ওপৰত আশ্ৰয় লৈ থকাৰ ফলত যান-বাহনসমূহে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছে। নিশাৰ ভাগত যাহ-বাহনৰ সন্মুখত উদণ্ডীয়া গৰুসমূহে অগাডেৰা কৰাৰ ফলত বিগত সময়ত কে'বাটাও পথ দুৰ্ঘটনা সংঘটিত হৈ কে'বাজনো লোকৰ মৃত্যু হোৱাৰ লগতে বহুতো লোক ঘুণীয়া হ'ব লগা হৈছে। একাংশ গো-পালকৰ দায়িত্বজ্ঞানহীনতাৰ আঠ পৃষ্ঠাত চাওক

দেওবৰীয়া দৈনিক
# অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ২৮ জেঠ ১৪২৯ ভাস্কৰাব্দ ১২ জুন ২০২২



## বন্দুকধাৰীৰ তাণ্ডৱ



পুনৰ বন্দুকধাৰীৰ আক্ৰমণত ৰক্তাক্ত হ'ল আমেৰিকা যুক্তৰাষ্ট্ৰৰ মেৰীলেণ্ডৰ এটা অঞ্চল। বন্দুকধাৰীসকলৰ আক্ৰমণত সম্প্ৰতি আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিভিন্ন প্ৰদেশ আৰু নগৰ-মহানগৰ ৰক্তাক্ত হৈ থকাৰ সময়তে পুনৰ যোৱা ন জুনৰ নিশা মেৰীলেণ্ডৰ এটা কাৰখানাত প্ৰৱেশ কৰি এজন অচিনাকি বন্দুকধাৰীয়ে নিৰ্বিচাৰ গুলিচালনা কৰাত তিনিজন লোকে প্ৰাণ হেৰুৱায়। উল্লেখ্য যে যোৱা কে'বা মাহ ধৰি আমেৰিকা যুক্তৰাষ্ট্ৰত অচিনাকি বন্দুকধাৰীয়ে বিভিন্ন শিক্ষানুষ্ঠান, ছুপাৰ মাৰ্কেট আৰু ৰাজহুৱা স্থানত সঘনে আক্ৰমণ চলাই আহিছে। যোৱা মাহত আমেৰিকাৰ টেক্সাছৰ এখন প্ৰাথমিক বিদ্যালয়ত প্ৰৱেশ কৰি এজন ১৮ বছৰীয়া যুৱকে তেওঁৰ ৰাইফলেৰে নিৰ্বিচাৰে গুলীয়াই পাঁচৰ পৰা ১১ বছৰ বয়সীয়া ১৯টি শিশুক হত্যা কৰিছিল। তেওঁৰ আক্ৰমণত আন দুজন প্ৰাপ্তবয়স্ক লোকো নিহত হোৱাত মৃত্যুৰ সংখ্যা ২১ জনলৈ বৃদ্ধি পায়। ইয়াৰ আগেয়ে নিউ য়ৰ্কৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ এখন ছুপাৰ মাৰ্কেটত প্ৰৱেশ কৰি এজন বন্দুকধাৰী শ্বেতাংগ লোকে নিৰ্বিচাৰে গুলিচালনা কৰাত ১০ জন লোক নিহত হৈছিল। নিহত হোৱা ১০ জন লোকেই আছিল কৃষ্ণাংগ অৰ্থাৎ আফ্ৰিকান আমেৰিকান। বহুতেই সন্দেহ কৰিছে যে এয়া এক ধৰণৰ ঘৃণাজনিত অপৰাধ। অৰ্থাৎ শ্বেতাংগ লোকজনে কৃষ্ণাংগ লোকসকলৰ ওপৰত পূৰ্ব পৰিকল্পিতভাৱেই আক্ৰমণ সংঘটিত কৰিছে। টেক্সাছৰ যিখন প্ৰাথমিক বিদ্যালয়ৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলক গুলীওৱা হৈছিল, সেই শিশুসকল আছিল দক্ষিণ আমেৰিকাৰ অথবা লেটিন আমেৰিকাৰ মূলৰ। অৰ্থাৎ তেওঁলোকৰ পিতৃ-মাতৃ বা ককাক-আইতাকসকল মেক্সিক' আদি দক্ষিণ আমেৰিকাৰ দেশবোৰৰ পৰা অহা লোক। হত্যাকাৰীজনৰ মনোভাৱ স্পেনিছভাষী দক্ষিণ আমেৰিকান লোকসকলৰ প্ৰতি কেনে ধৰণৰ আছিল, সেই বিষয়ে তথ্য প্ৰকাশ পোৱা নাই যদিও এক ধৰণৰ ঘৃণাভাৱ লৈয়ে হয়তো তেওঁ এই শিক্ষানুষ্ঠানৰ শিশুসকলক আক্ৰমণৰ লক্ষ্য কৰি ল'ব পাৰে। কণ কণ স্কুলীয়া ছাত্ৰ-ছাত্ৰীক এইদৰে বৰ্বৰভাৱে গুলীয়াই হত্যা কৰা ঘটনাত ৰাষ্ট্ৰপতি জ' বাইডেনকে ধৰি সমগ্ৰ আমেৰিকা শোকস্তব্ধ হৈ পৰিছিল। ৰাষ্ট্ৰপতি বাইডেনে এদিনৰ বাবে দেশৰ ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰি ৰখাৰ নিৰ্দেশ দিছিল। নিউ য়ৰ্কৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ ছুপাৰ মাৰ্কেটত কৃষ্ণাংগ লোকসকলক যিজন শ্বেতাংগ বন্দুকধাৰীয়ে গুলীয়াই হত্যা কৰিছিল, সেই হত্যাকাৰীজনৰ বিষয়েও বিতং তথ্য প্ৰকাশ পোৱা নাই; কিন্তু তেওঁৰ মনত যে কৃষ্ণাংগ লোকৰ প্ৰতি বিদ্বেষ বা বৰ্ণবিদ্বেষ সক্ৰিয় হৈ আছিল, সেই বিষয়ে অনুমান কৰিব পাৰি। ইতিমধ্যে আমেৰিকাত বৰ্ণবাদী তথা বৰ্ণবিদ্বেষী ৰাজনীতিয়ে ব্যাপক ৰূপ ধাৰণ কৰিছে। পূৰ্বৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ ৰাজনৈতিক চিন্তাধাৰাই বৰ্ণবাদীসকলক উৎসাহিত কৰিছিল। সমগ্ৰ আমেৰিকাত ৰক্ষণশীল, শ্বেতাংগ প্ৰভুত্ববাদী তথা বৰ্ণবাদী ৰাজনৈতিক চিন্তাধাৰাৰ উত্থান ঘটিছিল। আজিও বৰ্ণবাদী ৰাজনীতিৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। তেওঁলোকে আনকি আমেৰিকাৰ গণতন্ত্ৰৰ মহান ঐতিহ্যকো ভৰিৰে মোহাৰি পেলাবলৈ কুণ্ঠাবোধ নকৰা হ'ল। যোৱা ২০২১ৰ ছয় জানুৱাৰীত ৰাষ্ট্ৰপতি ট্ৰাম্পৰ সমৰ্থকসকলে ৱাশ্বিংটনৰ কেপিটল বিল্ডিঙত আক্ৰমণ কৰি ২০২০ৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ফলাফল বাতিল কৰিবলৈ দাবী জনাইছিল আৰু অবৈধভাৱে ট্ৰাম্পক পুনৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত কৰিবলৈ দাবী কৰিছিল। এয়া আছিল আমেৰিকাৰ ইতিহাসত নাভূত-নাশ্ৰুত ঘটনা। যিহেতু এই বে-আইনী গণতন্ত্ৰ বিৰোধী কাৰ্য তথা দাবীৰ সমৰ্থনত বহু লোক সমবেত হৈছিল, সেয়ে কিদৰে দেশখনত ৰক্ষণশীল বৰ্ণবাদীসকল শক্তিশালী হৈছে, ই তাৰেই প্ৰমাণ দাঙি ধৰিছে।

আমেৰিকাত বন্দুকধাৰীসকলৰ ধাৰাবাহিক হত্যাযজ্ঞ অব্যাহত আছে আৰু ইয়াৰ অৱসান ঘটিব কেতিয়া সেই বিষয়ে কোনেও একো ক'ব পৰা নাই। ইতিমধ্যে যোৱা এক জুনত অ'কলাহ'মাৰ মেডিকেল ভৱনত আন এজন বন্দুকধাৰীয়ে চাৰিজন লোকক হত্যা কৰিছে। তিনি জুনত পুনৰ আইঅ'ৱা আৰু উইছকনছিনত বন্দুকধাৰীয়ে আক্ৰমণ চলায়। আইঅ'ৱাত দুজন আৰু উইছকনছিনত পাঁচজন লোকক বন্দুকধাৰীয়ে হত্যা কৰিছে। পুনৰ পাঁচ জুনত আমেৰিকাৰ ফিলাডেলফিয়াত বন্দুকধাৰীয়ে ভয়ংকৰ আক্ৰমণ চলাই তিনিজন লোকক হত্যা আৰু ১৪জনক আহত কৰিছে। চলিত বৰ্ষৰ যোৱা মাহকেইটাত ৰাজহুৱা স্থানত বন্দুকধাৰীয়ে শতাধিক আক্ৰমণ সংঘটিত কৰা বুলি প্ৰকাশ পাইছে।

ৰাষ্ট্ৰপতি বাইডেন আৰু তেওঁৰ সহযোগীসকলৰ মতে আমেৰিকাত এই ধৰণৰ বন্দুকধাৰীৰ আক্ৰমণ তথা হত্যাকাণ্ড বৃদ্ধি পোৱাৰ অন্যতম প্ৰধান কাৰণ হ'ল দেশখনত বন্দুকৰ লাইচেঞ্চ প্ৰদানৰ ক্ষেত্ৰত কোনো ধৰণৰ নিয়ন্ত্ৰণ নথকাটো। দেশখনত ১৮ বছৰৰ যুৱক-যুৱতীয়েও ইচ্ছা কৰিলেই অতি সহজে বন্দুকৰ দোকানৰ পৰা বন্দুক কিনিব পাৰে। বন্দুক অথবা আগ্নেয়াস্ত্ৰ এইদৰে সকলো নাগৰিকে অতি সহজে ক্ৰয় কৰাৰ সুবিধা থকা বাবেই আমেৰিকাত এতিয়া মানুহৰ হাতে হাতে বন্দুক। সকলোৱেই ৰাইফল, পিষ্টল, ৰিভলভাৰ, হেণ্ডগান আদি অতি সহজে কিনিব পাৰে। একাংশ ৰাজনৈতিক নেতা আৰু ক্লিণ্টন, অ'বামা, বাইডেন আদি ৰাষ্ট্ৰপতিসকলে বন্দুকৰ লাইচেঞ্চ প্ৰদানৰ ক্ষেত্ৰত কঠোৰ আইন আৰু নিয়ন্ত্ৰণ বিচাৰি আহিছে যদিও সদনত ইয়াৰ বাবে সংখ্যাগৰিষ্ঠৰ সমৰ্থন লাভ কৰিব নোৱৰাত সেয়া সম্ভৱ হোৱা নাই। ৰাষ্ট্ৰপতি বাইডেনৰ মতে আমেৰিকাৰ শক্তিশালী গান লবী বা বন্দুক নিৰ্মাণকাৰী আৰু তেওঁলোকৰ সমৰ্থনত থকা ৰাজনৈতিক নেতাৰ চক্ৰটোৰ বাবেই বন্দুকৰ লাইচেঞ্চ প্ৰদানত নিয়ন্ত্ৰণ সম্ভৱ হোৱা নাই। এই গান লবী ইমানেই শক্তিশালী আৰু প্ৰভাৱশালী যে স্বয়ং ৰাষ্ট্ৰপতিয়ে বিচাৰিলেও লাইচেঞ্চৰ ক্ষেত্ৰত থকা শিথিল নীতি সংশোধন কৰিবলৈ সক্ষম নহয়। উল্লেখ্য যে আমেৰিকাৰ বিভিন্ন ধৰণৰ অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণকাৰী উদ্যোগৰ ওপৰত দেশখনৰ হেজাৰ হেজাৰ কোটি ডলাৰৰ ব্যৱসায় চলি আহিছে। এই বন্দুক তথা অস্ত্ৰ-শস্ত্ৰ উৎপাদনৰ পৰা বিশ্বৰ বহু দেশৰ পৰা কোটি কোটি ডলাৰ উপাৰ্জন সম্ভৱ হৈছে আৰু উদ্যোগবোৰত হেজাৰ হেজাৰ কৰ্মচাৰীয়ে কৰ্মসংস্থাপন লাভ কৰিছে। বন্দুক তথা অস্ত্ৰ-শস্ত্ৰৰ নিৰ্মাণ আৰু বিক্ৰীৰ ওপৰত আমেৰিকাৰ অৰ্থনীতি বহুখিনি নিৰ্ভৰ কৰে। দেশখনৰ ৰাজনীতিৰ ওপৰত এই অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণকাৰী উদ্যোগপতিবোৰৰ প্ৰভাৱ ইমানেই বেছি যে স্বয়ং ৰাষ্ট্ৰপতিও এই ক্ষেত্ৰত অসহায়; কিন্তু যি হাৰত বন্দুকধাৰীৰ আক্ৰমণ সৰ্বত্ৰ বৃদ্ধি পাইছে, সেয়া অব্যাহত থাকিলে দেশখনত এক অৰাজক পৰিৱেশ সৃষ্টি হ'বলৈ বেছি দিন নালাগিব। একেসময়তে বৰ্ণবাদী আৰু ঘৃণাৰ ৰাজনীতি কৰা শক্তি আৰু সংগঠনবোৰৰ প্ৰভাৱ দেশৰ নাগৰিকসকলৰ ওপৰত বিপজ্জনকভাৱে বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। নিজ দেশৰ বন্দুকধাৰীৰ আতংক বিদেশী সন্ত্ৰাসবাদী মৌলবাদীৰ আক্ৰমণৰ আতংকতকৈ কম বিপজ্জনক নহয়।

# জীৱনৰ অৰ্থ জীৱন

## সামাজিক অস্থিৰতাৰ মাজত স্বাভাৱিক জীৱন-যাপন সম্ভৱ নহয়

### আত্মজিজ্ঞাসা



কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

জীৱনটো বিশাল। পৰীক্ষাৰ ফলাফল ক্ষুদ্ৰ এটা বিষয়। তাকে লৈ ইমান হৈ-চৈ কৰাৰ কোনো কাৰণ নাই। জীৱনৰ যি মালা আমি গাঁথো, আমৃত্যু সেয়া সফলতা আৰু ব্যৰ্থতাৰ নানা ৰঙৰ ফুলেৰে তৈয়াৰী। পৰীক্ষাৰ ফলাফলৰ স'তে জীৱনৰ ফলৰ কোনো সম্পৰ্ক নাই। ৰবীন্দ্ৰনাথে স্কুল পাছ কৰা নাছিল। মাৰ্ক টোৱেইনে স্কুললৈ যোৱা নাছিল। আইনষ্টাইনে কলেজৰ ভৰ্তি পৰীক্ষাত ফেইল কৰিছিল। পৰীক্ষাত ভাল কৰা আৰু বাস্তৱ জীৱনত ভাল কৰা একেই বিষয় নহয়। বাস্তৱ জীৱনত ভাল কৰা অনেক উপাদানৰ সামগ্ৰিক আবেদন মাত্ৰ।

মানৱ জীৱন দ্বি-মাত্ৰিক প্ৰত্যয়। ইয়াৰ এটা দিশ হ'ল প্ৰায়োগিক বা বাহ্যিক বা জৈৱিক। এই পৰ্যায়ত সফল হ'বলৈ হ'লে যি শিক্ষাৰ প্ৰয়োজন, সেয়া দক্ষতা অৰ্জনৰ। মানৱ জীৱনৰ আন এটা প্ৰত্যয় হ'ল মানসিক অথবা আত্মিক। জীৱনৰ এই মাত্ৰাৰ সুষম বৃদ্ধি হ'লেই কেৱল জীৱন হয় পৰিপূৰ্ণ। আত্মিক বা মানসিক প্ৰত্যয়ৰ বাবে প্ৰয়োজন নৈতিকতাৰ পাঠ গ্ৰহণ। সংস্কৃতি চৰ্চা, ইতিহাসৰ গতি-প্ৰকৃতি অনুধাৱন। যাৰ দ্বাৰা মানুহৰ মন হয় উদাৰ। সুৰুচিসম্পন্ন। সুনীতিসমৃদ্ধ। পৰিশীলিত।

মানুহৰ ধাৰণা, পঢ়া-শুনাত ভাল মেধাৱী ছাত্ৰ মানেই ভাল ল'ৰা। প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰা এগৰাকী ছাত্ৰ। নিজৰ স্বাৰ্থৰ বাহিৰে আন একো নাজানে। বিধৱা মাকক বছৰৰ পাছত বছৰ এবাৰ চাবলৈ আহিবৰ বাবে সময় নাই। ফাৰ্ষ্ট ক্লাছ ফাৰ্ষ্টৰ কিবা মূল্য আছে জানো? পেপাৰত তেওঁলোকৰ ফটো উঠে। মেধাৱী ছাত্ৰ। মেট্ৰিক পাছ কৰি আৰু ওপৰত উঠিব নোৱৰা ভদ্ৰ এজন ল'ৰা। মাক-দেউতাকৰ যত্ন লয়। সমাজৰ সেৱা কৰে। দেশক ভাল পায় প্ৰাণভৰি। অসংখ্য গুণৰ অধিকাৰী; কিন্তু মানুহৰ সেই গুণবোৰ চকুত নপৰে। মানুহে তাক তিনিবাৰ মেট্ৰিক ফেইল বুলি তুচ্ছ-তাচ্ছিল্য কৰে। অৱহেলা কৰে। আমাৰ সমাজখন তেনেকুৱাই। ফাৰ্ষ্ট ক্লাছ ফাৰ্ষ্ট হোৱা সেই মেধাৱী ছাত্ৰজনতকৈ সি যে হেজাৰগুণে বেছি ভাল, সেয়া চকুত নপৰে।

মোৰ লেখা পঢ়ি ভালপোৱা এগৰাকী ছাত্ৰীয়ে ফোন কৰি মোক এটা প্ৰশ্ন কৰিছে। মেট্ৰিকৰ ৰিজাল্ট দিয়াৰ পাছৰ পৰাই মোৰ চকুত টোপনি নাই। মই এতিয়া সকলোৰে অৱহেলাৰ পাত্ৰী। মা-দেউতাই মোৰ আন বান্ধৱীৰ স'তে মোক তুলনা কৰে। মই হেনো এটা গাধী। মোৰ দ্বাৰা একো নহ'ব। কেৱল মাত্ৰ পঢ়া-শুনা নামৰ বস্তুটোৰ বাবে মোৰ দৰে কিশোৰী এগৰাকীয়ে কিয় বাৰু ইমান কষ্ট পাবলগীয়া হৈছে। আপুনি ক'ব পাৰিবনে?

মই জানো যে আমাৰ দেশত সম্পূৰ্ণ নতুন এক ধৰণৰ অভিভাৱক প্ৰজাতিৰ জন্ম হৈছে। লেখা-পঢ়া লৈ তেওঁলোকৰ সম্পূৰ্ণ ভুল এক ধৰণৰ চিন্তা-ভাৱনাৰে ছাত্ৰ-ছাত্ৰীৰ শৈশৱক সম্পূৰ্ণ ধ্বংস কৰি দিছে। কৈশোৰ হৈছে স্বপ্ন দেখাৰ বয়স। এই বয়সতে যদি এগৰাকী কিশোৰীয়ে হতাশাত ভাগি পৰে, তেনেহ'লে জীৱনত তাইক আমি কেনেকৈ স্বপ্ন দেখিবলৈ শিকাম? সকলো অভিভাৱকেই নিশ্চয় একে ধৰণৰ নহয়। যাৰ ওপৰত ভৰসা কৰিব পাৰি তেনে অভিভাৱক নিশ্চয় আছে। পুত্ৰ-কন্যাৰ পৰীক্ষাত ভাল ফল নহ'লে সান্ত্বনা দিয়ে। দুখ, হতাশা, স্বপ্নভংগৰ যন্ত্ৰণা ভাগ কৰি লয়। নতুনকৈ স্বপ্ন দেখিবলৈ সাহায্য কৰে। এনে অভিভাৱকো নিশ্চয় আছে; কিন্তু এই কথা অস্বীকাৰ কৰিব নোৱাৰি যে আমাৰ মাজত অভিভাৱকৰ এটা নতুন প্ৰজন্মৰ জন্ম হৈছে, তেওঁলোকে কেৱল পুত্ৰ-কন্যাক পীড়ন কৰি সিহঁতৰ শৈশৱক বিষাক্ত কৰি তোলে। সন্তানক আনন্দময় শৈশৱ উপহাৰ দিয়াটো প্ৰত্যেক পিতৃ-মাতৃৰ যে কৰ্তব্য, সেই কথা তেওঁলোকে পাহৰি যায়। সন্তানৰ বাবে এটা মাত্ৰ দায়িত্ব, সেয়া পৰীক্ষাত ভাল ৰিজাল্ট কৰা। এগৰাকী ছাত্ৰ-ছাত্ৰীৰ শৈশৱক সম্পূৰ্ণ ধ্বংস কৰি পেলাবৰ বাবে নাই কোনো সংকোচ। নাই কোনো দ্বিধা। কেৱল পঢ়া আৰু পঢ়া। বিনোদনৰ বাবে সময় নাই। আনন্দহীন এটা জীৱন।

এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে যেতিয়া পৰীক্ষাত বেয়া কৰে, তেতিয়া পিতৃ-মাতৃয়ে সঁচা মৰমেৰে সান্ত্বনা আৰু সাহস দিয়াৰ দৰকাৰ।

আমাৰ এটাই জীৱন
জীৱনৰ অৰ্থ জীৱন বাবেই
জীৱন বিতোপন।

**দুই**

জীৱনৰ বহু ঘটনাৰ ওপৰত মানুহৰ কোনো হাত নাই। কাৰণ সেয়া ঘটে নিতান্ত প্ৰকৃতিৰ নিয়মত। কোনটো প্ৰকৃতি নিৰ্ভৰ আৰু কোনটো ব্যক্তি নিৰ্ভৰ সেয়া বুজাৰ বাবে যি অন্তৰ্দৃষ্টিৰ প্ৰয়োজন, সেয়া অৰ্জন কৰিব লগাত পৰে দীৰ্ঘদিনৰ অভিজ্ঞতাৰে। সেয়া উপহাৰ হিচাপে কাৰো হাতত তুলি দিয়া নাযায়। জীৱনৰ প্ৰতি ভালপোৱা সকলোৰে সমানভাৱে প্ৰকাশ কৰিব নোৱাৰে। সকলোৰে তেনে ভাগ্য নঘটেও। বাৰ্ধক্যৰ এটা স্বাভাৱিক ধৰ্ম আছে। আছে ক্ৰমিক অৱক্ষয়ৰ অৱধাৰিত নিয়ম। জীৱ জগতৰ অনিবাৰ্য অংশ হিচাপে সেই নিয়মৰ বিপৰীতে জীৱনৰ নাও উভোতাৰ সাধ্য কাৰো নাই। এই যে আমি জীয়াই আছো, এই জীয়াই থকাটোৰ ওপৰত আমাৰ কাৰো কোনো হাত নাই। এয়া সম্পূৰ্ণ প্ৰকৃতিৰ বিবিধ অন্তৰ্নিহিত শক্তি আৰু সম্ভাব্যতাৰ বিধি-বিধানৰ ওপৰত নিৰ্ভৰশীল। আমাৰ হাত আছে কেৱল যিখিনি সময় আমি জীয়াই থাকো, সেই অমূল্য সময়খিনি কিভাৱে ব্যৱহাৰ কৰো। দীৰ্ঘজীৱী হোৱাটোৱেই জীয়াই থকাৰ প্ৰধান লক্ষ্য নহয়। এনেকি অপেক্ষাকৃত সুস্থ দেহেৰেও। ডাঙৰ কথা কিমান তীব্ৰভাৱে, কিমান পূৰ্ণভাৱে কিমান অৰ্থপূৰ্ণভাৱে জীয়াই আছো। পৃথিৱীৰ বহু দেশ ঘূৰি অজস্ৰ মানুহৰ স'তে মিলা-মিছা কৰি এয়াই শিকিছো। এক ভিন্ন চকুৰে মানুহৰ জীৱনক অলপ স্বতন্ত্ৰভাৱে দেখাৰ সৌভাগ্য অৰ্জন কৰিছো। আমেৰিকাৰ এৰিজোনা প্ৰদেশৰ মনোৰম চহৰ ফিনিক্সৰ হোটেল এখনত লগ পাইছিলো হানিমুন পালন কৰিবলৈ অহা নৱ-বিৱাহিত এক দম্পতীক। আহিছে কানাডাৰ ৰেজিনা চহৰৰ হাঁড় কঁপোৱা শীতৰ এক বৃদ্ধাশ্ৰমৰ পৰা। তাতেই দুয়োৰো পৰিচয়। প্ৰেম। আৰু বিৱাহ। দুয়োৰো বয়স ৯০। হোটেলৰ মোৰ কাষৰ ৰুমতে আছিল। কে'বাবাৰো লগ পাইছো।

কথা পাতিছো। যেতিয়াই লগ পাইছো, তেতিয়াই দেখিছো প্ৰেমান্ধ টিন এজাৰৰ দৰে দুয়োৰে হাত দুখন হাতৰ মুঠিত বন্ধা। প্ৰথম যৌৱনৰ তীব্ৰ খৰস্ৰোতা প্ৰাণ বন্যাক বহিৰ্মুখী হ'বলৈ নিদি শাসন আৰু দমনৰ দেৱালত আৱদ্ধ কৰি ৰখা নহয় বাবেই প্ৰাচীন কালৰ সেই আনুষ্ঠানিকতা বৰ্তমান আধুনিক মনকো সমানভাৱে আকৃষ্ট কৰিব পাৰিছে পশ্চিমৰ সংস্কৃতিত। অবাৰিত ধাৰাত নিঃসৃত হৈছে মানৱ প্ৰেমৰ শুচি শুভ্ৰ সুধা। জীৱনক কেনেকৈ ভাল পাব লাগে, বৃদ্ধ দম্পতীক দেখি বুজি পালো। জীৱনৰ বিয়লি বেলাতো দুয়ো যে পূৰ্ণভাৱে, তীব্ৰভাৱে জীয়াই আছে, তাৰ প্ৰমাণ নিজ চকুৰে দেখিলো। পশ্চিমৰ সামাজিক, সংস্কৃতিত জীৱনৰ প্ৰতি ইহজাগতিকতাৰ প্ৰতি এই সুস্থ জীৱনমুখী দৃষ্টিভংগীটো শৈশৱৰ পৰা গঢ়ি উঠাৰ আৱহাৱা তৈয়াৰী হৈ থাকে। যিটো আমাৰ নাই। আমাৰ জীৱনত আছে, কেৱল হতাশাৰ বন্দনা। বিৰহৰ জয়গান।

**এটা সময় আছিল সোণৰ অসম আছিল ৰূপে-গুণে মহীয়সী। মানুহে মানুহে আছিল সৌহাৰ্দ্য। আছিল অন্তহীন প্ৰেম-প্ৰীতি। সন্ত্ৰাস নাছিল। ভেদাভেদ নাছিল। দুষ্কৃতি নাছিল। চহৰৰ তুলনাত গ্ৰাম্য জীৱন আছিল আৰু বেছি অনাবিল। দুখীয়া মানুহ আছিল, দৰিদ্ৰতা আছিল; কিন্তু মানুহৰ হৃদয়ত কৰুণাৰ অভাৱ নাছিল। আজি-কালি মানুহৰ বুকু শুকাই গৈছে। সমাজ অস্থিৰ। সামাজিক অস্থিৰতাৰ মাজত সুস্থ জীৱন যাপন কৰা সহজ কথা নহয়। দেশ আজি ক্ষত-বিক্ষত।**

**তিনি**

সুখ-সম্ভোগৰ উপকৰণ বহুল চাকচিক্যময় জীৱন আৰু ভোগৰ আকাংক্ষাই আমাৰ দেশৰ ৰাজনৈতিক আমোলাৰ বিবেকক চেপা মাৰি ঢাকি পেলাইছে, তেওঁলোকৰ সূক্ষ্ম আত্মিক অনুভূতি। ফলত বিপৰ্যস্ত হৈছে মনুষ্যত্ব।

লণ্ডনত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী উইনষ্টন চাৰ্চিলে হাঁহি হাঁহি নেহৰুক কৈছিল ঃ তোমাৰ সম্পৰ্কে মোৰ এটা ভয় আছিল যে তুমি কঠোৰ হাতেৰে দেশ শাসন কৰিব নোৱাৰিবা। উত্তৰত নেহৰুৱে কৈছিল ঃ মই গণতন্ত্ৰত বিশ্বাস কৰো বাবেই হঠাতেই কঠোৰ হ'ব খোজা নাই। তেতিয়া চাৰ্চিলে উত্তৰ দিছিল ঃ সাৰ্থকভাৱে গণতন্ত্ৰ পৰিচালনা কৰিবলৈ হ'লে ক'ত নৰম হ'ব লাগে আৰু ক'ত কঠোৰ হ'ব লাগে, তাক জনাৰ প্ৰয়োজন।

গণতন্ত্ৰৰ শত্ৰুৰ বিৰুদ্ধে কঠোৰ হোৱা গণতন্ত্ৰ বিৰোধী কাম নহয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বহু আগতেই সঞ্জয় কিষাণক মন্ত্ৰীসভাৰ পৰা বিদায় দিব লাগিছিল। মন্ত্ৰীসভাৰ পৰা বাদ দিব লাগিছিল চন্দ্ৰমোহন পাটোৱাৰীক; কিন্তু সেই সাহস মুখ্যমন্ত্ৰীৰ নাই। এবছৰৰ মূৰত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটালে। এতিয়াও বাকী আছে তিনিজন। কাৰ্বি আংলঙৰ নিৰ্বাচনৰ সময়ত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা মতে পাহাৰৰ মন্ত্ৰী এজন দিলে। আনজন তেওঁৰ চামচা জয়ন্তমল্ল। কংগ্ৰেছত থাকোতে জয়ন্তমল্ল, পীযুষ হাজৰিকা সাধাৰণ বিধায়ক আছিল। হিমন্ত বিশ্বৰ স'তে বিজেপিলৈ আহি পীযুষ হাজৰিকা আগতে আৰু জয়ন্তমল্ল এতিয়া মন্ত্ৰী হ'ল। পুৰণি আচল বিজেপিবোৰে আঙুলি চুহি চাই ৰ'ল। নামতহে বিজেপিৰ চৰকাৰ। পুৰণি বিজেপি আচলতে কোনো নাই। নতুন বিজেপিৰ জয়জয়কাৰ। পীযুষৰ কি দপ্দপনি!

এটা সময় আছিল সোণৰ অসম আছিল ৰূপে-গুণে মহীয়সী। মানুহে মানুহে আছিল সৌহাৰ্দ্য। আছিল অন্তহীন প্ৰেম-প্ৰীতি। সন্ত্ৰাস নাছিল। ভেদাভেদ নাছিল। দুষ্কৃতি নাছিল। চহৰৰ তুলনাত গ্ৰাম্য জীৱন আছিল আৰু বেছি অনাবিল। দুখীয়া মানুহ আছিল, দৰিদ্ৰতা আছিল; কিন্তু মানুহৰ হৃদয়ত কৰুণাৰ অভাৱ নাছিল। আজি-কালি মানুহৰ বুকু শুকাই গৈছে। সমাজ অস্থিৰ। সামাজিক অস্থিৰতাৰ মাজত সুস্থ জীৱন যাপন কৰা সহজ কথা নহয়। দেশ আজি ক্ষত-বিক্ষত।

**চাৰি**

গুৱাহাটীৰ পাণবজাৰৰ তিনিজন ভিক্ষাৰী। এজন অন্ধ, এজন খোৰা আৰু আনজনৰ হাত নাই। পংগু। এদিন তিনিও মিলি সিদ্ধান্ত গ্ৰহণ কৰিলে যে সিহঁতৰ নিজস্ব এটা সংগঠন থকা দৰকাৰ। সংগঠন নহ'লে কোনেও চিনি নাপায়। সংগঠন গঠন কৰিলে সভাপতি-সম্পাদক-উপদেষ্টা থাকিব। যিহেতু সিহঁত সংখ্যাত তিনিজন মুখ্য পদৰ অধিকাৰী হ'ব সিহঁত তিনিজনেই। এজনে ক'লে উপদেষ্টা নালাগে। দেখা নাই আছুৰ উপদেষ্টাজনে সভাপতি-সম্পাদকক লেং মাৰি সকলো ক্ষমতা দখল কৰিছে। তাকে লৈ তিনিওৰে মাজত নানা যুক্তি-তৰ্ক-বিতৰ্ক হ'ল। পাছত প্ৰেচিডেণ্ট, ভাইচ প্ৰেচিডেণ্ট আৰু ছেক্ৰেটাৰী এই তিনিটা পদ ঠিক কৰা হ'ল। কমিটী গঠন হ'লেই সমগ্ৰ অঞ্চলৰ ভিক্ষাৰীবোৰক সদস্য কৰা হ'ব। কমিটী গঠন কৰিবৰ বাবে সভা আহ্বান কৰা হ'ল। স্থান পাণবজাৰৰ অভাৰব্ৰীজৰ তলত। নিৰ্দিষ্ট সময় মতে তিনিও আহি হাজিৰ; কিন্তু সভাৰ কাৰ্যক্ৰম আৰম্ভ হোৱাৰ লগে লগেই গোলমাল লাগি গ'ল। নিজৰ মাজতেই।

গোলমালৰ সূত্ৰপাত কৰিলে অন্ধ ভিক্ষাৰীজনে। সভাৰ আৰম্ভণিতে সি দাবী কৰিলে প্ৰেচিডেণ্ট পদৰ বাবে সিয়েই যোগ্য ব্যক্তি। কাৰণ এই অঞ্চলৰ সি সবাতোকৈ পুৰণি ভিক্ষাৰী। মানুহে তাক চিনি পায়। সেয়ে প্ৰেচিডেণ্ট হৈ সন্মানৰ স'তে থাকিব পাৰিলেহে সি এই সংগঠনত থাকিব। নহ'লে নাই।

অন্ধ ভিক্ষাৰীজনে প্ৰেচিডেণ্ট হ'ব খোজা দেখি খঙত অগ্নিশৰ্মা হৈ খোৰা ভিক্ষাৰীজনে চিঞৰিলে ঃ চালাৰ বেটা অন্ধ মোক সন্মান শিকাবলৈ আহিছ। এক লাথি মাৰি কঁকাল ভাঙি দিম।

খোৰা ভিক্ষাৰীজনৰ স্পৰ্ধা দেখি হাত নথকা ভিক্ষাৰীজনে চিঞৰি উঠিল ঃ ঐ লেংৰা হাৰামজাদা চব জাগাতে গুণ্ডাগিৰি নচলিব। এক ঘোচাত চব দাঁত সৰাই দিম।

অন্ধ ভিক্ষাৰীজনে তাৰ পক্ষত এজনক পাই সাহস পালে। সাহস পাই সি চিঞৰিলে— মাৰ চালাক মাৰ। চালাৰ ৩২টা দাঁত পেলাই দে।

**পাঁচ**

নীতিয়ে মানুহক জীৱনবোধত কৰে উদ্বুদ্ধ
কৌশলে শিকায় বিষয় বুদ্ধি।

ফোন ঃ ০০১৪০৩২৭০১৮১৭

# খাই নমৰিব

**ৰিজু হাজৰিকা**

**আমি** মানুহবিলাক খায়ো মৰো, নাখাইও মৰো। নাখাই নমৰা মানুহ সাম্প্ৰতিক কালত কমেই। আমাৰ অসমত খাদ্য বস্তুৰ অভাৱ নাই। যেনে— বিভিন্ন শাক-পাচলি, ফল-মূল, মাছ-কাছ, বিভিন্ন চাউল। তাতে আকৌ চৰকাৰেও দুখীয়া মানুহক চাউল দি থাকে। আমাৰ পাহাৰ-ভৈয়ামে নানা তৰহৰ শাক-পাচলি হয়। বিভিন্ন ধৰণৰ কচু, ঢেকীয়া শাক, পুঁই শাক। তদুপৰি মানুহে কোৰ হাল মাৰি ৰোৱা শাক-পাচলিতো আছেই।

কিন্তু খাদ্য বস্তু খাব নজনাৰ ফলত নানা ৰকমৰ আমাৰ বেমাৰ হয়। আমি আমাৰ খাদ্য বস্তুবোৰ কেনেকৈ খাব লাগে তাকে মোৰ ডাক্তৰ বন্ধুৱে কৈছিল।

তেওঁ কৈছিল— খাদ্য বস্তুবোৰ ভালদৰে চোবাই খাবা। চোবাই খোৱাৰ ফলত তোমাৰ পেটটোক ভালেখিনি সকাহ দিয়া হয়। হজম শক্তিটো মানুহৰ মুখৰ পৰাই আৰম্ভ হয়। আমি বহুতে সময় বচাবৰ নিমিত্তে বা অতিপাত খকৰ কাৰণেও খাদ্য বস্তু মুখত লৈয়েই গিলি দিও। আজি কালিতো থিয়ৈ থিয়ৈ খোৱা স্বভাৱ মানুহৰ বাঢ়ি গৈছে। বুফে, চুফে আদি নানা প্ৰথা বাহিৰ হৈছে। কান্ধত লৈ, বুকুত লৈ খাব লাগে, দুই এজনে বহা ছিট এটা পালেও কোলাত লৈ খাব লাগে। আঙুলিৰে নাখাই, চামুচেৰে খায়। চামুচেৰে মাংসৰ টুকুৰা ভাঙিব নোৱাৰে, মাছৰ কাঁইট গুচাব নোৱাৰে। গতিকে হাত লগাবলৈ বাধ্য। গতিকে ভগৱানে দিয়া হাতখনৰ আঙুলি পাঁচটানো আমি কিয় ব্যৱহাৰ নকৰো। বিদেশৰ কথা বেলেগ। তাত মানুহবিলাকে ফেক্টৰীত কাম কৰে। খাই সময় নষ্ট কৰিব নোৱাৰে। সেই কাৰণে তাৰে খাদ্যবস্তু বিলাকো হাড়, কাইট গুচাই ৰান্ধে। অসুবিধা একো নাই। কিন্তু আমি ময়ুৰক দেখি ঘৰ চিৰিকাই পেখম ধৰাৰ দৰে হৈছে। আৰু এটা বচন আছে বোলে আদাক দেখি উঠিল গা, কেটুৰিয়ে বোলে মোকো খা।

তেওঁ আৰু কৈছিল— ভাত খাই থাকোতে পানী নাখাবা, কিয়নো পানী খাই থাকিলে খাদ্য বস্তু হজম কৰা বৰ কঠিন হয়। ভাতখোৱাৰ এঘণ্টা পাছতহে পানী খাব লাগে। ভাত খোৱাৰ এঘণ্টা আগতেও এগিলাচ পানী খাব লাগে।

ভাত খাই থাকোতে বেছি কথা পাতিব নালাগে, বেছি উত্তেজনাপূৰ্ণ কথা পতাও বেয়া, কিয়নো পেটে খাদ্য বস্তু হজম কৰা কঠিন হৈ পৰে।

অধিক খাদ্য খাব নালাগে। আৰু যাতে অলপ খাব পৰা তোমাৰ ইচ্ছা আছে— তাতেই সমাপ্ত কৰা। ভোক নালাগিলে কেতিয়াও খাদ্য খাব নালাগে। তুমি যদি সঁচাকৈয়ে ভোক অনুভৱ কৰিছা— তেতিয়াহে খাবা।

খোৱাৰ পাছত তুমি যদি মিঠাই খাব খোজা তেন্তে তুমি ভাত খোৱা শেষ কৰি মিঠাই খাবা, তেতিয়া তোমাৰ দাঁতত লাগি থকা খাদ্য বস্তুবোৰ ই পেটৰ ভিতৰলৈ লৈ যাব।

ভাতৰ লগত কেচা বস্তু যেনে— তিঁয়হ, গাজৰ আদি বেছিকৈ খাব নালাগে, তেনেকৈ খাব নালাগে চালাদ জাতীয় খাদ্য। আজি কালি চালাদ খোৱাটো এটা প্ৰথা হৈ পৰিছে।

খাদ্যৰ লগত অতিমাত্ৰা বহুবিধ খাদ্য খাব নালাগে। যেনে— মাছ, মাংস, কণী, পনীৰ, মিক্সদ ভাজি আদি। যিমানে কমকৈ খাবা, সিমানে তোমাৰ হজম শক্তি বাঢ়িব। আমি পালে সাগৰে শুহি খাও, নাপালে কাঁইট মূৰ চুহো— চৰিত্ৰ হ'ব নালাগে। সেই কাৰণে বিয়া-বাৰু, শ্ৰাদ্ধ-ভোজ আদিত গ'লে চাই চিতি খাব লাগে। কিন্তু আমাৰ অভ্যাসবোৰ বেয়া। প্ৰত্যেকবিধ আইটেম অলপ অলপকৈ টেষ্ট কৰিলেও বহুত হৈ যায়। আমি ভাবো কিজানি এইটো আইটেমতকৈ সেইটো আইটেম বেছি ভাল হৈছে, জিভাখনে লকলকাই দিলে খাই দিওঁ। বৰ্তমান বুফেৰ যুগ। নিজে লৈ খাব লাগে। তেতিয়া লোভটো বাঢ়ি যায়। বৰ্তমান কালত ভোজ-বিয়া, পাৰ্টি আদিত এবিধ খাদ্য বস্তুৰে কে'বাবিধ খাদ্য বনায়। যেনে— ধৰক, চিকেনৰ। চিকেন পকৰা, চিকেন ভাজি, চিকেনৰ জোল। এটাও এৰিবৰ মন নাযায়। মাছৰো তেনে— মাছ ভজা, মাছ ৰন্ধা তদুপৰি মাছ মাংসৰ লিভাৰ ভজা। বৰ জুতি। জিভাখনে কৈ দিয়ে— খা বেটা, এনে চাঞ্চ সদায় নাপাবি। মাছৰে যে কেইবিধ-সৰু মাছ গজা খাৰ দিয়া, টেঙা দিয়া, পাতত দিয়া। এটাও এৰিবৰ মন নাই। ডাঙৰ ভকুৱা মাছৰ জোল, ভজা আছেই। আজি কালি আঁৰি মাছ পাতত দিয়া এটা নতুন আইটেম ওলাইছে। মাছৰ মূৰৰ মূৰি ঘণ্টা। চুহি চুহি



খাবলৈ বৰ ভাল। সৰু মাছ যেনে— পুঠি, খলিহনা, কাৱৈ আদি ভাজি তাতে খাৰ ছটিয়াই দিয়ে, খাবলৈ কি যে জুতি! নতুনকৈ আৰু এবিধ খাদ্য ওলাইছে। গৰৈ মাছ পুৰি তাতে খাৰ, নিমখ, তেল, কেঁচা জলকীয়া সানি পিটিকা কৰি খোৱা এটা জুতিৰ খাদ্য। বিয়া-বাৰু, ভোজ আদিতো এইবোৰ খাদ্য বৰকৈ প্ৰচলন হৈছে।

মুঠতে নতুন নতুন খাদ্য আবিষ্কাৰ হৈয়েই আছে, মাত্ৰ আপুনি হজম কৰিবলৈ জিভাখনক কণ্ট্ৰ'ল কৰিব লাগিব। অসমখন বিভিন্ন খাদ্যৰ ভঁৰাল। জুতি লগাই ৰন্ধা আৰু খোৱা চলিয়েই আছে— মাথো আপুনি জিভাখনক কণ্ট্ৰ'ল কৰিব লাগিব, হজম কৰা শক্তি থাকিব লাগিব, তেতিয়া খাওঁক। নহ'লে অপৰ্যাপ্ত খাই পায়খানাতে বহি থাকিব লাগিব। আগৰ দিনত আমাৰ মাহতেই জিভাখন কণ্ট্ৰ'ল কৰিছিল।

# নলগা গছত বান্ধে জেং নিজৰ ভৰিত মাৰে লেং

**মনোজ কুমাৰ ভট্টাচাৰ্য**

— হেৰি, কি কৰি আছে এইবোৰ?

— কাম কৰি আছো আকৌ। তুমি মাজতে মাত মাতিছা কিয়?

— জেংসোপা গোটাইছে কিয়? কাম নাই দিয়ক আপোনাৰ।

— কি কোৱাহে? মোৰ কাম নাই। ৰ'বাচোন ৰ'বা। মোৰ কাম নাই মানে? তাৰ মানে মই কামৰ লায়ক নহয়? মই তোমাক সন্তুষ্ট কৰিব পৰা নাই?

— আপোনাৰ লগত মোৰ উপায় নোহোৱা হৈছে। মই ক'লে এটা কথা, আপুনি বুজে আন এটা কথা। সেইবোৰ এৰি আহক।

— কিয়? তোমাক দেখোন মই একো অসুবিধাত পেলোৱা নাই। তেনেহ'লে কাম এৰি আহিবলৈ কৈছা কিয়?

— চাহ বনাইছো। খাওকহি। ভাগৰ লগা নাই?

— হয় নেকি? মোৰ বহু কষ্ট হোৱা বুলি তুমি ভাবিছা নহয় জানো? মোৰ একো কষ্ট হোৱা নাই দিয়া। তুমি চিন্তা কৰি নাথাকিবা।

— বেগতে মুখ-হাত ধুই আহক। নহ'লে চাহ কাপ চেঁচা হৈ যাব।

— ক'তা? চাহ হোৱাই নাই হ'বলা? মোক আগতীয়াকৈ মাতিলা কিয়?

— ভাগৰে-জোগৰে চাহ খাব নালাগে। অকণমান জিৰণি লওকচোন। মই দি আছো।

— জানো দিয়া। মই কাম কৰিলে তুমি অন্তৰত বৰ দুখ পোৱা। সেই কাৰণে মোক জিৰণি ল'বলৈ কৈছা।

— এয়া চাহ আৰু পিঠা, খাওক।

— তোমাৰ ক'ত?

— আনিম দিয়ক।

— আনা, একেলগে খালেহে ভাল লাগে। চাহখিনি খায়েই কিন্তু মই কামত ধৰিম। তুমি বেয়া নাপাবা।

— ইমান ব্যস্তভাৱে কি কাম কৰি আছে হয়নে?

— তুমি জানো দেখা নাই বান্দৰৰ কিমান উৎপাত? সেইবাবে তামোলৰ গছত মই জেং বান্ধি দিছো। এতিয়াহে বেটাহঁতে ভাল শিক্ষা পাব।

— কি কাম যে কৰে আপুনি? গছত তামোল লাগিবৰ হোৱাই নাই, আপুনি জেং বান্ধিলেই। আৰু তামোল যে বান্দৰে নাখায় সেইটোও নাজানে আপুনি?

— নাখালে কি হ'ল? এতিয়া অন্ততঃ গছত উঠি সিহঁতে দপ্দপাই থাকিব নোৱাৰিব।

— মানুহৰ দৰে বান্দৰে গছত নুঠে নহয়? গছৰ তলফালে জেং বান্ধিলে হ'ব কি কওকচোন? সিহঁতে গছৰ ডালে ডালে, পাতে পাতেহে বগাই ফুৰে।

— হয়তো, এতিয়া আৰু নাবান্ধো দিয়া। তাতকৈ মাটি অকণমানকে চহাই থওঁ। কিবা-কিবি ৰুব পাৰিম। বান্দৰে জলকীয়া খায়নে বাৰু?

— নাখায়।

— তেনেহ'লে এইবাৰ জলকীয়াৰ গছকেই লগাম। বান্দৰৰ উৎপাতত খেতি কৰিবলৈ মনেই নোযোৱা হ'ল দেখোন। মই আহো ৰ'বা। ভাত হ'লে মাতি দিবা।

— হ'ব দিয়ক। ৰ'দত একেৰাহে বেছি



সময় কাম কৰি নাথাকিব কিন্তু।

— তোমাৰ মোলৈ বৰ চিন্তা নহয়? ইমান চিন্তা কৰি নাথাকিবা।

— হেৰি, ৰাম ৰাম। শাকনিডৰাত ছাগলী যে সোমাইছে আপুনি দেখা নাই? শাকবোৰ খাই দেখোন তহিলং কৰি পেলালে। আপুনি জপনাখন খুলি থৈছিল নেকি?

— অ' ময়েই খুলিছিলো। পিছে জপনাখন দিবলৈহে পাহৰিলো।

— ইছ ৰাম। ছাগলীকেইটা খেদি নিদিয়ে কিয়?

— খালেইতো। খাওক দিয়া। একেবাৰে শেষ কৰি পেলালে কাইলৈৰ পৰা ছাগলীয়ে খাব কি? সিহঁত নহা হ'ব বুজিছা?

— কি মানুহহে আপুনি? ইমান লহপহীয়া শাকবোৰ ছাগলীয়ে চকুৰ আগতে খাই আছে আৰু আপুনি নেখেদি চুপ চাপ চাই আছে?

— ছাগলীয়ে মুখ দিয়া বস্তু যে খাব নাপায় সেইটোও তুমি নাজানানে? যি হ'ল হ'ল, মন বেয়া কৰিব নালাগে। তুমি ইয়াৰ পৰা যোৱা এতিয়া।

— নগৈ কৰিম কি? অকণমান ভুলৰ কাৰণে আজি খেতিডৰা ছাগলীয়ে শেষ কৰি দিলে।

— এইবোৰ ভাবি নাথাকিবাচোন। শাকৰ গুটি আনি কাইলৈয়ে লগাম মই। চাই থাকিবা তুমি?

— হাতৰটো এৰি বাটৰটোলৈ এতিয়া মুখ মেলি থাকিম দিয়ক।

— হেৰা, খৰাহি এটা আনাচোন।

— খৰাহিৰে কি কৰে আপুনি?

— নেমুকেইটা ছিঙি থওঁ। বেগতে লৈ আহা।

— হে হৰি! এয়া আপুনি কি কৰিলে? নেমুৰ গছডাল গুৰিতে কাটি পেলালে কিয়?

— গোটেই গছডালতে কাঁইট। মোক বিন্ধিলেই। তোমাক বিন্ধিলে কেনেকৈ সহ্য কৰিবা? সেই বাবেই গছডাল কাটি দিছো।

— কিমান কষ্ট কৰি গছডাল ৰুই ডাঙৰ কৰিলো, লমা-লমে নেমুটেঙা লাগি থকাৰ পাছত গছডাল কাটিবলৈ কিহে পাইছিল কওকচোন? বেঙা এটা কৰবাৰ।

— কাঁইট নোহোৱা গছ ৰুলে চিন্তা নাই বুজিছা?

— হেৰি, গাৰু দুটা যে ৰ'দত দিছিলো, এটা গাৰু নাই দেখোন? কি হ'ল?

— কি কোৱাহে? নাথাকি ক'ত যাব?

— নাই। সঁচাকৈ কৈছো। এটাহে আছে।

— অ' এতিয়াহে মনত পৰিছে মোৰ। আছে দিয়া, মই থৈছো।

— ক'ত থ'লে আপুনি?

— নাদৰ পাৰত বাল্টিত ভৰাই থৈছো।

— কি?

— অলপ আগতে কাউৰী এজনী মোৰ গাৰুটোৰ ওপৰত উঠি জঁপিয়াই জঁপিয়াই বোকা লগাইছিল। সেইবাবেই মই লেতেৰা গাৰুটো তিয়াই দিছো।

— খালে খালে আপুনি। কোনোবাই গাৰু তিয়াই নেকি কওকচোন?

— ঘিণ লাগে নহয়। ৰ'দত মেলি দিলে শুকাই যাব দিয়া। বেয়া নাপাবা।

— আপোনাক লৈ উপায় নোহোৱা হৈছে মোৰ। গাৰুৰ ক'ভাৰটো ধুলেই হ'লহেঁতেন নহয়? এৰি থৈ আহক। নালাগে কাম কৰিব।

— তুমি মোক খং কৰিছা নেকি? সেই লেতেৰা গাৰুটোত কেলেই মই শুম কোৱাচোন?

— কি যে অঁকৰা এটাক পালো মই! এয়া মোৰ বিধিৰ লিখন। পূৰ্বজন্মৰ কৰ্মফল।

— গিৰীয়েকক গালি পাৰিব নাপায় বুজিছা? এনেকৈ গালি পাৰিলে বোলে তিৰোতাৰ সেওঁতা খালী হৈ যায়। সেন্দূৰ লোৱাৰ সুযোগকণ হেৰাই যায়। আজিৰ পৰা এনে কথা নক'বা দেই।

— হা?

ফোন ঃ ৯১০১৭৭৪৮৬৮

# দেওবৰীয়া বিশেষ



# বিফলতাৰ উদযাপন আৰু আত্ম-প্ৰেৰণা

**চুমিন্দ্ৰ চৌধুৰী**


**হয়,** লেখাটোৰ শিৰোনাম পঢ়ি আপুনি ঠিকেই ভাবিছে। বিফলতাৰ উদযাপন আকৌ কি হ'ব পাৰে? প্ৰত্যেকজন মানুহৰে জীৱনত কিছুমান লক্ষ্য তথা সংকল্প থাকে। সেই লক্ষ্য আৰু সংকল্পৰ লগত সংগতি ৰাখি দৈনন্দিন জীৱনৰ লঘু-গুৰু সকলো কাম আমি এটাৰ পাছত এটা কৰি গৈ থাকো আৰু নিজৰ নিজৰ লক্ষ্যত উপনীত হ'বলৈ হাবিয়াস কৰো। তাৰ মাজতে কিছুমানৰ হাবিয়াস আকৌ নিজৰ চেষ্টাৰ অভাৱত, দুৰ্ভাগ্যবশতঃ ভুল সিদ্ধান্ত গ্ৰহণৰ অথবা ত্ৰুটিপূৰ্ণ যোজনাৰ বাবে মাথোন হাবিয়াস হৈয়েই ৰৈ যায়।

কিছুমানে আকৌ নিজৰ সাধ্যাতীত চেষ্টা, পৰিশ্ৰম আৰু ত্যাগৰ বলত নিজৰ লক্ষ্যত উপনীত হৈ সফলতাৰ প্ৰাপ্তি সাব্যস্ত কৰে। যিকোনো কামত সফল হ'লে মানুহৰ মনত সন্তোষ জন্মে। ই এক স্বাভাৱিক পৰিঘটনা। লক্ষ্যত উপনীত হোৱাৰ বাবে মানুহৰ মনত উদ্ভৱ হোৱা সন্তোষৰ বহিঃপ্ৰকাশেই হৈছে সফলতাৰ উদযাপন। বিফলতা কেতিয়াও আমাৰ লক্ষ্য হ'ব নোৱাৰে। আমি কোনেও কোনো কাৰণত বিফলতা বাঞ্ছা নকৰো। তেনে ক্ষেত্ৰত বিফলতাৰ উদযাপনৰ কথাও আহি নপৰে। পাছে সময় গতিশীল, সময়ৰ চকৰিৰ স'তে আমাৰো আচৰণ, অনুশীলন আৰু চিন্তাধাৰাৰ ক্ৰমবিৱৰ্তন ঘটে। পৰিৱৰ্তনেই হৈছে একমাত্ৰ অটল। সময়ৰ লগে লগ ঘটা চিন্তাধাৰাৰ পৰিবৰ্তনৰ বাবে আজি বিফলতাৰ উদযাপনো প্ৰাসংগিক হৈ পৰিছে। আনৰ ঠাট্টা তথা উপহাসক উপেক্ষা কৰি নিজৰ লক্ষ্যত উপনীত নোহোৱাৰ বাবে বিমৰ্ষিত নহৈ সেই বিফলতাৰ মাজেৰে লাভ কৰা অভিজ্ঞতা আৰু জ্ঞান প্ৰাপ্তিৰ আনন্দত আত্মহাৰা হোৱাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছে।

সফলতা আৰু বিফলতা হৈছে একেটা মুদ্ৰাৰেই ইপিঠি-সিপিঠি। সফলতাৰ দৰে বিফলতাও জীৱনৰ এটা অনিবাৰ্য অংশ। সফলতাই যিদৰে মনত সন্তোষ আৰু উদ্দীপনা যোগায় তাৰ বিপৰীতে বিফলতাইয়ো সমান পৰিমাণে অভিজ্ঞতা আৰু জ্ঞান কঢ়িয়াই আনে। পাছে বিফলতাৰ বাবে মনৰ মাজত উদয় হোৱা লাজ, সংকোচ আৰু বিমৰ্ষতাৰ বাবে সেই অভিজ্ঞতা আৰু জ্ঞানৰ কথা আমি ভাবিব পাহৰি পেলাও। শৈক্ষিক দাৰ্শনিক জন ডিউইৰ অৰ্থত ক'বলৈ গ'লে এজন প্ৰকৃত চিন্তাবিদে সফলতাৰ তুলনাত বিফলতাৰ পৰা বেছিকৈ শিকিব পাৰে। শিক্ষাবিদসকলে যদি বিফলতাৰ কলংকখিনিক উপেক্ষা কৰি ইয়াৰ পৰা দৰাচলতে শিকিবলগীয়া কথাবোৰ চিন্তা আৰু পুনৰীক্ষণ কৰে তেন্তে বিফলতাৰ অভিজ্ঞতাক এক মূল্যৱান শিক্ষণ সমল হিচাপে ব্যৱহাৰ কৰিব পৰা যায়। আৱিষ্কাৰ আৰু উদ্ভাৱনৰ ক্ষেত্ৰত বিফলতাৰ বিশ্লেষণ যিকোনো বিষয়ৰ অন্বেষণৰ এক অপৰিহাৰ্য পদক্ষেপ। বিনাদ্বিধাই বিফলতাক আঁকোৱালি ল'বলৈ পাৰিলে এজন ব্যক্তিয়ে শীঘ্ৰে সফলতা প্ৰাপ্তি কৰিব পাৰে।

সাম্প্ৰতিক সময়ত আমি সকলোৰেই সফলতা আৰু সুখৰ সংজ্ঞা বিচাৰি জীৱনৰ বিভিন্ন লক্ষ্য পূৰণৰ বাবে হাবাথুৰি খাই ফুৰিব ধৰিছো। জনা নজনাকৈ আমাৰ জীৱনৰ লক্ষ্য আৰু সংকল্পসমূহৰ মাপকাঠি সময়ে সময়ে উৰ্ধগামী হ'বলৈ ধৰিছে। কেতিয়াবা সফলতাৰ মাপকাঠি ডালৰ ওপৰত নিয়ন্ত্ৰণ নাইকিয়া হৈ পৰা বাবে আমাৰ বিভ্ৰম ঘটে। ফলত হতাশ হৈ পৰো আৰু বিফলতাক প্ৰত্যাহ্বান জনাই পুনৰ লক্ষ্য প্ৰাপ্তিৰ বাবে যুঁজ দিবলৈ উৎসাহ হেৰুৱাই পেলাওঁ। সেইবাবে বিফলতাৰ বেদনাই আমাক ৰোগাক্ৰান্ত কৰাৰ আগতেই আমি সন্মুখীন বিফলতাক আঁকোৱালি ল'বলৈ শিকা উচিত। বিফলতা উদ্‌যাপন কৰি আমাৰ মনৰ নেতিবাচক চিন্তাধাৰাক বিদায় জনোৱা উচিত। বিফলতাৰ উদযাপনে মানুহৰ মনত যোগাত্মক শক্তি যোগায়। লগতে ই প্ৰতিদ্বন্দ্বী আৰু শত্ৰুক বিভ্ৰান্ত কৰি তেওঁলোকৰ মনোবল দুৰ্বল কৰি পেলাব পাৰে। এইখিনিতেই আজি এজন বিফল নায়কৰ কথা অৱগত কৰাব বিচাৰিছো। যিজন ব্যক্তিৰ বিফলতা প্ৰাপ্তিৰ কাহিনী গোটেই পৃথিৱীৰ বাবে উদাহৰণ তথা অনুপ্ৰেৰণাৰ প্ৰতীক হৈ পৰিছিল। যাৰ বিফলতাক সমগ্ৰ বিশ্ববাসীয়ে উদযাপন কৰি উদ্বুদ্ধ হৈছিল।

১৯৬৮ত মেক্সিকোত অনুষ্ঠিত অলিম্পিকৰ মাৰাথন দৌৰৰ অন্তিম প্ৰতিযোগিতাৰ দিনা ষ্টেডিয়াম লোকে লোকাৰণ্য হৈ পৰিছিল। পৃথিৱীৰ বিভিন্ন দেশৰ পৰা এই প্ৰতিযোগিতাত ভাগ লোৱা দৌৰবিদসকলে পূৰ্ণোদ্যমে ট্ৰেকত উৎসাহিত হৈ অৱস্থান লৈছিল। হুচেইল বাজি উঠাৰ লগে লগে খেলুৱৈসকলে প্ৰাণটাকি দৌৰিবলৈ ধৰিছিল। তাৰ মাজতেই হঠাৎ তাঞ্জানিয়াৰ খেলুৱৈ আখোৱাৰী উজুটি খাই ট্ৰেকত বাগৰি পৰিল। দুৰ্ভাগ্যবশতঃ সেই আকস্মিক দুৰ্ঘটনাত আখোৱাৰী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল। ইতিমধ্যে খেলুৱৈসকলে দৌৰি গৈ ট্ৰেকৰ অন্তিম ৰেখাত উপনীত হৈছিল; কিন্তু গুৰুত্বৰভাৱে আঘাত পাই তেজেৰে তুমৰলি হৈ পৰা আখোৱাৰীয়ে দৌৰ অব্যাহত ৰাখিছিল। আখোৱাৰীৰ লক্ষ্য আছিল মাথোন মাৰাথন দৌৰৰ ফিনিচিং লাইন। লোকাৰণ্য ষ্টেডিয়ামটোৰ দৰ্শক তথা বিচাৰকে কি ভাবিব কি নাভাবিব তালৈ সমীহ নকৰি আঘাতপ্ৰাপ্ত আখোৱাৰীয়ে লেকেচিয়াই লেকেচিয়াই দৌৰিব ধৰিছিল। বহু সময়ৰ অন্তত আখোৱাৰী গৈ ফিনিচিং লাইনত উপস্থিত হৈছিল। সেইদিনাখন ষ্টেডিয়ামত গিজগিজাই থকা সমগ্ৰ দৰ্শক আৰু বিচাৰক সকলোৱে আখোৱাৰীৰ একনিষ্ঠ প্ৰয়াস আৰু সংকল্পবদ্ধতাৰ প্ৰদৰ্শনত অভিভূত হৈ পৰিছিল। ক্ৰীড়াপ্ৰেমী দৰ্শকে বিফল মাৰাথন খেলুৱৈ আখোৱাৰীক বিপুল অভিনন্দন জনাই প্ৰশংসাৰে উপচাই দিছিল।





খেলৰ শেষত এটা সাক্ষাৎকাৰত যেতিয়া এজন সাংবাদিকে সুধিছিল— আঘাতপ্ৰাপ্ত হোৱাৰ পাছত জয়ী হ'ব নোৱাৰে বুলি জানিও, তেওঁ কিয় দৌৰি আছিল? তেতিয়া আখোৱাৰীয়ে সৰলতাৰে কৈছিল— মোৰ দেশে মোক দৌৰ কেৱল আৰম্ভ কৰিবলৈ পঠোৱা নাছিল। মোক এই দৌৰ শেষো কৰিবলৈও পঠাইছিল। নিজৰ দেশৰ প্ৰতি থকা অংগীকাৰ আৰু একনিষ্ঠতাৰ বাবে আখোৱাৰীয়ে মেক্সিকো অলিম্পিকত মাৰাথন খেলৰ বিজয়ীজনতকৈ অধিক সুনাম অৰ্জন কৰিছিল। সমগ্ৰ বিশ্বৰ ক্ৰীড়াপ্ৰেমী জনতাই সেইদিনাখন আখোৱাৰীৰ বিফলতা উদযাপন কৰিছিল। একেদৰে জীৱনত আমিও এনেধৰণৰ বহুতো ব্যৰ্থতাৰ সন্মুখীন হওঁ। আমি আমাৰ বিফলতাৰ বাবে কেতিয়াও নিৰুৎসাহিত হোৱা উচিত নহয়। আমাৰ লক্ষ্য মনত ৰাখি আমি অবিৰতভাৱে আগবাঢ়ি যোৱা উচিত। আমি প্ৰতিকুল পৰিস্থিতিৰ সন্মুখীন হ'লে সদায়েই বুকু ডাঠ কৰি সকলো প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগে। কেতিয়াও নিজে নিজৰ ওচৰত আত্মসমৰ্পণ কৰিব নালাগে। তেতিয়াই আমাৰ দৃঢ়তাই আমাক সেইবোৰ অতিক্ৰম কৰি আগবাঢ়ি যোৱাত সহায় কৰে।

হেজাৰ হেজাৰ বছৰ আগত বিশ্বৰ আটাইতকৈ মহান আৰু পবিত্ৰ গ্ৰন্থ শ্ৰীমদ্ভাগৱদ গীতাত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক কৈছিল—

'হতো ৱা প্ৰাপ্স্যযসি স্বৰ্গম জিত্ৱা ৱা ভোক্ষ্যসে মহিম্‌।
তস্মাদ উত্তীষ্ঠ কৌন্টেয় যুদ্ধা কৃত-নিশ্চয়ঃ।।'

অৰ্থাৎ যুদ্ধ কৰিলে হয় যুদ্ধক্ষেত্ৰত মৃত্যু হ'লে স্বৰ্গত বাসস্থান পাবা, নহ'লে বিজয় লাভ কৰি পৃথিৱীত ৰাজ্য উপভোগ কৰিব পাৰিবা। গতিকে হে কুন্তীৰ পুত্ৰ, দৃঢ়তাৰে সংকল্পবদ্ধ হৈ যুদ্ধ কৰি যাবলৈ সাজু হোৱা।

সহজ ভাষাৰে একেষাৰে ক'বলৈ গ'লে ভগৱান কৃষ্ণই সখীয়েক অৰ্জুনক বুজাইছিল যে তৰিলে দেশ মৰিলে স্বৰ্গ।

**ছক্ৰেটিছৰ কমবয়সীয়া পত্নী জান্টিপ স্বভাৱত এজনী কঠুৱা হৃদয়ৰ মহিলা আছিল। ছক্ৰেটিছৰ স'তে তেওঁৰ সাংসাৰিক সম্পৰ্কও একেবাৰেই মধুৰ নাছিল। তথাপিও ছক্ৰেটিছে মনত একো আক্ষেপ নকৰিছিল**

গীতাত উল্লেখ কৰা এই কৰ্মযোগ অধ্যায়তে মহাপ্ৰভু মাধৱে সখা পাৰ্থক বিফলতাৰ বিষয়ে কৈছিল যে—

'সুখদুঃখে সমে কৃত্ৱা লাভালাভৌ জয়জয়ৌ।
ততো যুদ্ধায় যুজ্যস্ব নৈৱং পাপমৱাপ্স্যসি।।'

অৰ্থাৎ কৰ্তব্যৰ বাবে যুঁজ দিয়া, সুখ আৰু দুখ, ক্ষতি আৰু লাভ, জয় আৰু পৰাজয়ক একেদৰে ব্যৱহাৰ কৰা। এইদৰে নিজৰ দায়িত্ব পালন কৰিলে কেতিয়াও পাপৰ সন্মুখীন নহ'বা। শ্ৰীমদ্ভগৱদগীতাত উল্লিখিত এই শ্লোকৰ সাৰমৰ্ম হৈছে—

সফলতাৰ উচ্চতা আৰু বিফলতাৰ নীচতা, লাভৰ উচ্চতা আৰু ক্ষতিৰ গভীৰতাৰ মাজত আমাৰ জীৱনৰ সুখ স্থবিৰ হৈ থাকে। বাস্তৱত বিফলতা বুলি কোনো কথা নাই— হয় আমি সফল হওঁ অথবা পাছত সফল হ'বলৈ শিকো। প্ৰতিটো বিফলতা আৰু প্ৰতিটো ক্ষতি হৈছে এক শিক্ষণৰ সুযোগ। কিন্তু চেষ্টা কৰিবলৈ অপাৰগ হোৱাটোৱেই হৈছে প্ৰকৃত পাপ। জীৱনটো এটা ডাঙৰ দুঃসাহসিক অভিযান আৰু আমি সকলোৱেই নিজৰ জীৱনৰ দায়িত্ব লোৱা, নিজৰ সম্ভাৱনা অনুসৰি জীয়াই থকা আৰু অভিজ্ঞতাৰ আৱৰণখন বহল কৰাৰ অতি প্ৰয়োজন।

বিফলতা উদযাপন কৰিবলৈ এজন মানুহ মানসিক দিশত অত্যন্ত সবল হ'ব লাগিব। তাৰ কাৰণে প্ৰথমেই প্ৰয়োজন মানুহজনৰ আত্মপ্ৰেৰণা। আমি সমাজ পাতি বসবাস কৰো। আমি যিকোনো কামত হাত দিয়াৰ আগতে সমাজৰ মানুহে কি ক'ব অথবা ভাবিব তাত বেছি গুৰুত্ব প্ৰদান কৰো। আমাৰ সফলতা-বিফলতাৰ ওপৰত সমাজৰ মানুহে কৰা প্ৰতিক্ৰিয়াক লৈ বেছি চিন্তিত হওঁ। তেওঁলোকৰ প্ৰতিক্ৰিয়াৰ ওপৰতে ভিত্তি কৰি আমি আনন্দিত, লজ্জিত অথবা বিমৰ্ষিত হওঁ। পাছে আত্মপ্ৰেৰণাৰে উদ্বুদ্ধ লোকসকলক কাৰোবাৰ নেতিবাচক মন্তব্যই একোৱেই প্ৰভাৱান্বিত কৰিব নোৱাৰে। এই শ্ৰেণীৰ লোকে একেবাৰেই হতাশাত নোভোগে। তেওঁলোকে সন্মুখীন হোৱা জীৱনৰ বিফলতা, লোকচান অথবা ক্ষতিক লৈ হাহাকাৰ নকৰে। বৰঞ্চ এই শ্ৰেণীৰ লোকে জীৱনত সন্মুখীন হোৱা বিফলতাৰ বাবে নিজৰ মনক নিজে আচৰিতভাৱে প্ৰবোধ দিব পাৰে। ফলত তেওঁলোকৰ মনৰ উৰ্বৰতা আৰু উদ্দীপনা কেতিয়াও ম্লান নহয়। উদাহৰণ স্বৰূপে এইখিনিতে বিশ্ববৰেণ্য দাৰ্শনিক চক্ৰেটিছৰ এটা সৰু ঘটনা উল্লেখ কৰিব বিচাৰিছো।

এবাৰ ওচৰৰ চহৰ এখনৰ পৰা কেইজনমান লোক ছক্ৰেটিছৰ স'তে এটা জৰুৰী কথা আলোচনা কৰিবলৈ আহিছিল। সদাশয় ব্যক্তিকেইজনৰ লগত আলোচনাত বহাৰ আগতেই ছক্ৰেটিছে পত্নী জান্টিপক অতিথিসকলৰ বাবে গৰম চুপৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিছিল।

ছক্ৰেটিছৰ কমবয়সীয়া পত্নী জান্টিপ স্বভাৱত এজনী কঠুৱা হৃদয়ৰ মহিলা আছিল। ছক্ৰেটিছৰ স'তে তেওঁৰ সাংসাৰিক সম্পৰ্ক একেবাৰেই মধুৰ নাছিল। তথাপি ছক্ৰেটিছে মনত একো আক্ষেপ নকৰিছিল।

যথাসময়ত চুপ প্ৰস্তুত হোৱাত জান্টিপে কে'বাবাৰো আহি ছক্ৰেটিছক আলহীসকলক লৈ পাকঘৰলৈ আহিবলৈ কৈছিল। পাছে ছক্ৰেটিছ অতিথিসকলৰ লগত ইমানেই গভীৰ আলোচনাত মগ্ন হৈ আছিল জান্টিপৰ কথা কাণতেই সোমোৱা নাছিল। কে'বাবাৰো জান্টিপে ছক্ৰেটিছক মাতি একো সঁহাৰি নাপাই খঙত একো নাই হৈ কেটলীৰ উতলা গৰম চুপ চক্ৰেটিছৰ মূৰত ঢালি দিছিল। ছক্ৰেটিছৰ পত্নীৰ সেই প্ৰতিক্ৰিয়া দেখি অতিথিসকল কিংকৰ্তব্যবিমূঢ় হৈ পৰিছিল। ভাৱাবেগহীন ছক্ৰেটিছে মুখেৰে একো মাত নিদি দুহাত মেলি আকাশৰ ফালে চাই মুখৰ ভিতৰতে বিৰবিৰাইছিল। তেতিয়া এজন অতিথিয়ে তেওঁ সেয়া কি কৰিছে বুলি প্ৰশ্ন কৰাত ছক্ৰেটিছে কৈছিল যে তেওঁ ভগৱানক কৃতজ্ঞতা জ্ঞাপন কৰিছে। গৰম চাহখিনিয়ে এখন গালহে বেয়াকৈ পুৰিলে। আনখন গাল ভগৱানৰ কৃপাত বাছি গ'ল।

এই সৰু ঘটনাটোৰ পৰাই ছক্ৰেটিছৰ আত্মপ্ৰেৰণাৰ গভীৰতাৰ সম্ভেদ পোৱা যায়। নিজৰ ক্ষতিৰ মাজতো আনন্দ কৰা আৰু কৃতজ্ঞতা জনোৱাৰ সুযোগ একমাত্ৰ এজন আত্মপ্ৰেৰণাৰে উদ্বুদ্ধ লোকেহে বিচাৰি ল'ব পাৰে। বিফলতাৰ সময়ত সেই বাবে প্ৰত্যেকজন ব্যক্তিয়ে নিজক অকলশৰীয়া অনুভৱ নকৰি নিজৰ বিফলতাৰ মাজেৰে লাভ কৰা অভিজ্ঞতা আৰু জ্ঞানৰ বাবে আনন্দ লাভ কৰা উচিত আৰু তাৰ বাবে ইশ্বৰৰ লগতে সকলো জড়িত লোকক কৃতজ্ঞতা জনোৱাৰ প্ৰয়োজন। যেতিয়াই মানুহে বিফলতাৰ উদযাপন কৰিবলৈ প্ৰয়াস কৰিব আৰু আনকো উদ্বুদ্ধ কৰিব তেতিয়াই আত্মহত্যাৰ দৰে চৰম সিদ্ধান্তগ্ৰহণৰ প্ৰৱণতা সমাজৰ পৰা নাইকিয়া হৈ পৰিব। গতিকে আমি সকলোৱেই নৱ প্ৰজন্মক বিফলতা উদযাপনৰ বাবে উদ্বুদ্ধ কৰাটো সময়ৰ আহ্বান।

*ফোন ঃ ৭৮৯৬০৪৭০০৫*

## হেজাৰ বছৰীয়া বিৱৰ্তনৰ মাজেদি
# ক্ৰিকেটৰ জনপ্ৰিয়তা

**অনিতা গোস্বামী**

**সমগ্ৰ** বিশ্বতে ক্ৰিকেট এটি জনপ্ৰিয় খেল। ক্ৰিকেট খেলৰ প্ৰতি আসক্ত বিশ্বৰ কোটি কোটি মানুহ; কিন্তু এই খেলটো আহি বৰ্তমানৰ যি অৱস্থাত সমৃদ্ধ হৈছে, আদিতে কিন্তু তেনে একোৱেই নাছিল। বৰ্তমানত টেষ্ট, ৱান ডে আৰু টি-২০— এই তিনি ধৰণৰ ফৰম্যানত খেল খেলা হয়। গতিকে বিশ্ব ক্ৰিকেটৰ ইতিহাসক দুভাগত ভাগ কৰিব পাৰি— (১) আদি যুগ আৰু (২) আধুনিক যুগ।




**আদিযুগ ঃ** ক্ৰিকেটৰ জন্মদাতা কোন সেই বিষয়ে আজিও মতভেদ আছে। অৱশ্যে ক্ৰিকেটৰ জন্মস্থান বুলিলে ইংলণ্ডকে সাধাৰণতে বুজা হয়। অৱশ্যে একাংশই ক'ব বিচাৰে যে ক্ৰিকেটৰ জন্ম হৈছিল ভাৰতীয় উপ-মহাদেশৰ পঞ্জাৱ অঞ্চলৰ 'দোয়াৰ' অঞ্চলত। দক্ষিণ ভাৰতত বেটক কোৱা হয় ডাণ্ডা। এইটো সপ্তম শতাব্দীতে ব্যৱহৃত হয় বুলি জনা যায়। ইয়াৰ পাছত এই খেলটো অষ্টম শতাব্দীৰ কিছু পাছত পাৰস্যৰ পিনে চলিবলৈ ধৰে। ইয়াৰ পাছতেই ইউৰোপীয়সকলৰ মাজত খেলটো প্ৰচলিত হ'বলৈ আৰম্ভ কৰে।

১০৬৬ত ইংলণ্ডৰ বিজয়ৰ পাছত নৰম্যানসকলে তাতে এই খেলটো খেলিবলৈ আৰম্ভ কৰে। অৱশ্যে সেই সময়ত কেৱল ৰবিবাৰেহে খেল খেলা হৈছিল। ১১৮৩ খ্ৰীষ্টাব্দত জোচেফ অৱ এক্সেটাৰ নামৰ লেখকৰ লিখনিত জনা যায়— এটা বল এজন বেটছমেনৰ পিনে জোৰেৰে মাৰি পঠিওৱা হয়, যাৰ পাছত থাকে বৰ্তমানৰ ষ্টাম্পৰ দৰে এক ধৰণৰ কাঠ। বেটছমেনসকলে হাতত থকা কাঠৰ তক্তাৰে বলটো মাৰি পঠিয়াইছিল, যাতে সেই বলৰ আঘাতৰ পৰা নিজক ৰক্ষা কৰিব পাৰে। আৰু চৌপাশে মানুহ থিয় হৈ থাকে বেটছমেনে মাৰি পঠিওৱা বলটো ধৰিবৰ বাবে। খেলটো বহুখিনিয়ে বৰ্তমানৰ ক্ৰিকেট খেলৰ দৰে।

কিন্তু ইয়াৰ পাছতে আহে ক্ৰিকেটৰ ওপৰত প্ৰচণ্ড ধাক্কা। কাৰণ ১৪শ খ্ৰীষ্টাব্দত আৰম্ভ হৈছিল ৰাজ্য জয়ৰ প্ৰতিযোগিতা। সেই সময়ত যুদ্ধ কৰিবলৈ প্ৰয়োজনীয় সৈনিক পোৱা নগৈছিল বাবে ৰজা দ্বিতীয় ৰিচাৰ্ডে ইংলণ্ডত ক্ৰিকেট খেল নিষিদ্ধ কৰি দিয়ে। এই নিষেধাজ্ঞা অমান্য কৰিলেই আছিল শাস্তিৰ ব্যৱস্থা। গতিকে শাস্তিৰ পৰা হাত সাৰিবলৈ ক্ৰিকেটপ্ৰেমীসকলে ইচ্ছা থাকিলেও এই খেলৰ পৰা বিৰত থাকিবলগীয়া হৈছিল। এনেদৰে অতিবাহিত হৈ গ'ল আৰু কিছুদিন। ইয়াৰ পাছত ১৫শৰ পাছতেৰ পৰা ক্ৰিকেট খেল আকৌ জনপ্ৰিয় হ'বলৈ আৰম্ভ কৰে। ফলস্বৰূপে কোনো বাধাই আৰু তেতিয়াৰ পৰা ক্ৰিকেটপ্ৰেমীসকলৰ সন্মুখত থিয় হ'ব নোৱৰা হ'ল।

**আধুনিক যুগ ঃ** মূলতঃ যেতিয়াৰ পৰাই কাউণ্টি মেচ আৰম্ভ হয়, তেতিয়াৰ পৰাই আধুনিক ক্ৰিকেটৰ পথযাত্ৰা আৰম্ভ হয়। এই খেল খুবেই জনপ্ৰিয় হৈ পৰে। প্ৰথম খেলখন হৈছিল ১৭১৯ত ইংলণ্ড জাতীয় দল আৰু কেন্ট দলৰ মাজত। আমাৰ দেশ ভাৰতত ১৭২১ত আধুনিক ক্ৰিকেটৰ প্ৰচলন আৰম্ভ হয়। ইয়াৰ পাছত এই খেলৰ আৰু কিছু সাল-সলনি কৰি ১৯৭৭ত জন্ম পায় টেষ্ট ক্ৰিকেট। ১৯৭৭ৰ ১৫ মাৰ্চত ষ্টেট খেল অনুষ্ঠিত হয়। খেলখন হৈছিল ইংলণ্ড আৰু অষ্ট্ৰেলিয়াৰ মাজত। প্ৰথমখন ৱান ডে (এদিনীয়া) মেচতো অংশ লৈছিল এই দুটা দলে। আৰু দুয়োখন খেলতে ইংলণ্ডক পৰাজিত কৰি অষ্ট্ৰেলিয়াই জয়লাভ কৰে।



বিশ্ব ক্ৰিকেটৰ সৰ্বোচ্চ সংস্থা হিচাপে 'ইম্পেৰিয়েল ক্ৰিকেট কনফাৰেন্স' প্ৰতিষ্ঠিত হয় ১৯০৯ত। কিছু বছৰ এই নামেৰেই সংস্থাই কাম কৰি থাকে। ইয়াৰ পাছত ১৯৫৬ত 'ইম্পেৰিয়েল' শব্দটো পৰিৱৰ্তন কৰি 'ইন্টাৰনেছনেল' শব্দটো যোগ কৰা হয়। তেতিয়াৰ পৰাই সংস্থাটোৰ নাম হয় 'ইন্টাৰনেছনেল ক্ৰিকেট কাউন্সিল।' বৰ্তমানো সংক্ষেপতে ইয়াক আই চি চি বোলা হয়।

আৰম্ভণিতে টেষ্ট মেচবোৰৰ নিৰ্দিষ্ট কোনো হিচাপ নাছিল। ক্ৰিকেট খেল ইমানেই জনপ্ৰিয় হৈ উঠিছিল যে খেল চাবৰ কাৰণে প্ৰচুৰ ক্ৰিকেটপ্ৰেমী দৰ্শকে টিকট কাটি আগ্ৰহেৰে খেলপথাৰলৈ আহিছিল; কিন্তু বিভিন্ন সমস্যাৰ কাৰণে কৰ্তৃপক্ষই নিৰ্দিষ্ট সময়ৰ বাবেহে টেষ্ট মেচ আয়োজন কৰিবলৈ বাধ্য হয়। পৰৱৰ্তী কালত অৰ্থাৎ ১৯৬৩ত আহিল আৰু ব্যাপক পৰিৱৰ্তন। এইখিনি সময়ত 'জিনেট কাপ' নামেৰে ৬০ অ'ভাৰৰ এখন টুৰ্ণামেন্টৰ আয়োজন কৰে ইংলণ্ডই। ইয়াৰ পাছত অতিবাহিত হৈ গ'ল বহুদিন। আহিল ১৯৭১। ১৯৭১ৰ আৰম্ভণিতে ইংলণ্ড বনাম অষ্ট্ৰেলিয়া মেচলৈ আৰম্ভ হয় এদিনীয়া আন্তৰ্জাতিক মেচ। উল্লেখ্য যে প্ৰথম এদিনীয়া আন্তৰ্জাতিক মেচতো জয়লাভ কৰে অষ্ট্ৰেলিয়াই।

ইয়াৰ পাছতে আৰম্ভ হয় বিশ্ব কাপক লৈ চিন্তা-ভাৱনা। বিশ্ব কাপ ক্ৰিকেটৰ সৰ্বোচ্চ সংস্থা আই চি চিয়ে ক্ৰিকেট খেলুৱৈ থকা সকলোবোৰ দেশক একেলগে লৈ নতুন ধৰণৰ এক টুৰ্ণামেন্টৰ কথা চিন্তা কৰে। সেই চিন্তা-ভাৱনাৰ পৰাই ১৯৭৫ৰ সাত জুনত সৰ্বপ্ৰথম বিশ্ব কাপ ফুটবলৰ পৰ্দা উঠে। বিশ্বৰ বহুতো দেশৰ খেলুৱৈসকলক একেলগে দৰ্শকে দেখিবলৈ পায় প্ৰথমবাৰৰ বাবে। এই প্ৰথম বিশ্ব কাপ ক্ৰিকেটৰ আয়োজক আছিল ইংলণ্ড। এই টুৰ্ণামেন্টত অংশগ্ৰহণ কৰে ইংলণ্ড, পূব-আফ্ৰিকা, শ্ৰীলংকা, অষ্ট্ৰেলিয়া, ৱেষ্ট ইণ্ডিজ, পাকিস্তান, নিউজিলেণ্ড আৰু আমাৰ দেশ ভাৰতবৰ্ষ। বিশ্বকাপ ক্ৰিকেটৰ ফাইনেল খেলখন অনুষ্ঠিত হয় অষ্ট্ৰেলিয়া আৰু ৱেষ্ট ইণ্ডিজৰ মাজত। খেলত ১৭ ৰাণৰ ব্যৱধানত অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ৱেষ্ট ইণ্ডিজ দলে প্ৰথম বিশ্বকাপ ক্ৰিকেটৰ জয়ৰ গৌৰৱ অৰ্জন কৰিবলৈ সক্ষম হয়। এইখন খেলত মেন অব দ্য মেচ' হয় ক্লাইভ নয়েঙে।

অৱশ্যে ১৯৭৫ত অনুষ্ঠিত হোৱা প্ৰথম বিশ্বকাপ মেচত প্ৰুডেনচিয়েল প্ৰাইভেট লিমিটেড কোম্পানীৰ আৰ্থিক সহযোগিতাত প্ৰথম তিনিটা প্ৰতিযোগিতা 'প্ৰুডেনচিয়েল কাপ নামেৰে পৰিচয় পায়। ইয়াৰ পাছত দুখন বিশ্বকাপ ক্ৰিকেট অনুষ্ঠিত হয় ১৯৭১ আৰু ১৯৮৩ত। উল্লেখ্য যে এই দুয়োখন খেল পুনৰ ইংলণ্ডতে অনুষ্ঠিত হয়। ১৯৭৩ত বিশ্বকাপ ক্ৰিকেটক প্ৰথমবাৰৰ কাৰণে আইচিচি ট্ৰফী প্ৰৱৰ্তন কৰা হয়। এইখন খেলতো ৱেষ্ট ইণ্ডিজ দলে ৯২ ৰাণৰ ব্যৱধানত ইংলণ্ডক পৰাজিত কৰি পুনৰ শিৰোনামা দখল কৰিবলৈ সক্ষম হয়। বিশ্বকাপ চলাকালীন সময়তে এখন সভাত আইচিচিয়ে সিদ্ধান্ত লয় যে প্ৰতি চাৰিবছৰৰ মূৰে মূৰে বিশ্বকাপ ক্ৰিকেট খেল অনুষ্ঠিত কৰা হ'ব।

১৯৮৩ৰ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা ধাৰাবাহিকভাৱে তৃতীয়বাৰৰ বাবে ইংলণ্ডতে অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত শ্ৰীলংকা দল টেষ্টভুক্ত দল হিচাপে অংশগ্ৰহণ কৰে। আইচিচি ট্ৰফী জয়ৰ মাধ্যমেৰে জিম্বাব'ৱে দলটোৱে বিশ্বকাপ খেলাৰ সুবিধা পায়। চূড়ান্ত খেলত ৱেষ্ট ইণ্ডিজ দলে বিশ্বকাপ খেলাৰ সুবিধা পায়। এই চূড়ান্ত খেলত. (উল্লেখযোগ্য যে) ৱেষ্ট ইণ্ডিজ দলক ৪৩ ৰাণৰ ব্যৱধানত পৰাজিত কৰি প্ৰথমবাৰৰ বাবে জয়লাভ কৰে আমাৰ দেশ ভাৰতবৰ্ষই। ইয়াৰ পাছত আহিল ১৯৮৭। ১৯৮৭ৰ বিশ্বকাপ ক্ৰিকেট খেলখন যৌথভাৱে ভাৰতবৰ্ষ আৰু পাকিস্তানত অনুষ্ঠিত হয়। ইয়াৰ ফলত প্ৰথমবাৰৰ কাৰণে বিশ্বকাপ ক্ৰিকেট খেল ইংলণ্ডৰ বাহিৰৰ বেলেগ দেশত অনুষ্ঠিত হয়। ইয়াৰ উপৰি প্ৰথম প্ৰতিযোগিতা হিচাপে ওৱেষ্ট ইণ্ডিজ দসে ফাইনেল পাব নোৱাৰিলে। তদুপৰি দলৰ ইনিংছ ৬০ অ'ভাৰৰ পৰিৱৰ্তে ৫০ অ'ভাৰ নিৰ্দ্ধাৰণ কৰা হয়। এইখন খেলত অষ্ট্ৰেলিয়াই মাত্ৰ সাত ৰাণৰ ব্যৱধানত ইংলণ্ডক পৰাজিত কৰি শীৰ্ষস্থানত উপনীত হ'বলৈ সক্ষম হয়। যিটো বৰ্তমানলৈকে বিশ্বকাপৰ ফাইনেলত সৰ্বনিম্ন ব্যৱধানত বিজয় লাভ হিচাপে পৰিচিত? ১৯৯২ৰ বিশ্বকাপ ক্ৰিকেট অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডত যৌতভাৱে অনুষ্ঠিত হয়। ৰঙীন পোছাক, বগা বলৰ ব্যৱহাৰ, দিন-ৰাতিৰ খেল আৰু ফিল্ডিঙৰ সীমাবদ্ধতাৰ সাল-সলনি ইত্যাদিৰ পৰিৱৰ্তনো হয় ইয়াতেই। আন্তৰ্জাতিক ক্ৰীড়াংগনৰ পৰা নিষেধাজ্ঞা প্ৰত্যাহাৰৰ পাছত প্ৰথমবাৰৰ বাবে দক্ষিণ আফ্ৰিকা ক্ৰিকেট দলে প্ৰতিযোগিতাত অংশ লয়। মেলবৰ্'ণ ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত এইখন খেলত দলটোৱে (দক্ষিণ আফ্ৰিকা) ইংলণ্ডক চূড়ান্ত খেলত ১২ ৰাণৰ ব্যৱধানত পৰাজিত কৰে। ১৯৯৬ত বিশ্বকাপ ক্ৰিকেট খেলত বিশ্বকাপ চেম্পিয়নৰ গৌৰৱ অৰ্জন কৰে শ্ৰীলংকাই। এইখন বিশ্বকাপ অনুষ্ঠিত হৈছিল ভাৰত, পাকিস্তান আৰু শ্ৰীলংকাত। ফাইনেলত অষ্ট্ৰেলিয়াক হৰুৱাই প্ৰথমবাৰৰ দৰে এইবাৰো চেম্পিয়ন হোৱাৰ গৌৰৱ অৰ্জন কৰে শ্ৰীলংকাই। পৰৱৰ্তী কালত অৰ্থাৎ ১৯৯৯ত অনুষ্ঠিত হয় আইচিচি ৱৰ্ল্ড কাপ। এইখন খেলত অষ্ট্ৰেলিয়াই বিজয় লাভ কৰে। গৌৰৱৰ কথা যে সুদীৰ্ঘ ২৮ বছৰৰ পাছত ২০১১ত শ্ৰীলংকাক ছয় উইকেটত হৰুৱাই বিশ্বকাপ দখল কৰে আমাৰ দেশ ভাৰতবৰ্ষই।

এনেদৰে নানা বিৱৰ্তনৰ মাজেৰে আগবাঢ়ি আহি বৰ্তমানৰ অৱস্থা পাইছেহি জনপ্ৰিয় ক্ৰিকেট খেল।

*ফোন ঃ ৯৮৬৪২৯৫০২৪*

## জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

### হেমচন্দ্ৰক সুঁৱৰিলোঁ, দুতিৰামক পাহৰিলোঁ
### আন্তৰ্জাতিক গৱেষণাপত্ৰৰ জৰিয়তে পোহৰলৈ আহিল

# 'দুতিৰাম স্বৰ্নকাৰ হাজৰিকিয়া'ৰ 'ৰসিক পুৰাণ'ৰ কানি-বিৰোধিতা পৰিণত হৈছিল বৃতিচ-সমালোচনাত



**দ° দেৱব্ৰত শৰ্মা**

**আমি দৈনিক-অগ্ৰদূতৰ** এই জনপ্ৰিয় শিতানৰ জৰিয়তে ইতিমধ্যে **কলিভাৰত বুৰঞ্জি** বা **অসমৰ পদ্যবুৰঞ্জিৰ** প্ৰণেতা যোৰহাটৰ 'দুতিৰাম স্বৰ্নকাৰ হাজৰিকিয়া'ৰ বিষয়ে কেইবাবাৰো আলোচনা কৰিছোঁ। কিন্তু আজি আমি আলোচনা কৰিব বিচাৰিছোঁ তেখেতৰ আন এক সুমহান সাহিত্য কৃতীৰ বিষয়ে।

বুৰঞ্জিবিদ-সাহিত্যিকজনৰ **'বনিয়া জাতিৰ বুৰঞ্জি'**খন এতিয়াও বিচাৰি পোৱা নাই। **'ৰসিক পুৰাণ'** খন ৰচনাৰ ১৪৫ বছৰ পাচতো এতিয়া বুৰঞ্জি আৰু পুৰাতত্ব বিভাগতে পৰি আছে অপ্ৰকাশিত ৰূপত। বহু আবেদন-নিবেদনৰ পাচতো আমি সেইখন আজিলৈকে চাবলৈ পোৱা নাই।

তথাপিও সাহিত্যিকজনৰ সুযোগ্য আজো নাতিনী ৰীণা ঢলুৱা দাসৰ প্ৰচেষ্টাত আমাৰ হাতত পৰিছেহি এখন প্ৰাসংগিক আন্তৰ্জাতিক গৱেষণাপত্ৰ। ইন্দিয়ান ইন্সতিতিউত অব তেকনলজি (IITগুৱাহাটী)ৰ কাৱালদীপ কৌৰে **EUROPEAN ACADEMIC RESEARCH** নামৰ গৱেষণাপত্ৰিকাখনত লিখা উক্ত গৱেষণাপত্ৰখনে আমাৰ সমুখত উদঙাই দিছে বহু গুৰুত্বপূৰ্ণ তথ্য আৰু সামাজিক-ৰাজনৈতিক সত্য।

উক্ত গৱেষণাপত্ৰিকাৰ ২০১৩ চনৰ মে' মাহৰ প্ৰথম খণ্ড, দ্বিতীয় সংখ্যাত প্ৰকাশিত গৱেষণাপত্ৰখনৰ শিৰোনামা আছিল ঃ

'On the evils of opium eating : Reflections on Nineteenth Century Assamese Literary Reformist Discourse'

তাত গৱেষকগৰাকীয়ে এনেকৈ কৈছে ঃ

"Dutiram Swarnakar Hazarika, represented an accomplished Assamese gentleman of the 'older type', thoroughly impregnated with the ideals of the pre-colonial culture.

Dutiram Swarnakar Hazarika (1806-1901) was himself a close spectator of the decadance of the Ahom supremacy. His mettrical chronicle, **Kalibharat**, deals with the reign of the Tungkhungia kings, beginning with Sulikpha Lora Raja, including Gadadhar Singha, Rudra Singha, Siva Singha, Pramatta Singha, Rajeswar Singha, Lakshmi Singha and Purandar Singha, who have been treated elaborately, the author contiuing his account up to the execution of Maniram Dewan in 1858 and the transfer of the territories of the Honorable East India Company to the authority of the British Crown. This book therefore can be regarded as a complete history of Assam from 1679-1858....

Dutiram was a man thoroughly conversed with the historical lores of his country, and Raja Purandar Singha freely invited him to his palace to listen to the stories of Assam history (Bhuyan 1932, xi-xii). Dutiram's wisdom and keen sense of history was acknowledged and highly appreciated by the contemporary Ahom king, Raja Purandar Singha. Impressed by his erudition, Raja Purandar Singha, including the Raja's son and heir apparent, Kameswar Singha, allowed him unrestrained access to the traditions preserved in the Ahom royal families.''

হেমচন্দ্ৰ বৰুৱাৰ **'কানিয়াৰ কীৰ্তন'**ৰ সৈতে **'ৰসিক পুৰাণ'**ৰ তুলনামূলক সমালোচনা আগবঢ়াই গৱেষিকাগৰাকীয়ে **'ৰসিকপুৰাণ'**ৰ বিষয়বস্তু আৰু লেখন শৈলীৰ বিষয়ে এনেকৈ কৈছে ঃ

"Alongside the anti-opium rhetoric of the English educated Assamese intelligentsia, there can be placed the thought-world of the conservative sections of the community and their attitudes and reflections towards the issue of opium consumption. Dutiram 'Swarnakar'Hazarika's poetical composition, **Rasik Puran**, provides a very interesting account of the origins of the intoxicating drugs, their consumption along with their physical, social and psychological ramifications. It makes use of a popular format, the Vaishnavite model of poetry,

কিন্তু হেমচন্দ্ৰ বৰুৱাই কোনোদিন বৃতিচ আনুগত্যৰ আৱৰ্তৰ পৰা ওলাব নোৱৰাৰ বিপৰীতে দুতিৰাম স্বৰ্নকাৰ হাজৰিকিয়া বৃতিচৰ কানি-নীতিৰ কাঢ়া-সমালোচক আছিল বুলি বুজিব পাৰি ঃ

"The reference in the concluding paragraph to the clever commercial policies of the company and the antagonism towards the colonial exploitation reveals the attitude of a section of people whose thoughts and ideas were averse to the penetration of 'Western' ideas. Instead, they could see in the policies of the company imperialistic tendencies and commercial considerations, certainly not without reason,

Greedy merchants of the company signed a treaty,
To amass all the wealth for themselves,
Saw how half the people of Assam are opium-eaters
They saw how people cultivated opium
Struck upon an ida to amass the huge profit from
Opium for them
Dumped in cheap opium
Then banned its cultivation
And divided the land into ***mahals*** (folio xii) (my translation)"

আমি সেয়ে সন্দেহ তথা আশংকা কৰিবলৈ বাধ্য হৈছোঁ, হেমচন্দ্ৰ বৰুৱাৰ **'কানিয়াৰ কীৰ্তনে'** বৃতিচ আনুগত্যৰ লক্ষ্মণ ৰেখা আতিক্ৰম নকৰাৰ বিপৰীতে দুতিৰাম স্বৰ্নকাৰ হাজৰিকিয়াৰ **ৰসিক পুৰাণ** বৃতিচৰ বেছি সমালোচক আছিল নেকি? সেই বাবেই ১৮৭৭ চনত ৰচনা কৰাৰ ১৪৫ বছৰ পাচতো ই অপ্ৰকাশিত হৈ ৰ'ল নেকি?

হেমচন্দ্ৰ বৰুৱাদেৱৰ উচ্চৱংশ পৰম্পৰাৰ বিপৰীতে দুতিৰাম স্বৰ্নকাৰ হাজৰিকিয়া বণিয়া সম্প্ৰদায়ৰ হোৱা বাবে এই অৱহেলা নেকি? যি কি নহওক, ৰচনাৰ প্ৰায় ১৫০ বছৰৰ পাচতো প্ৰকাশ নোহোৱা বা ইচ্ছাকৃতভাৱে প্ৰকাশ নকৰা এই পুথিখন আমি অচিৰেই প্ৰকাশৰ দাবি কৰিছোঁ।

বুৰঞ্জি আৰু পুৰাতত্ব বিভাগে নোৱাৰিলে জাতীয় ইতিহাস তথা যোৰহাট মহাবিদ্যালয়ে এই জাতীয় দায়িত্ব কান্ধ পাতি ল'বলৈ সদাপ্ৰস্তুত। কেৱল এটা কথা কৈ ৰাখোঁ। বিভাগে প্ৰকাশ কৰিলেও চৰ্ত আছে ঃ

সূৰ্য্যকুমাৰ ভূঞাই সম্পাদনা কৰা কলিভাৰতযপদ্য বুৰঞ্জিখনৰ ৪০০০ঋ শব্দৰ বানান সলাই পেলোৱাৰ দৰে এইখনৰ এটাও শব্দৰ বানান নসলায় যেন, দহোকুৰি। অহা ১জুলাইত যোৰহাট কলেজ আৰু জাতীয় ইতিহাসে পালন কৰিবলৈ ওলোৱা মহান সাহিত্যিকজনৰ ১২২ তম মৃত্যুতিথিৰ আগে আগে এই উত্তৰ সমূহ জনা জৰুৰি!

*লেখক অসমীয়া জাতীয় অভিধান আৰু জাতীয় ইতিহাসৰ মুখ্য সম্পাদক*
*ফোন ঃ ৯৪৩৫৩৫১২৫৫*




# এলআইচিৰ জীৱন শিৰোমণি

এলআইচিৰ জীৱন শিৰোমণি (তালিকা নম্বৰ ৬৪৮) প্ৰকল্পৰ যাত্ৰা ২০১৭ ৰ ১৯ ডিচেম্বৰৰ পৰা আৰম্ভ হৈছিল। এইটো এটা নন-লিংকড্, সীমিত প্ৰিমিয়ামৰ মানি বেক প্লেন। এই প্ৰকল্পই গুৰুতৰ ৰোগৰ বাবে আৱৰণ প্ৰদান কৰে। ইয়াৰ উপৰি ইয়াত তিনিটাকৈ ঐচ্ছিক ৰাইডাৰ আছে।

**এক কোটি টকাৰ নিশ্চয়তা**

এই পলিচীত গ্ৰাহকে লাভ কৰিব পাৰিব এক কোটি টকাৰ নিশ্চয়তা। ই হৈছে গ্ৰাহকৰ জীৱন ৰক্ষাৰ বাবে এলআইচিয়ে আগবঢ়োৱা অন্যতম উত্তম পলিচী। যদি কোনো গ্ৰাহকে ১৪ বছৰৰ বাবে এটকাকৈ জমা কৰে তথাপি এক কোটি টকা পৰ্যন্ত ৰিটাৰ্ণ লাভ কৰিব পাৰিব।



**আৰ্থিক সাহায্য আৰু ছাৰভাইভেল বেনিফিট**

জীৱন শিৰোমণি প্ৰকল্পত পলিচী কৰি থকা ব্যক্তিজনৰ যদি পলিচীৰ ম্যাদৰ ভিতৰত মৃত্যু হয় তেন্তে আৰ্থিক সাহায্যৰ ব্যৱস্থা আছে। আনহাতে, এই পলিচীৰ জৰিয়তে পলিচীধাৰীসকলক জীয়াই থকাৰ ক্ষেত্ৰত নিৰ্দিষ্ট সময়ৰ ভিতৰত ধন পৰিশোধ কৰা হয়। মেচিউৰিটিৰ পাছত এককালীন পেমেণ্টৰো সুবিধা আছে। ইফালে, ছাৰভাইভেল বেনিফিট হৈছে পলিচীধাৰীসকল জীয়াই থকাৰ বাবে বীমা সংস্থাটোৱে পৰিশোধ কৰা এক নিৰ্দিষ্ট পেআউট।

১। ১৪ বছৰীয়া পলিচীৰ ক্ষেত্ৰত দশম আৰু দ্বাদশ বছৰত ৩০ শতাংশ বীমাকৃত ধনৰাশি

## গুৰুতৰ অসুস্থতাৰ বাবে বীমাকাৰীক ক'ভাৰেজ প্ৰদান কৰিব এই আঁচনিয়ে

২। ১৮ বছৰৰ পলিচীৰ ক্ষেত্ৰত ১২ আৰু ১৪ বছৰত ৩৫ শতাংশ বীমাকৃত ধনৰাশি।

৩। ১৬ বছৰৰ পলিচীৰ ক্ষেত্ৰত ১৪ আৰু ১৬ বছৰত ৪৫ শতাংশ বীমাকৃত ধনৰাশি।

৪। ২০ বছৰৰ পলিচীৰ ক্ষেত্ৰত ১৬ আৰু ১৭ বছৰত ৪৫ শতাংশ বীমাকৃত ধনৰাশি ।

**ঋণ লাভৰ সুবিধাও আছে**

এই পলিচীৰ বৈশিষ্ট্য হ'ল, পলিচীৰ ম্যাদ থকা সময়ছোৱাত গ্ৰাহকে পলিচীৰ সম্পূৰ্ণ মূল্যৰ ভিত্তিত ঋণ লাভৰ সুবিধা ল'ব পাৰে। কিন্তু এই ঋণ কেৱল এলআইচিৰ চৰ্ততহে উপলব্ধ। সময়ে সময়ে নিৰ্ধাৰিত সুতৰ হাৰত এই পলিচীৰ পৰা ঋণ উপলব্ধ কৰিব পাৰে গ্ৰাহকে।

**চৰ্তাৱলীসমূহ**

বীমা কৰা ন্যূনতম ৰাশিৰ পৰিমাণ এক কোটি টকা ।

সৰ্বোচ্চ বীমাকৃত ৰাশি ঃ কোনো সীমা নাই (মূল বীমাকৃত ৰাশিৰ পাঁচ লাখৰ গুণিতক)।

এই নীতিৰ ম্যাদ ১৪, ১৬, ১৮ আৰু ২০ বছৰ।

চাৰি বছৰৰ ভিতৰত প্ৰিমিয়াম জমা দিব লাগিব।

এই বীমাৰ বাবে বীমাকাৰীৰ ন্যূনতম বয়স ১৮ বছৰৰ। বিপৰীতে, সৰ্বোচ্চ বয়স হ'ল ১৪ বছৰীয়া পলিচীৰ বাবে ৫৫ বছৰ, ১৬ বছৰীয়া পলিচীৰ বাবে ৫১ বছৰ, ১৬ বছৰৰ পলিচীৰ বাবে ৪৬ বছৰ আৰু ২০ বছৰৰ পলিচীৰ বাবে ৪৫ বছৰ।




ভাৰতৰ দৰে বৃহৎ দেশ এখন, য'ত বহু ধৰ্ম, জাতি আৰু ভাষাৰ লোক বসবাস কৰে, তাত একক ৰাষ্ট্ৰীয় বজাৰৰ গুৰুত্বক উপেক্ষা কৰিব নোৱাৰি। ইকন'মিষ্টৰ বাতৰি অনুসৰি, ভাৰতৰ একক ৰাষ্ট্ৰীয় বজাৰত বিভিন্ন প্ৰতিষ্ঠানে অহৰহ প্ৰৱেশ কৰি আছে। পূৰ্বতকৈ বহু বেছি প্ৰতিষ্ঠান আৰু গ্ৰাহকে এতিয়া আধুনিক অৰ্থনীতি ব্যৱহাৰ কৰিছে। অনানুষ্ঠানিক খণ্ডটোও ক্ৰমান্বয়ে ইয়াৰ মাজলৈ সোমাই গৈ আছে। নৰেন্দ্ৰ মোদীৰ দিনত এই সংস্কাৰবোৰে সৰ্বাধিক গতি লাভ কৰিছে।

# অৰ্থনৈতিক সংস্কাৰেৰে বিশ্বব্যাপী আদৰ্শ দেখুৱাইছে ভাৰতে

**আশাপূৰ্ণা চক্ৰৱৰ্ত্তী**

**অৰ্থনীতি**, বিনিয়োগ আৰু ব্যৱসায়ৰ দিশৰ পৰা ভাৰতক আজিৰ তাৰিখত বিপুল সম্ভাৱনাময় ৰাষ্ট্ৰ বুলি গণ্য কৰে সমগ্ৰ বিশ্বই। শেহতীয়াকৈ 'দ্য ইকন'মিষ্ট'ত প্ৰকাশিত এক প্ৰতিবেদনত অৰ্থনৈতিক সংস্কাৰৰ বাবে সমগ্ৰ বিশ্বতে ভাৰতক আদৰ্শ ৰাষ্ট্ৰ বুলি আখ্যা দিয়া হৈছে। বিশেষকৈ কৰ'নাৰ পাছত অৰ্থব্যৱস্থাৰ যি ক্ষতি হৈছিল তাক মেৰামতি কৰাৰ বাবে দক্ষিণ এছিয়াৰ এই দেশখনে যিমানবোৰ প্ৰচেষ্টা হাতত লৈছে তাৰ ফলত আগন্তুক দশকটো কেৱল ভাৰতৰ হ'ব বুলি দাবী কৰা হৈছে উক্ত প্ৰতিবেদনত। একে সময়তে ইকন'মিষ্টত প্ৰকাশ পাইছে চীনৰ পৰা বিনিয়োগকাৰীৰ পলায়ন সম্পৰ্কীয় ভাৰতীয় অৰ্থনীতিক উৎসাহ যোগাব পৰা আন এক বাতৰি। ভাৰতীয় অৰ্থনীতিৰ বাবে সময় এতিয়া ইমানেই সুপ্ৰসন্ন যে জাপানৰ মাটিত থিয় হৈয়ো আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে এছিয়া-পেচিফিক অঞ্চলত ভাৰতৰ স'তে নতুন অৰ্থনৈতিক মিত্ৰতা গঠনৰ কথা ঘোষণা কৰিছে। মুঠৰ ওপৰত আমেৰিকা আৰু আন পশ্চিমীয়া ৰাষ্ট্ৰসমূহৰ সহায়তে ভাৰতৰ উত্থান অৱশ্যম্ভাৱী। খুব চমুকৈ ক'বলৈ গ'লে ইকন'মিষ্টৰ প্ৰতিবেদনৰ সাৰাংশ এইখিনিয়েই।

এটা কথা সঁচা যে শেহতীয়াকৈ ভাৰতে কেঁবাটাও অৰ্থনৈতিক সংস্কাৰৰ কাম হাতত লৈছে। ইয়াৰ ভিতৰত ইকন'মিষ্টত বিশেষভাৱে চৰ্চা হোৱা বিষয়টো হৈছে কুখ্যাত ৰেট্ৰ'স্পেক্টিভ কৰ আইন বাতিল। এই আইনখনে ভাৰতলৈ বিশেষকৈ টেলিকম খণ্ডলৈ বিদেশী বিনিয়োগৰ প্ৰবাহ মন্থৰ কৰি পেলাইছিল। উক্ত আইন বাতিলৰ উপৰি ভাৰত চৰকাৰে নিজৰ দেশৰ অৰ্থনীতিৰ বৈচিত্ৰতা বৃদ্ধিৰ বাবে সকলো প্ৰচেষ্টা হাতত লোৱা বুলি প্ৰশংসা কৰা হৈছে প্ৰতিবেদনত। ইকন'মিষ্টৰ মতে, নতুন অৰ্থনৈতিক মিত্ৰতাৰ উপৰি ইউৰোপীয় সংঘ আৰু আমেৰিকাৰ স'তে মুক্ত বাণিজ্য চুক্তিৰ বাবে ভাৰতে অহৰ্নিশে প্ৰচেষ্টা চলাই গৈছে। সমান্তৰালভাৱে মধ্যপ্ৰাচ্যৰ স'তেও ভাৰতৰ বাণিজ্য বৃদ্ধি পাইছে। প্ৰসংগক্ৰমে উনুকিয়াব পাৰি, বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংস্থাই প্ৰকাশ কৰা অনুসৰি ২০২১-২২ বিত্তীয় বৰ্ষত ভাৰতৰ বৃদ্ধিৰ হাৰ প্ৰায় আঠ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। এই সংস্থাসমূহৰ মতেও বিশ্বৰ বৃহৎ দেশসমূহৰ ভিতৰত ভাৰতৰ আৰ্থিক বৃদ্ধি সৰ্বাধিক হ'ব। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (আই এম এফ)ৰ মতে, অহা ২০২৭ৰ ভিতৰত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন (জিডিপি)ৰ বজাৰ মূল্য পাঁচ ট্ৰিলিয়ন বা পাঁচ লাখ কোটি ডলাৰত উপনীত হ'ব, যাৰ ফলত ভাৰত হৈ পৰিব বিশ্বৰ পঞ্চম বৃহত্তম অৰ্থনীতি। শ্বেয়াৰ বজাৰৰ সফলতাৰ দিশৰ পৰাও আগন্তুক পাঁচ বছৰত ভাৰতে নিজৰ স্থান (৪ৰ্থ) অক্ষুণ্ণ ৰাখিব। আনহাতে, বৰ্তমানৰ ষ্টাৰ্টআপৰ যুগত ভাৰত হৈছে বিশ্বৰ ভিতৰতে তৃতীয় শ্ৰেষ্ঠ ৰাষ্ট্ৰ। ভাৰতত আছে শতাধিক এনে ইউনিকৰ্ণ বা পঞ্জীয়নহীন ষ্টাৰ্টআপ যাৰ মূল্য এশ কোটি ডলাৰ বা ততোধিক।

স্মৰ্তব্য যে, ২০১৬ত যেতিয়া নৰেন্দ্ৰ মোদীয়ে নোট বাতিল কৰিছিল, তেতিয়া ভাৰতৰ বৃদ্ধিৰ হাৰ ১০ শতাংশৰ পৰা পাঁচ শতাংশলৈ হ্ৰাস পাইছিল। পৰৱৰ্তী সময়ত ২০১৮ ত দেশৰ বেংকিং খণ্ডত যি বিপৰ্যয়ৰ সৃষ্টি হৈছিল, সেই দুৰ্যোগে বৃদ্ধিৰ গতি আৰু বেছি মন্থৰ কৰি পেলাইছিল। তাৰ পাছতে আৰম্ভ হৈছিল কৰ'না মহামাৰীৰ সন্ত্ৰাস। ২০২০ৰ আৰম্ভণিতে ক'ভিডৰ বাবে সমগ্ৰ দেশজুৰি তলাবন্ধ আৰোপ কৰা হৈছিল। তাৰ পাছতেই ভাৰতৰ অৰ্থনীতি সংকুচিত হৈছিল সাত শতাংশতকৈও অধিক। এই সকলো প্ৰত্যাহ্বান নেওচি ভাঙি পৰা অৰ্থনীতিক পুনৰ দাঙি ধৰাটো সহজ নাছিল ভাৰত চৰকাৰৰ বাবে।

'দ্য ইকন'মিষ্ট'-এ ভাৰতীয় অৰ্থনীতিৰ চাৰিটা স্তম্ভ চিনাক্ত কৰি উলিয়াইছে। এই চাৰিটা স্তম্ভক ভাৰতীয় অৰ্থনীতৰ চালিকা শক্তি আখ্যা দি এই সমূহে ভাৰত আগন্তুক দশকটোত সৰ্বতোপ্ৰকাৰে আগুৱাই নিব বুলি একপ্ৰকাৰে ভৱিষ্যদ্বাণী কৰিছে ইকন'মিষ্টে। এই সমূহ হৈছে—একক ৰাষ্ট্ৰীয় বজাৰ, নবীকৰণযোগ্য শক্তিৰ ব্যৱহাৰত গুৰুত্ব প্ৰদান, চীনৰ পৰা সামগ্ৰী-সেৱা ক্ৰয়ৰ নিৰ্ভৰশীলতা হ্ৰাস আৰু আইটিখণ্ডৰ ধাৰাবাহিক বিকাশ তথা উচ্চ প্ৰযুক্তি নিৰ্ভৰ সামাজিক সুৰক্ষা ।

ভাৰতৰ দৰে বৃহৎ দেশ এখন, য'ত বহু ধৰ্ম, জাতি আৰু ভাষাৰ লোক বসবাস কৰে, তাত একক ৰাষ্ট্ৰীয় বজাৰৰ গুৰুত্বক উপেক্ষা কৰিব নোৱাৰি। ইকন'মিষ্টৰ বাতৰি অনুসৰি, ভাৰতৰ একক ৰাষ্ট্ৰীয় বজাৰত বিভিন্ন প্ৰতিষ্ঠানে অহৰহ প্ৰৱেশ কৰি আছে। পূৰ্বতকৈ বহু বেছি প্ৰতিষ্ঠান আৰু গ্ৰাহকে এতিয়া আধুনিক অৰ্থনীতি ব্যৱহাৰ কৰিছে। অনানুষ্ঠানিক খণ্ডটোও ক্ৰমান্বয়ে ইয়াৰ মাজলৈ সোমাই গৈ আছে। নৰেন্দ্ৰ মোদীৰ দিনত এই সংস্কাৰবোৰে সৰ্বাধিক গতি লাভ কৰিছে। উল্লেখ্য যে একক ৰাষ্ট্ৰীয় বজাৰ গঢ়াৰ বাবে মোদী চৰকাৰে প্ৰথমৰে পৰাই আন্তঃগাঁথনি নিৰ্মাণত সৰ্বাধিক গুৰুত্ব দি আহিছে। ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নেটৱৰ্ক ২০১৪ৰ তুলনাত এতিয়া ৫০ শতাংশ বৃদ্ধি পাইছে। ঘাইপথত এতিয়া ডিজিটেল টোল ব্যৱস্থাৰ ব্যৱহাৰ হৈছে। যোৱা আঠ বছৰত ভাৰতৰ ঘৰুৱা বিমান সংস্থাসমূহত যাত্ৰীৰ সংখ্যা দুগুণে বৃদ্ধি পাইছে। ৪৪ শতাংশ বৃদ্ধি পাইছে মালবাহী বিমানৰ পৰিবহণ। ম'বাইলৰ বেচ ষ্টেছন তিনিগুণ বৃদ্ধি পাইছে। ব্ৰডবেণ্ড গ্ৰাহকৰ সংখ্যাই অতিক্ৰম কৰিছে ছয় কোটিৰ সীমা। মুঠৰ ওপৰত ভাৰত ইমানেই দ্ৰুত বেগেৰে আগবাঢ়ি গৈ আছে যে ৱাল ষ্ট্ৰীটৰ ইকুইটি ফাৰ্মসমূহে সমগ্ৰ ভাৰততে এটা ৰেৰহাউছ নেটৱৰ্ক গঢ়ি তোলাৰ বাবে প্ৰতিযোগিতাত নামিছে। আনহাতে, ভাৰতৰ আন্তঃগাঁথনি এতিয়া কেৱল পথ আৰু কংক্ৰিটতে সীমাবদ্ধ নহয়, ডিজিটেল আন্তঃগাঁথনিকো চৰকাৰে সমানেই গুৰুত্ব দিছে। এই ক্ষেত্ৰত ভাৰতৰ আটাইতকৈ ডাঙৰ সাফল্য হৈছে একক ডিজিটেল প্লেটফৰ্মৰ বিকাশ, যাৰ সৰ্বশ্ৰেষ্ঠ উদাহৰণ হ'ল আধাৰ কাৰ্ড। আধাৰ বা নাগৰিকৰ বায়'মেট্ৰিক পৰিচিতিৰ জৰিয়তে সকলো নাগৰিকৰ বেংক একাউণ্টৰ হিচাপ চৰকাৰৰ হাতত জমা হৈ আছে। ইয়াৰ লগতে আছে নেছনেল পেমেণ্ট ছিষ্টেম ইউপিআই। সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) ব্যৱস্থাৰ জৰিয়তে আন্তঃৰাজ্যিক বাণিজ্যৰ সুবিধা প্ৰদান কৰা হৈছে।

ভাৰতত সমান্তৰালভাৱে বৃদ্ধি পাইছে বৃহৎ কোম্পানীসমূহৰ নগদ ধনৰ প্ৰবাহো। এচেট মেনেজমেণ্ট কোম্পানী মাৰ্চেলাছৰ মতে, ভাৰতৰ কৰ্প'ৰেট জগতলৈ প্ৰবাহ হোৱা আধাতকৈও বেছি নগদ ধন শীৰ্ষ ২০ টা কোম্পানীৰ মাধ্যমেদি হয়। ফলত বেংক ঋণৰ আশ্ৰয় নোলোৱাকৈ ভাৰতত আদানী, টাটা আৰু ৰিলায়েন্সৰ দৰে বৃহৎ কৰ্প'ৰেট গোষ্ঠীসমূহে প্ৰচুৰ পৰিমাণে বিনিয়োগ কৰি থাকিব পাৰিছে। এই কোম্পানীসমূহে অহা চাৰিৰ পৰা আঠ বছৰত ২৫০ বিলিয়ন ডলাৰ বা ২৫ হেজাৰ কোটি ডলাৰ বিনিয়োগ কৰি চৰকাৰৰ লক্ষ্য অনুসৰি স্থানীয় যোগান ব্যৱস্থা গঢ়ি তুলিব। অৱশ্যে বৃহৎ কোম্পানীবোৰৰ ওপৰত অতিমাত্ৰা নিৰ্ভৰশীলতাৰ বাবেই নেপোটিজিমৰ পুঁজিবাদ অধিক প্ৰচলিত হ'ব পাৰে বুলি যি প্ৰশ্ন ভাৰতীয় অৰ্থনীতিবিদসকলে সময়ে সময়ে উত্থাপন কৰি আহিছে সেই প্ৰশ্ন বা আশংকাকো ভিত্তিহীন বুলি ক'ব পৰা নাযায়। কিন্তু তাৰ পাছতো ভাৰতৰ সামগ্ৰিক বিকাশত এই বৃহৎ কোম্পানীবোৰৰ যি অৰিহণা আৰু যি হাৰত এইসমূহে বিভিন্ন উৎপাদন খণ্ডত পুনৰ বিনিয়োগ কৰিছে তাক লৈ ভাৰত চৰকাৰৰ যথেষ্ট সুখী হোৱাৰ থল আছে। উদাহৰণ স্বৰূপে পৰিৱেশ প্ৰদূষণ ৰোধ কৰিবলৈ ভাৰতে বৈদ্যুতিক বাহন চলাচলৰ বাবে সকলো নিয়ম লৰালৰিকৈ প্ৰৱৰ্তন কৰাৰ যো-জা কৰিছে। কিন্তু এনে বৈদ্যুতিক বাহন চলাচলৰ বাবে অচিৰেই বৃহৎ পৰিমাণৰ হাইড্ৰ'জেন প্ৰয়োজন হ'ব ভাৰতক। এনে পৰিস্থিতিত ভাৰত চৰকাৰে দেশৰ বিশাল উদ্যোগপতি মুকেশ আম্বানীৰ মালিকানাধীন ৰিলায়েন্সৰ পৰা প্ৰতি কিলো হাইড্ৰ'জেন মাত্ৰ এক ডলাৰতে পাব পৰাৰ যি নিশ্চিতি লাভ কৰিছে সেয়া বৰ সৰু কথাও নহয়। একেদৰে বৈদ্যুতিক বাহনৰ বাবে প্ৰয়োজনীয় বেটাৰী আৰু অৰ্ধপৰিবাহী উৎপাদনৰ বাবে টাটাই এটা নতুন কাৰখানা স্থাপন কৰিছে, যাৰ ফলত ভাৰত এনেবোৰ সামগ্ৰীৰ ক্ষেত্ৰত স্বনিৰ্ভৰশীল হ'ব পাৰিছে। লগতে চীনৰ পৰা এনে সামগ্ৰী ক্ৰয়ৰ নিৰ্ভৰশীলতাও হ্ৰাস পাইছে। প্ৰসংগক্ৰমে উনুকিয়াব পাৰি যে ইতিমধ্যে 'দ্য ইকন'মিষ্টকে ধৰি বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমত বিনিয়োগকাৰীয়ে চীন ত্যাগ কৰিব বিচৰাৰ বিভিন্ন বাতৰি প্ৰকাশ পাইছে। এই ক্ষেত্ৰত বিনিয়োগকাৰীসকলৰ প্ৰধান আকৰ্ষণ হৈ পৰিছে ভাৰত। তদুপৰি নৰেন্দ্ৰ মোদী চৰকাৰে ভাৰতলৈ বিনিয়োগকাৰীক আকৰ্ষণ কৰিবলৈ যি ২৬ বিলিয়ন ডলাৰৰ পুঁজি গঠন কৰিছে তাকে লৈয়ো বিদেশী কোম্পানীসমূহৰ ভাৰতক লৈ আকৰ্ষণ বৃদ্ধি পাইছে। মোদী চৰকাৰৰ পৰিকল্পনা মতে, অহা পাঁচ বছৰত মুঠ ১৪টা উদ্যোগৰ বাবে এই ধন ব্যয় কৰা হ'ব। দক্ষিণ কোৰিয়াৰ ছেমছুং আৰু টাইৱানৰ ফক্সকনে ইতিমধ্যেই এই পুঁজিৰ সুযোগ লৈ ভাৰতত ম'বাইল ফোনৰ উৎপাদন বৃদ্ধি কৰিছে। কেৱল বিদেশী কোম্পানীয়েই নহয়, ভাৰতীয় কোম্পানীয়ে ইয়াৰ সুবিধা লৈছে। বাংগালুৰু চহৰৰ পৰা ৯০ কিলোমিটাৰ দূৰত অক্সলাই এটা বৃহৎ স্কুটাৰ ফেক্টৰী স্থাপন কৰিছে।



ইকন'মিষ্টৰ মতে, ভাৰতৰ এই নতুন উত্থানৰ অন্যতম স্তম্ভটো হৈছে প্ৰযুক্তি। ভাৰতৰ আই টি সেৱা আৰু আউটছ'ৰ্চিং খণ্ডৰ আকাৰ যোৱা ১০ বছৰত দুগুণে বৃদ্ধি পাইছে। একেদৰে দেশৰ বাৰ্ষিক আই টি ৰাজহ এতিয়া ২৩০ বিলিয়নৰো বেছি। সেইবাবেই ভাৰত এতিয়া বিশ্বৰ পঞ্চম বৃহত্তম সেৱা ৰপ্তানিকাৰী দেশ হিচাপে পৰিচিত হৈছে। আই টি খণ্ডত ভাৰতৰ মূল শক্তি হৈছে ইয়াৰ জনশক্তি-ছফট্ৱেৰৰ অভিযন্তাসকল। সমগ্ৰ বিশ্বতে ক্লাউড সেৱাৰ উত্থানৰ লগে লগে ছফট্ৱেৰৰ অভিযন্তাৰ চাহিদা বৃদ্ধি আৰু অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। ইতিমধ্যে ভাৰতত ৫০ লাখ লোকে এই খণ্ডত কাম কৰি আছে, গতিকে এতিয়া নতুন প্ৰতিভা বিচাৰি উলিওৱাটো ভাৰতৰ বাবেই প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে।

ডিজিটেল আৰু সামাজিক কল্যাণক ভাৰতৰ অৰ্থনৈতিক পুনৰুদ্ধাৰৰ আন এক গুৰুত্বপূৰ্ণ স্তম্ভ আখ্যা দিছে ইকন'মিষ্টে। কিয়নো আধাৰ কাৰ্ডৰ জৰিয়তে কৃষি ৰাজসাহায্যৰ পৰা আৰম্ভ কৰি কামৰ সহায়-সহযোগিতালৈকে সকলোখিনিয়ে পোনপটীয়াকৈ গ্ৰাহকৰ হাতলৈ বেংকৰ মাধ্যমেদি গৈ আছে। চলিত বৰ্ষৰ মাৰ্চলৈকে ভাৰত চৰকাৰে যোৱা এবছৰত ১৮ বিলিয়ন ডলাৰ বা জিডিপিৰ তিনি শতাংশ কেৱল সমাজ কল্যাণৰ বাবে ব্যয় কৰিছে, যি আগৰ বছৰ আছিল মাত্ৰ এক শতাংশ। ইফালে, ২০১৭ৰ পৰা ২০২২ৰ মাৰ্চলৈকে ভাৰত চৰকাৰে সামাজিক কল্যাণৰ বাবে ২৭০ বিলিয়ন ডলাৰ ব্যয় কৰিছে আৰু ইয়াৰ দ্বাৰা প্ৰায় ৯৫ কোটি লোক উপকৃত হৈছে। গণনাত দেখা গৈছে যে দেশৰ প্ৰতিজন মানুহে বছৰি ৮৬ ডলাৰকৈ লাভ কৰিছে। নৰেন্দ্ৰ মোদী চৰকাৰে বৃহৎ চাকৰিৰ সুযোগ আৰু সম্ভাৱনা সৃষ্টি কৰাত ব্যৰ্থ হ'লেও সামাজিক কল্যাণ আৰু অৰ্থনৈতিক সংস্কাৰৰ বাবে মহান কাম কৰি আছে বুলি ইকন'মিষ্টে কৈছে। অৱশ্যে ইয়াৰ ফলত চৰকাৰৰ ঋণৰ পৰিমাণ জিডিপিৰ ৮৭ শতাংশ পৰ্যন্ত বৃদ্ধি পোৱা বুলিও কোৱা হৈছে এই প্ৰতিবেদনত।

ভাৰতৰ অৰ্থনীতি বিশ্লেষকসকলে নৰেন্দ্ৰ মোদীৰ শাসনক সদায়েই কঠোৰ ভাষাৰে সমালোচনা কৰি আহিছে যদিও 'দ্য ইকন'মিষ্টক্সৰ মতে, মোদী চৰকাৰৰ সফলতা নিখুঁত পৰিকল্পনা ৰূপায়ণত নহয়; বৰঞ্চ নীতি প্ৰণয়ন কৰি তাক বলপূৰ্বকভাৱে কাৰ্যকৰী কৰাতহে। শাসনাধিষ্ঠিত চৰকাৰখনে জানে যে ভাৰতত ঔদ্যোগীকৰণো সম্ভৱ আৰু তাৰ দ্বাৰা অন্য ৰাষ্ট্ৰৰ ওপৰত থকা নিৰ্ভৰশীলতা হ্ৰাস কৰাও সম্ভৱ। কিন্তু তাৰ বাবে সময়ৰ প্ৰয়োজন হ'ব আৰু পৰিকল্পিতভাৱে লাহে লাহে অগ্ৰসৰ হ'ব লাগিব। সেয়েহে প্ৰযুক্তিৰ ব্যৱহাৰ আৰু পৰিসৰ বৃদ্ধি পোৱাৰ সময়তে ভাৰতে পৰিৱেশ অনুকূল প্ৰযুক্তিসমূহক আঁকোৱালি লৈছে।

# ভাৰতৰ স'তে বাণিজ্যৰ শীৰ্ষত আমেৰিকা!



ভাৰত-আমেৰিকাৰ বাণিজ্যিক সম্পৰ্ক দিনক দিনে আৰু বেছি দৃঢ় হৈছে। শেহতীয়াকৈ দুয়োখন দেশৰ মাজত আমদানি-ৰপ্তানিৰ পৰিমাণ বৃদ্ধি পাইছে। বিত্তীয় সম্পৰ্কৰো উন্নতি হৈছে। যাৰ ফলস্বৰূপে ভাৰতৰে বাণিজ্যৰ ক্ষেত্ৰত আমেৰিকাই সম্প্ৰতি চীনকো পিছ পেলাই শীৰ্ষতম স্থান দখল কৰিছে। ২০২০-২১ৰ বিত্তীয় বৰ্ষৰ তুলনাত ২০২১-২২ বিত্তীয় বৰ্ষত মুঠ বাণিজ্যৰ পৰিমাণ বৃদ্ধি পাইছে দুয়োখন দেশৰ মাজত। ৰপ্তানিৰ পৰিমাণ বৃদ্ধি পাইছে। সমান্তৰালভাৱে বাঢ়িছে আমদানিও। আনহাতে চীন আছে দ্বিতীয় স্থানত। কেন্দ্ৰীয় বাণিজ্য মন্ত্ৰণালয়ে প্ৰদান কৰা পৰিসংখ্যাত প্ৰকাশ পাইছে এই তথ্য। প্ৰকাশিত তথ্য অনুসৰি, ২০২০-২১ত ভাৰতৰ স'তে আমেৰিকাৰ বাণিজ্যৰ পৰিমাণ আছিল ৮০.৫১ বিলিয়ন মাৰ্কিন ডলাৰ। ইয়াৰ বিপৰীতে, ২০২১-২২ত এই ব্যৱসায়ৰ পৰিমাণ ১১৯.৪২ মাৰ্কিন ডলাৰলৈ বৃদ্ধি পাইছে। অৰ্থাৎ দুয়োখন দেশৰ মাজত এক বৃহৎ অংকত বাণিজ্যিক সম্পৰ্ক বৃদ্ধি পাইছে। আনহাতে, বাণিজ্যিক সম্পৰ্ক গঢ়াত চীন পূৰ্বতকৈ কিছু পিছ পৰিছে যদিও ২০২১-২২ত ভাৰতৰ স'তে ১১৫.৪২ বিলিয়ন ডলাৰৰ বাণিজ্যিক চুক্তি সম্পন্ন কৰিছে চুবুৰীয়া দেশখনে। ২০২০-২১ত এই পৰিমাণ আছিল ৮৬.৪ বিলিয়ন মাৰ্কিন ডলাৰ।

উল্লেখ্য যে দুয়োখন দেশৰ ক্ষেত্ৰতেই বৃদ্ধি পাইছে ভাৰতৰ পৰা বিভিন্ন সামগ্ৰী ৰপ্তানিৰ পৰিমাণ। ৰপ্তানিকৃত সামগ্ৰীৰ ওপৰত ভিত্তি কৰি ভাৰত চৰকাৰে লাভ কৰা মুঠ ধনৰাশিও বৃদ্ধি পাইছে। ভাৰতৰ পৰা চীনলৈ সামগ্ৰীৰ ৰপ্তানিৰ পৰিমাণ সামান্য বৃদ্ধি পাইছে । বিগত বৰ্ষটোত ২১.২৫ বিলিয়ন মাৰ্কিন ডলাৰ মূল্যৰ সামগ্ৰী ভাৰতৰ পৰা ক্ৰয় কৰিছে চীনে। ইয়াৰ পূৰ্বে ২০২০-২১ত এই পৰিমাণ আছিল ২১.১৮ বিলিয়ন মাৰ্কিন ডলাৰ। আনহাতে, ২০২১-২২ত ভাৰতৰ পৰা আমেৰিকালৈ ৰপ্তানি হৈছে ৫১.৬২ বিলিয়ন মাৰ্কিন ডলাৰৰ সামগ্ৰী। ২০২০-২১ত এই পৰিমাণ আছিল ৭৬.১১ বিলিয়ন মাৰ্কিন ডলাৰ। অৱশ্যে আলোচ্য সময়ছোৱাত চীনৰ পৰা আমদানিও কিছু পৰিমাণে বৃদ্ধি পাইছে। ২০২১-২২ বিত্তীয় বৰ্ষত চীনৰ পৰা আমদানি হৈছে ৯৪.১৬ বিলিয়ন মাৰ্কিন ডলাৰ মূল্যৰ সামগ্ৰী। ইয়াৰ পূৰ্বৰ বছৰত এই মূল্য আছিল ৬৫.১২ বিলিয়ন ডলাৰ। আনহাতে, আমেৰিকাৰ পৰাও আমদানি বৃদ্ধি পাইছে ভাৰতৰ। বিগত বৰ্ষত আমেৰিকাৰ পৰা ৪৩.৩১ বিলিয়ন ডলাৰৰ সামগ্ৰী আমদানি কৰিছে ভাৰতে, য'ত নেকি তাৰ আগৰ বৰ্ষত আমদানি হৈছিল ২৯ বিলিয়ন ডলাৰৰহে।




# পুনৰাবৃত্তিমূলক পৰিশোধৰ ক্ষেত্ৰত বিশেষ সুবিধা প্ৰদান আৰবিআইৰ

**দেশৰ** কেন্দ্ৰীয় বেংকে শেহতীয়াকৈ পুনৰাবৃত্তিমূলক পৰিশোধৰ ক্ষেত্ৰত বিশেষ কেতবোৰ সুবিধা আগবঢ়াইছে গ্ৰাহকসকলৰ বাবে। ভাৰতীয় ৰিজাৰ্ভ বেংকে কাৰ্ড আৰু ইউপিআইৰ জৰিয়তে ৰেকাৰিং ই-পেমেণ্টৰ বিত্তীয় সীমা পাঁচ হেজাৰ টকাৰ পৰা ১৫ হেজাৰলৈ বৃদ্ধি কৰিছে। ২০২১ৰ আগলৈ এই সীমা আছিল মাত্ৰ ২,০০০ টকা।

ডেবিট, ক্ৰেডিট কাৰ্ড বা ম'বাইল ৱালেটৰ জৰিয়তে কৰা ই-পেমেণ্টত নেটফ্লিক্স-এমাজন প্ৰাইমৰ দৰে অ'টিটি প্লেটফৰ্মত অটো ই-পেমেণ্ট, ম'বাইল বিল পেমেণ্ট, গেছ বুকিং আদিৰ সুবিধা থাকে। এইবোৰক ৰেকাৰিং পেমেণ্ট বোলা হয়। এইবোৰ হৈছে এনে ধৰণৰ পেমেণ্ট যিবোৰ গ্ৰাহকে প্ৰতি মাহে পুনৰাবৃত্তি কৰে। এনে পেমেণ্টৰ ম্যাদ ইমানদিনে ৫,০০০ টকা আছিল। ইয়াক সম্প্ৰতি ১৫ হেজাৰ টকালৈ বৃদ্ধি কৰা হৈছে।

আনহাতে, আৰ বি আইৰ গৱৰ্ণৰ শক্তিকান্ত দাসে কেৱল পুনৰাবৃত্তিমূলক ধন পৰিশোধৰ সীমা বৃদ্ধি কৰাই নহয়, মুদ্ৰানীতিৰ বৈঠকত তেওঁ ৰেপো ৰেট ০.৫০ শতাংশ বৃদ্ধি কৰাৰো সিদ্ধান্ত লৈছে। ফলত ৰেপো ৰেট ৪.৪০ শতাংশৰ পৰা ৪.৯০ শতাংশলৈ বৃদ্ধি পাইছে। উল্লেখ্য যে এই ৰেপো ৰেট বৃদ্ধিৰ মূল্য ভৰিব লাগিব সাধাৰণ মানুহে। কিয়নো বেংকসমূহে সকলো ধৰণৰ ঋণৰ সুদৰ হাৰ বৃদ্ধি কৰিব। ফলত গৃহ ঋণ, গাড়ী ঋণ আৰু ব্যক্তিগত ঋণৰ সুদৰ হাৰো বৃদ্ধি পাব। সমান্তৰালভাৱে ইএমআইৰ খৰচ বৃদ্ধি পাব। ফলস্বৰূপে সৰ্বসাধাৰণৰ ওপৰত খৰচৰ বোজা আৰু বাঢ়িব।

আৰবিআইৰ গৱৰ্ণৰ শক্তিকান্ত দাসে ৰূপে' ক্ৰেডিট কাৰ্ড (RuPay Credit Card ) সম্পৰ্কেও এক ডাঙৰ ঘোষণা কৰিছে। নতুন নিয়ম অনুসৰি, এতিয়াৰে পৰা ৰূপে' ক্ৰেডিট কাৰ্ড ইউপিআই প্লেটফৰ্মৰ স'তে সংযুক্ত কৰা হ'ব। ইয়াৰ বাবে পেমেণ্ট ইনফ্ৰা ফাণ্ড আঁচনিতো পৰিৱৰ্তন কৰা হ'ব। ইউপিআই প্লেটফৰ্মৰ স'তে সংযোগ কৰাৰ পাছত সকলো গ্ৰাহকে ইউপিআইৰ জৰিয়তে ৰূপে' ক্ৰেডিট কাৰ্ডৰ পৰা পেমেণ্ট কৰিব পাৰিব। এই নতুন ব্যৱস্থা প্ৰবৰ্তন হ'লে গ্ৰাহকে ইউপিআই প্লেটফৰ্মৰ জৰিয়তে ধনৰ লেনদেন কৰাৰ বাবে অধিক সুযোগ আৰু সুবিধা লাভ কৰিব বুলি আশা কৰা হৈছে।

# জনপ্ৰিয় দুই বীমা আঁচনিৰ খৰচ বৃদ্ধি পালে




**প্ৰধানমন্ত্ৰী** জীৱন জ্যোতি বীমা যোজনা আৰু প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ প্ৰিমিয়াম একেকোবে বহুখিনি বৃদ্ধি পাইছে। জীৱন জ্যোতি বীমা যোজনাৰ প্ৰিমিয়াম ৩২ শতাংশ আৰু সুৰক্ষা বীমা যোজনাৰ প্ৰিমিয়াম ৬ শতাংশকৈ বৃদ্ধি পাইছে। দৈনিক প্ৰিমিয়াম ১.২৫ টকা হোৱাৰ ফলত জীৱন জ্যোতি বীমা যোজনাত গ্ৰাহকৰ বাৰ্ষিক খৰচ পূৰ্বৰ ৩৩০ টকাৰ পৰা ৪৩৮ টকালৈ বৃদ্ধি পাইছে। আনহাতে, সুৰক্ষা বীমা যোজনাৰ প্ৰিমিয়াম ১২ টকাৰ পৰা ২০ টকালৈ বৃদ্ধি পাইছে। যোৱা বুধবাৰৰ পৰা কাৰ্যকৰী হৈছে এই নতুন প্ৰিমিয়াম মূল্য।

মোদী চৰকাৰে সমগ্ৰ দেশৰ জনসাধাৰণক বীমাৰ আওতালৈ অনাৰ উদ্দেশ্যে ২০১৫ তে এই দুটা প্ৰকল্প আৰম্ভ কৰিছিল। ইয়াৰে প্ৰথমটো হৈছে জীৱন বীমা আঁচনি আৰু আনটো হৈছে দুৰ্ঘটনা বীমা আঁচনি। বিগত সাতটা বছৰে আঁচনিদুখনৰ প্ৰিমিয়ামৰ পৰিমাণ অপৰিৱৰ্তিত ৰখা হৈছিল। কিন্তু বীমাৰ দাবী পূৰণৰ খৰচ প্ৰিমিয়ামৰ আয়তকৈ বহুগুণে বাঢ়ি যোৱাত উপায়ান্তৰ হৈ সম্প্ৰতি কেন্দ্ৰই দুয়োখন আঁচনিৰ প্ৰিমিয়াম বৃদ্ধি কৰিছে। কেন্দ্ৰৰ মতে, চৰকাৰে দৰাচলতে প্ৰকল্প দুটাক আৰ্থিকভাৱে সফল কৰি তুলিবলৈহে প্ৰিমিয়াম বঢ়াইছে। প্ৰিমিয়াম বৃদ্ধি কৰাৰ ফলত এই প্ৰকল্পৰ সেৱা আগবঢ়াবলৈ আন কে'বাটাও বীমা সংস্থা আগ্ৰহী আৰু উৎসাহিত হ'ব বুলি প্ৰচুৰ আশাবাদী কেন্দ্ৰ। দেশৰ সকলো চৰকাৰী বেচৰকাৰী বীমা সংস্থাই যদি গ্ৰাহকক প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা আৰু প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ সুবিধা আগবঢ়ায় তেন্তে তেনে ক্ষেত্ৰত দেশৰ সকলো শ্ৰেণীৰ লোকক বীমাৰ অধীনত অনাৰ চৰকাৰৰ যি বৃহৎ লক্ষ্য আছিল সেয়াও পূৰণ হ'ব । অৱশ্যে মূল্যবৃদ্ধিয়ে কোঙা কৰা সৰ্বসাধাৰণক সদ্য বৰ্ধিত এই বীমাৰ খৰচে যে অতিৰিক্ত হেঁচা প্ৰয়োগ কৰিব সেয়া ধ্ৰুৱপ।



# ভাৰতত ব্যৱসায় সম্প্ৰসাৰণৰ প্ৰতি আগ্ৰহ বৃদ্ধি বিশ্বৰ শীৰ্ষ বহুজাতিক কোম্পানীৰ

**কৰ'নাৰ** পাছৰে পৰা অৰ্থনীতি সুচাৰুৰূপে সঞ্চালন কৰিবলৈ চীনৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ পৰিকল্পনা ঘোষণা কৰিছে বহু শীৰ্ষ বহুজাতিক কোম্পানীয়ে। ভাৰত চৰকাৰৰ এক শীৰ্ষ সূত্ৰত প্ৰকাশ পোৱা মতে, ক'ভিডৰ পাছত আমেৰিকা আৰু ইউৰোপৰ কে'বাটাও কোম্পানীয়ে চীনৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ সিদ্ধান্ত লৈছে। কোম্পানীসমূহৰ এই সিদ্ধান্ত সম্প্ৰতি ভাৰতৰ বাবে যথেষ্ট সহায়ক হৈছে। চীনৰ পৰিৱৰ্তে এতিয়া ভাৰতত ব্যৱসায় সম্প্ৰসাৰণৰ প্ৰতি আগ্ৰহ বৃদ্ধি পাইছে বিশ্বৰ শীৰ্ষ বহুজাতিক কোম্পানীসমূহৰ। গ'ল্ডমেন চাক্স, আইবিএম, ডি এইছ এল, ব্ৰুকফিল্ডকে ধৰি কে'বাটাও শীৰ্ষস্থানীয় অৰ্ধপৰিবাহী (semiconductor)প্ৰস্তুতকৰ্তা কোম্পানীয়ে ভাৰত চৰকাৰক জনাইছে যে তেওঁলোকে অহা দুই-তিনি বছৰত ভাৰতত নিজৰ সামগ্ৰীৰ পৰিসৰ আৰু ব্যৱসায়িক কাম-কাজ বহু পৰিমাণে বৃদ্ধি কৰিব বিচাৰে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে আমেৰিকাৰ সেৱা খণ্ডত বৰ্তমানে বৃহৎ সংখ্যক ভাৰতীয় অভিযন্তাই কাম কৰি আছে। গ'ল্ডমেন চাক্সৰ প্ৰতিনিধিয়ে যোৱা সপ্তাহত ভাৰতৰ বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক জনাইছে যে তেওঁলোকে এই বছৰ ভাৰতীয় অভিযন্তাৰ সংখ্যা অতি ক'মেও দুগুণলৈ কৰিব বিচাৰিছে।




সংস্থাটোৱে সমগ্ৰ বিশ্বত থকা নিজ শাখাসমূহত ভাৰতীয় প্ৰযুক্তিবিদক নিযুক্তি দিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। একেদৰে ডিএইছএল নামৰ সংস্থাটোৱেও শেহতীয়াকৈ ভাৰতত ইয়াৰ ব্যৱসায়িক কাম-কাজ সম্প্ৰসাৰণৰ উপায় বিচাৰিছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে।

ছুইজাৰলেণ্ডৰ ডাভোছত অনুষ্ঠিত ৱৰ্ল্ড ইকন'মিক ফ'ৰামৰ বাৰ্ষিক বৈঠকত ভাৰতৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আইবিএম আৰু ব্ৰুকফিল্ডৰ পৰা আৰম্ভ কৰি ষ্টেণ্ডাৰ্ড চাৰ্টাৰ্ড বেংকলৈকে কে'বাটাও বহুজাতিক কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়াৰ পৰা একেধৰণৰ বাৰ্তা লাভ কৰে বুলি জানিব পৰা গৈছে।

মন কৰিবলগীয়া যে শেহতীয়াকৈ ভাৰতে কে'বাখনো দেশৰ স'তে মুক্ত বাণিজ্য চুক্তিত স্বাক্ষৰ কৰিছে। ইয়াৰ ফলত স্বাভাৱিকতে ভাৰতৰ ব্যৱসায়িক পৰিৱেশ উন্নত হৈছে। অষ্ট্ৰেলিয়া, ইউএই আৰু কানাডাৰ সকলো বাণিজ্যিক অংশীদাৰে এতিয়া ভাৰতক অধিক ইতিবাচক দৃষ্টিৰে চাবলৈ লৈছে। পলমকৈ হ'লেও অন্ততঃ বিশ্বৰ শীৰ্ষ বহুজাতিক কোম্পানীসমূহে উপলব্ধি কৰিছে যে ভাৰতে যেনেদৰে সমগ্ৰ বিশ্বতে দক্ষ জনশক্তিৰ প্ৰয়োজনীয়তা পূৰণ কৰি আহিছে, ঠিক তেনেদৰে ইয়াৰ এখন বৃহৎ বজাৰো আছে। সেয়েহে এতিয়া কোম্পানীসমূহে এই বজাৰখনৰ সুবিধা লোৱাৰ চিন্তা কৰিছে।

## কাইলৈ ৰাজ্যজুৰি ধৰ্ণা কাৰ্যসূচী

# পুনৰ ৰাজ্যজুৰি আন্দোলন ঘোষণা মধ্যাহ্ন ভোজন কৰ্মীৰ

**অগ্রদূত বাৰ্তা**

**ৰঙিয়া ১১ জুন ঃ** নিজৰ ন্যূনতম প্ৰাপ্য আদায়ৰ দাবীত বিগত প্ৰায় ১৫ বছৰ ধৰি বিভিন্ন পৰ্যায়ৰ আন্দোলন চলাই থকাৰ পিছতো সমস্যা সমাধান হোৱা দূৰৰে কথা ৰাজ্য চৰকাৰৰ এটাৰ পিছত এটা বঞ্চনা আৰু অবহেলাত ভাৰাক্ৰান্ত হৈ পৰিছে মধ্যাহ্ন ভোজন ৰান্ধনীসকল। এই অভিযোগ সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়নৰ। কালি ৰঙিয়া শ্ৰমিক ভৱনত অনুষ্ঠিত এক সংবাদ মেলত চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰি এই অভিযোগ উত্থাপন কৰে ইউনিয়নৰ উপ সভানেত্ৰী চিত্ৰা ৰাজবংশী আৰু চিটুৰ নেতা বিবেকানন্দ অধিকাৰীয়ে । ইউনিয়নে তেওঁলোকৰ প্ৰাপ্য আদায়ৰ দাবীত ৰাজ্যজোৰা আন্দোলনৰ ঘোষণা কৰিছে। সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়ন আৰু চি আই টি ইউ য়ে আজি ৰঙিয়া শ্ৰমিক ভৱনত এক সংবাদ মেল সম্বোধন কৰি এই ঘোষণা কৰে। সংবাদ মেল সম্বোধন কৰে ইউনিয়নৰ উপ সভানেত্ৰী চিত্ৰা ৰাজবংশী আৰু চিটুৰ নেতা বিবেকানন্দ অধিকাৰীয়ে। চৰকাৰে পুনৰ মধ্যাহ্ন ভোজন আঁচনিখন ৰূপায়ণৰ দায়িত্ব ব্যৱসায়িক প্ৰতিষ্ঠানলৈ হস্তান্তৰ কৰা পৰিকল্পনাৰ বিৰোধিতাৰে অহা ১৩ জুন অসমৰ সকলো জিলা সদৰতে আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰা হৈছে। সেই দিনা মধ্যাহ্ন ভোজন কৰ্মচাৰী সকলে জিলাৰ সদৰ নাইবা শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ সমুখত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰিব। যুটিয়া সংবাদমেলত বক্তা দুগৰাকীয়ে কয় যে যোৰহাট জিলাৰ ৪৫০ খন প্ৰাথমিক বিদ্যালয়ৰ ২৫ হেজাৰতকৈ অধিক শিক্ষাৰ্থীক দুপৰীয়াৰ আহাৰ যোগানৰ লক্ষ্যৰে অক্ষয় পাত্ৰ ফাউণ্ডেশ্বনে অগ্ৰণী ব্যৱসায়িক প্ৰতিষ্ঠান অপ্ৰভা এনাৰ্জীৰ সহযোগত ৰন্ধনশালা নিৰ্মাণৰ প্ৰস্তুতি লৈছে । এই খবৰত স্বাভাৱিকতে জাঙুৰ খাই উঠিছে ৰাজ্যখনৰ ৰন্ধনকৰ্মীসকল। তেওঁলোকে জনোৱা মতে ২০১৯তে তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল মন্ত্ৰীসভাৰ শিক্ষামন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যই ১৫ টা স্বেচ্ছাসেৱী সন্থাক মধ্যাহ্ন ভোজন আঁচনিখনৰ দায়িত্ব প্ৰদান কৰাৰ ব্যৱস্থা কৰিছিল। সেই সময়ত ইউনিয়নে প্ৰবল ভাবে ধাৰাবাহিক প্ৰতিৰোধ আন্দোলন গঢ়ি তোলাত চৰকাৰ পিছ হোঁহকিবলৈ বাধ্য হয়। এতিয়া পুনৰ আঁচনিখন বেচৰকাৰীকৰণ কৰিলে অকল যে ৰন্ধনকৰ্মী সকলে মাহিলী ন্যূনতম ১৫০০ টকা হেৰুৱাব সেয়াই নহয়, ছাত্ৰ ছাত্ৰী সকলে সতেজ গৰম ৰন্ধা খাদ্যৰ পৰা বঞ্চিত হ'ব। ইফালে দৰিদ্ৰ ৰন্ধন কৰ্মী সকলে চলিত বৰ্ষৰ বিগত পাঁচ মাহে মাহিলি ১৫০০ টকাৰ সামান্য মাননিৰ এটকাও নোপোৱাত তীব্ৰ দুখ আৰু ক্ষোভ প্ৰকাশ কৰিছে। যি সময়ত দেশৰ অন্যান্য একাংশ ৰাজ্যত ৰাজ্য চৰকাৰে ৰন্ধনকৰ্মীক মাহিলী সাত হেজাৰ টকা মাননি চাৰি লাখ টকালৈকে বীমাৰ সুবিধা, উৎসৱ ভাতা আদি দি আহিছে সেই সময়ত অসম চৰকাৰে ন্যূনতম ১৫০০ টকা প্ৰদান কৰিব নোৱাৰাত ইউনিয়নে চৰকাৰক ধীক্কাৰ দিয়ে। এই আন্দোলনৰ পিছত চৰকাৰে তেওঁলোকৰ দাবী মানি নললে পৰৱৰ্তী সময়ত ইউনিয়নৰ তৰফৰ পৰা জংগী আন্দোলনৰ হুংকাৰ দিয়া হয়। সংবাদমেলত কামৰূপ জিলাৰ সম্পাদিকা মহিদা বেগম আৰু সহকাৰী সম্পাদিকা সুৰমা ডেকা দাস সহ অন্যান্য সদস্যা সকল উপস্থিত থাকে।

## তামুলপুৰৰ সৌৰাগুৰিত বিদ্যুৎস্পৃষ্ট হৈ যুৱকৰ মৃত্যু

**অগ্রদূত বাৰ্তা**

**তামুলপুৰ, ১১ জুন ঃ** তামুলপুৰ জিলা সদৰৰ সৌৰাগুৰি গাঁৱত কালি আবেলি সংঘটিত হয় এক অঘটন । বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ সৌৰাগুৰীৰ বাসগৃহৰ সমীপতে আজি আবেলি নিজ গৃহতে বিদ্যুৎস্পৃষ্ট হৈ এজন যুৱকে অকাল মৃত্যুক আঁকোৱালী ল'ব লগা হয় । মৃত যুৱক জন সৌৰাগুৰী গাঁৱৰ টিকেন বড়োৰ পুত্ৰ নিজম বড়ো (১৬)বুলি জানিব পৰা গৈছে । প্ৰাপ্ত খবৰ মতে, কালি আবেলি নিজ গৃহত বিদ্যুৎ সংযোগৰ কাম কৰি থাকোতে দুৰ্ভাগ্যজনক ভাৱে যুৱক জনৰ দেহত বিদ্যুত সংযোগ ঘটি মাটিত ঢলি পৰে ।লগে লগে পৰিয়ালৰ লোকৰ মাজত হুৱাদুৱা লাগে । পাছত স্থানীয় লোকৰ সহযোগত যুৱকজনক তামুলপুৰ প্ৰাথমিক চিকিৎসা কেন্দ্ৰত লৈ যায় যদিও চিকৎসকে মৃত বুলি ঘোষণা কৰে । ইপিনে ঘটনা সম্পৰ্কে তামুলপুৰ আৰক্ষী জানিব পাৰি সন্ধিয়া মৃত যুৱকজনৰ গৃহত উপস্থিত হৈ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ কাৰণে তামুলপুৰ আৰক্ষী থানালৈ লৈ আনে । মৃতদেহটো সৌৰাগুৰি গাৱঁৰ নিজ গৃহৰ পৰা লৈ যায় ।

# বিপিএফৰ কোনো বিধায়ক ৰাজ্য চৰকাৰৰ মন্ত্ৰী হ'ব নোৱাৰে ঃ উৰ্খাও গৌৰা ব্ৰহ্ম

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১১ জুন ঃ** ৰাজ্যৰ মন্ত্ৰী সভাত ভৱিষ্যতে বিপিএফৰ কোনো বিধায়কেই মন্ত্ৰীত্ব লাভ নকৰে বুলি কালি তেজপুৰত দাবী কৰিছে ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী তথা ইউপিপি এলৰ বিধায়ক উৰ্খাও গৌৰা ব্ৰহ্মই। তেজপুৰত অনুষ্ঠিত কেবিনেট বৈঠকত অংশ ল'বলৈ অহা মন্ত্ৰী ব্ৰহ্মই বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীৰ এনে কোনো প্ৰচেষ্টা ফলৱতী নহয় বুলি বিটিএডি অঞ্চলত বিপিএফৰ বৰ্তমান কোনো খোপনি নাই বুলিও প্ৰকাশ কৰি মহিলাৰীক বিপিএফৰ অস্তিত্বকলৈয়ে প্ৰত্যাহ্বান জনাই কয় যে, ২০২৫ ৰ বিটিএডিৰ পৰিষদীয় নিৰ্বাচনত বিপিএফে নিজৰ অস্তিত্ব প্ৰতিপন্ন কৰি দেখাওঁক। ব্ৰহ্মই লগতে কয় যে হাগ্ৰামা মহিলাৰী পুনৰ বিটি এডিৰ চীফ হ'ব নোৱাৰে। মহিলাৰীয়ে বৰ্তমান বিটিএডিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো হৈ থকাতো নিবিচাৰে। আনহাতে যোৱা ৰাজ্যসভাৰ নিৰ্বাচনত বিজেপিৰ স'তে বিপিএফৰ মিত্ৰতাকো এক আচৰিত মিত্ৰতা বুলি উল্লেখ কৰে ব্ৰহ্মই। শেহতীয়াকৈ ৰাজ্য চৰকাৰৰ মন্ত্ৰীসভা সম্প্ৰসাৰণত ইউপিপি এলৰ বিধায়কে সস্থান লাভ নকৰা সন্দৰ্ভত ব্ৰহ্মই কয় যে, ইউপিপিএলৰ বিধায়কে মন্ত্ৰীত্ব লাভৰ আশা বৰ্তমানেও আছে। বৰ্তমানেও ৰাজ্যৰ মন্ত্ৰী সভাত আৰু তিনিজন মন্ত্ৰী অন্তৰ্ভুক্ত হোৱাৰ সম্ভাৱনা থকাৰ বাবেই ব্ৰহ্মই এইদৰে কয়।



*শংকৰদেৱ সংঘৰ যোৰহাটৰ ৰমাকান্ত মুক্তি আতা আঞ্চলিকৰ নামঘৰৰ তোৰণ উন্মোচনৰ, শনিবাৰে।*

## খুমটাইৰ মলুৱাহাবি গাঁৱৰ এগৰাকী ছাত্ৰী নিৰুদ্দেশ ঃ চিন্তিত পৰিয়াল

**খুমটাই, ১১ জুন ঃ** গোলাঘাট জিলাৰ খুমটাইৰ মলুৱাহাবি গাঁৱৰ মনি নায়ক আৰু ডিম্ব নায়কৰ কন্যা মলুৱা মধ্য ইংৰাজী বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী পদুমী নায়ক বিদ্যালয়ৰ পৰা ঘৰলৈ আহি থকা অৱস্থাতে নিৰুদ্দেশ হোৱাৰ ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে । বৃহস্পতিবাৰে নিজ বিদ্যালয়ৰ পৰা ঘৰলৈ আহি থকা ছাত্ৰী গৰাকী ঘৰ আহি নোপোৱাত পৰিয়ালটোত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয় । পৰিয়ালৰ লোকে কালিৰে পৰা বিচাৰ খোচাৰ কৰিছে যদিও বৰ্তমানলৈকে কোনো সম্ভেদ পোৱা নাই পদুমীৰ । ইফালে আজি পৰিয়ালৰ লোকে ঢেকীয়াল আৰক্ষী চকীত পদুমী নায়কৰ নিৰুদ্দেশ সন্দৰ্ভত এখন লিখিত এজাহাৰ দাখিল কৰিছে । ঢেকীয়াল আৰক্ষীয়েও ছাত্ৰী গৰাকীৰ সম্ভেদ উলিয়াবলৈ তদন্ত অব্যাহত ৰাখিছে যদিও ছাত্ৰী গৰাকীৰ সন্ধান উলিয়াব পৰা নাই । স্কুলৰ ইউনিফৰ্মত সন্ধানহীন হোৱা ছাত্ৰী গৰাকীৰ কোনো সদাশয় লোকে সন্ধান পালে গোলাঘাট আৰক্ষীৰ স'তে যোগাযোগ কৰিবলৈ দুৰ্ভগীয়া পৰিয়ালটোৱে আহ্বান জনাইছে ।

■ কথমপি প্ৰাণ ৰক্ষা তিনি কিশোৰীৰ

## যোৰহাটৰ ম'হবন্ধা চাহ বাগিচাত গছ পৰি ক্ষতি সাধন

**অগ্রদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ১১ জুন ঃ** পশ্চিম যোৰহাটৰ ম'হবন্ধা চাহ বাগিচাৰ নতুন লাইনৰ জয়দীপ পালৰ ঘৰত কালি এজোপা প্ৰকাণ্ড আঁহত গছ পৰি পৰিয়ালটিক সম্পূৰ্ণৰূপে বিধ্বস্ত কৰি পেলালে । বিয়লি তিনি বজাত সংঘটিত এই ঘটনাত ঘৰৰ ভিতৰত খেলি থকা তিনিগৰাকী কণমানি কিশোৰীৰ কথমপি প্ৰাণ ৰক্ষা পৰে। প্ৰায় শতবৰ্ষ গৰকা গছজোপাই ভাৰসাম্য হেৰুৱাৰ ফলতেই এই ঘটনা সংঘটিত হ'ল বুলি ঠাৱৰ কৰা হৈছে। ঘটনাৰ খবৰ পাই বাগিচাখনৰ পৰিচালকসহ বাগিচা কৰ্তৃপক্ষৰ লোকসকল জয়দীপ পালৰ গৃহত উপস্থিত হৈ বিধ্বস্থ পৰিয়ালটিক বাগিচাৰ চাহ মজদুৰ ক্লাৱঘৰত আশ্ৰয়ৰ ব্যৱস্থা কৰি দিয়ে ।

## আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰথম ত্ৰি-বাৰ্ষিক অধিৱেশন

**অগ্রদূত বাৰ্তা**

**গোৰেশ্বৰ, ১১ জুন ঃ** সদৌ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ প্ৰথম ত্ৰি-বাৰ্ষিক অধিৱেশনৰ কাইলৈ আয়োজন কৰা হৈছে। কাইলৈ গুৱাহাটীৰ বিষ্ণু নিৰ্মালা ভৱনত আয়োজিত হ'বলগীয়া অধিৱেশন কাৰ্যসূচী মৰ্মে পতাকা উত্তোলন কৰিব সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি বিৰাজ কুমাৰ তালুকদাৰে। ছহিদ স্মৃতি তৰ্পণ কৰিব পৰিষদৰ সাধাৰণ সম্পাদক ছায়েদুৰ ৰহমানে। কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাৰ পাছত বজাত প্ৰতিনিধি সভাৰ উদ্বোধন কৰিব পৰিষদৰ উপসভাপতি নৰেন্দ্ৰ কুমাৰ দাসে এক বজাত 'বৃহত্তৰ অসমীয়া জাতি গঠনত জনগোষ্ঠীসমূহৰ ভূমিকা' শীৰ্ষক আলোচনা চক্ৰ। মুখ্য আলোচক সদৌ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি বিৰাজ কুমাৰ তালুকদাৰ। আলোচক হিচাপে উপস্থিত থাকিব সদৌ ডিমাছা ছাত্ৰ সন্থাৰ সভাপতি নবীন জহৰিছা, সদৌ অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰৰ কাৰ্যকৰী সভাপতি নুৰুল হক, সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপজ্যোতি শৰণীয়া, সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি মহেন বৰা, জনগোষ্ঠীয় সাংস্কৃতিক ঐক্য মঞ্চৰ সম্পাদক প্ৰহ্লাদ মিলি, সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ প্ৰাক্তন সভাপতি হাফিজুল আহমেদ, সদৌ কৈৱৰ্ত সন্মিলনীৰ মুখ্য সাংগঠনিক সচিব ধ্ৰুৱজ্যোতি ভৰালী। স্মৃতিগ্ৰন্থ 'জাতীয়তাবাদ' উন্মোচন কৰিব সাহিত্যক ড° বাবু ৰাভা হাকাচামে প্ৰতিনিধি সভাৰ দ্বিতীয় বৈঠক আৰু বিষয় বাছনি সভা। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব সমাজসেৱক ৰিয়াজ আহমেদে।

## ৰঙাপৰাত আন্তঃৰাষ্ট্ৰীয় ৰাষ্ট্ৰীয় লেভেল ক্ৰছিং দিৱস পালন

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ১১ জুন ঃ** শোণিতপুৰ জিলাৰ ৰেল নগৰীখ্যাত ৰঙাপৰাত যোৱা ন জুনত উত্তৰ-পূব সীমান্ত ৰেলৱে বিভাগে এক সজাগতাৰ সৃষ্টি কৰে। সুৰক্ষা সংগঠন ৰঙিয়া মণ্ডলৰ অধীনস্থ ৰঙাপৰাৰ কৰ্মচাৰীসকলে 'লেভেল ক্ৰছিঙত সাৱধান হওক' শীৰ্ষক বিষয়ৰ ওপৰত ৰাইজৰ মাজত ৰঙাপৰাৰ অন্যতম বেচৰকাৰী সংস্থা ছ'চিয়েল ভলন্টিয়াৰ গ্ৰুপে বাটৰ নাটকৰ জৰিয়তে সজাগতাৰ সৃষ্টি কৰে। লেভেল ক্ৰছিঙত যাতে কোনো ধৰণৰ দুৰ্ঘটনা সংঘটিত নহয় সেই উদ্দেশ্যেৰে প্ৰতি বছৰে লেভেল ক্ৰছিং দিৱস পালন কৰি আহিছে। দিনৰ ১১ বজাত নাহৰণি চাহ বাগিচাৰ সমীপত থকা ৰেলৱে বিভাগৰ ৭১ নম্বৰ ৰেলৱে লেভেল ক্ৰছিং গেটত উক্ত কাৰ্যসূচী ৰূপায়ণ কৰে ৰেলৱে কৰ্মচাৰীসকলে। মন কৰিবলগীয়া যে ৰেলৱে লেভেল ক্ৰছিংসমূহ বন্ধ হৈ থকাৰ কালত একাংশ লোকে ৰেল গেটৰ তলেৰে মটৰ চাইকেল আৰু চাইকেল লৈ পাৰ হৈ যায়। লেভেল ক্ৰছিং বন্ধ হৈ থকাৰ পাছতো পাৰ হোৱাৰ চেষ্টা কৰাৰ সময়ত দুৰ্ঘটনাত প্ৰাণ হেৰুৱাই আহিছে। ইফালে, ৰঙাপৰা ৰেলৱে বিভাগৰ যাতায়াত নিয়ন্ত্ৰক পৰিদৰ্শক সম্ৰাট আন্তঃৰাষ্ট্ৰীয় ৰাষ্ট্ৰীয় লেভেন ক্ৰছিং দিৱসটোৰ তাৎপৰ্য ব্যাখ্যা কৰে। লেভেল ক্ৰছিং পাৰ হোৱাৰ আগতে ৰেলগাড়ী চাই পাৰ হোৱা, জীৱন সময়তকৈ অধিক মূল্যৱান, ৰেলৱে কৰ্মচাৰীক কৰ্তব্যত বাধা প্ৰদান কৰিলে ভাৰতীয় ৰেলৱে আইন ১৯৮৯ৰ ১৬০ আৰু ১৪৬ ধাৰাত এজন ব্যক্তিৰ কিমান বছৰ কাৰাবাস, কিমান জৰিমনা ভৰিব লাগিব সেয়া ৰাইজক অৱগত কৰে। লগতে তেওঁ ৰেলৱে লেভেল ক্ৰছিংসমূহ পাৰ হোৱাৰ সময়ত ৰেল বিভাগৰ নিয়মসমূহ পালন কৰিবলৈ ৰাইজক আহ্বান জনায়।

# গুৱাহাটী পৌৰ নিগমৰ অধীনলৈ আজাৰা ৰাজহ চক্ৰ অঞ্চল

### ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া

**অগ্রদূত বাৰ্তা**

**আজাৰা, ১১ জুন ঃ** শেহতীয়াকৈ ৰাজ্য চৰকাৰে এক জাননী যোগে মহানগৰীৰ দাঁতি কাষৰীয়া অঞ্চলসমূহৰ লগতে আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ গাঁও পঞ্চায়তসমূহকো পৌৰ নিগমৰ অধীনলৈ অনাৰ এক জাননী জাৰী কৰিছে। ইতিমধ্যে উক্ত জাননী জনসাধাৰণৰ দৃষ্টি গোচৰ হোৱাৰ লগে লগে সমগ্ৰ আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ জনসাধাৰণৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া আৰম্ভ হৈছে। জানিব পৰা মতে, ৰাজ্য চৰকাৰৰ প্ৰস্তাবিত গুৱাহাটী মাষ্টাৰ প্লেন অঞ্চলৰ গুৱাহাটী পৌৰ নিগমৰ অধীনলৈ বিভিন্ন অঞ্চলৰ লগতে আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ পঞ্চায়ত সমূহকো অন্তৰ্ভুক্ত কৰাৰ যো-জা চলাইছে। উক্ত বিষয়টো জনসাধাৰণৰ মাজত প্ৰচাৰ হোৱাৰ লগে লগে ৰাইজৰ মাজত ইয়াৰ তীব্ৰ বিৰোধিতাই গা কৰি উঠিছে। ইতিমধ্যে এই লৈ বিস্তৃতভাৱে আলোচনাৰ বাবে কাইলৈ আজাৰা, কাঁহিকুছি, গড়ল আদি বিভিন্ন ঠাইত ৰাজহুৱা সভাৰো আয়োজন কৰা বুলি জানিব পৰা গৈছে।

# হোজাইৰ ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ত অসমীয়া ভাষাক এলাগী

### ৰাজ্যপাললৈ স্মাৰকপত্ৰ জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ

**অগ্রদূত বাৰ্তা**

**যমুনামুখ, ১১ জুন ঃ** হোজাইস্থিত ৰীবন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ত অসমীয়া ভাষাক এলাগী কৰাৰ এক গুৰুতৰ অভিযোগ উত্থাপন হৈছে। এই সম্পৰ্কে কালি হোজাই জিলা জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে অসমৰ ৰাজ্যপাল জগদীশ মুখীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। উত্থাপিত অভিযোগ অনুসৰি যোৱা পহিলা জুনৰ দিনা হোজাইস্থিত ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস আছিল। যিহেতুকে হোজাই কলেজখনক উন্নীতকৰণ কৰি ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰূপে স্থাপন কৰা হৈছে। হোজাই কলেজৰ এটি সুন্দৰ অসমীয়া ভাষাত এন্থেম থকাৰ পাছতো পহিলা জুনত বিশ্ববিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অসমীয়াৰ সলনি ৰবীন্দ্ৰনাথৰ এটি বাংলা গীতেৰে সভাখন আৰম্ভ কৰা হয়। ইয়াকে কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চৌদিশে প্ৰতিক্ৰিয়া চলি থকাৰ সময়ত কালি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ হোজাই জিলা সমিতিয়ে ডবকা ৰাজহ চক্ৰ বিষয়া অংকিতা বৰাৰ জৰিয়তে অসমৰ ৰাজ্যপাললৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ হোজাই জিলাৰ সভাপতি প্ৰহ্লাদ হাজৰিকা আৰু সাধাৰণ সম্পাদক জাইদুল ইছলাম লস্কৰ স্বাক্ষৰিত স্মাৰকপত্ৰখনত হোজাই ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ত অসমীয়া ভাষাক এলাগী কৰাত উদ্বেগ প্ৰকাশ কৰে। ৰাজ্যপাললৈ প্ৰেৰণ কৰা স্মাৰকপত্ৰখনত অসমত থকা ৰাজ্যভাষা আইনৰ যথোচিত ব্যৱহাৰ আৰু ভাষাৰ মৰ্যাদা সুনিশ্চিত কৰিবলৈ দাবী জনোৱা হয়। কি পৰিস্থিতিত হোজাই ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ত বাংলা গীতেৰে সভাৰ আৰম্ভণি কৰা হ'ল, সেয়াও তদন্ত কৰিবলৈ স্মাৰকপত্ৰৰ জৰিয়তে দাবী উত্থাপন কৰে।

## ডিমৌ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত নামভৰ্তি নৱম স্থানপ্ৰাপ্ত জ্যোতিৰ্মান দত্তৰ

**অগ্রদূত বাৰ্তা**

**ডিমৌ, ১১ জুন ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত নিতাইপুখুৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়ৰ পৰা অসমৰ ভিতৰতে নৱম স্থান দখল কৰিবলৈ সক্ষম হোৱা জ্যোতিৰ্মান দত্তই ডিমৌৰ অগ্ৰণী শিক্ষানুষ্ঠান ডিমৌ জুনিয়ৰ কলেজ বৰ্তমান ডিমৌ ছিনিয়ৰ ছেকেণ্ডাৰি স্কুলত কালি নামভৰ্তি কৰে। ডিমৌ জুনিয়ৰ কলেজৰ অধ্যক্ষ জিতুল শেনছোৱাৰ লগতে সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে জ্যোতিৰ্মান দত্তক কলেজলৈ আদৰণি জনায়।



*মৰিয়নিত প্ৰকৃতিপ্ৰেমী সংস্থাৰ নিমপুলি ৰোপণ, শনিবাৰে।*

## ব্যক্তিগত শিক্ষানুষ্ঠানৰ এশ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ

**অগ্রদূত বাৰ্তা**

**পাঠশালাৰ, ১১ জুন ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত ভৱানীপুৰ আৰু সৰুপেটাৰ দুখন ব্যক্তিগত শিক্ষানুষ্ঠান ক্ৰমে আৰ্যভট্ট একাডেমি ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়, সৰুপেটা আৰু শংকৰদেৱ শিশু নিকেতন, ভৱানীপুৰৰ এশ শতাংশ পৰীক্ষাৰ্থীয়ে উত্তীৰ্ণ হৈছে। উল্লেখ্য যে এইবাৰ প্ৰথমবাৰৰ বাবে সৰুপেটাৰ আৰ্যভট্ট একাডেমি ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ পৰা ১৮গৰাকী শিক্ষাৰ্থীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে চাৰিগৰাকীয়ে ডিষ্টিংছন, দুগৰাকীয়ে ষ্টাৰ নম্বৰ, চাৰিগৰাকীয়ে প্ৰথম বিভাগত, ছগৰাকীয়ে দ্বিতীয় বিভাগত আৰু দুগৰাকী পৰীক্ষাৰ্থীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। শিক্ষানুষ্ঠানখনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ এশ শতাংশ পৰীক্ষাৰ্থীয়ে উত্তীৰ্ণ হৈছে। আৰ্যভট্ট একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা কংকণ বায়নে সৰুপেটা পৰীক্ষা কেন্দ্ৰৰ ভিতৰত ৯৫.৬৭ নম্বৰ পাই শ্ৰেষ্ঠ স্থান লাভ কৰে। শিক্ষানুষ্ঠানখনৰ ৰেক্টৰ কিশোৰ কুমাৰ চৌধুৰী, শিক্ষা সচিৱ দিলীপ কুমাৰ মেধি, প্ৰধান শিক্ষক মাধৱ চন্দ্ৰ পাটোৱাৰীৰ লগতে বিদ্যালয় কৰ্তৃপক্ষই উত্তীৰ্ণ শিক্ষাৰ্থী সকলক অভিনন্দন জনায়। ভৱানীপুৰৰ শংকৰদেৱ শিশু নিকেতনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা ৪৪ গৰাকী পৰীক্ষাৰ্থীৰ সকলো পৰীক্ষাৰ্থীয়ে অৰ্থাৎ এশ শতাংশই উত্তীৰ্ণ হৈছে। উত্তীৰ্ণ পৰীক্ষাৰ্থীৰ ন গৰাকীয়ে ডিষ্টিংছন, আঠগৰাকীয়ে ষ্টাৰ নম্বৰ, ১৩ গৰাকীয়ে প্ৰথম বিভাগত আৰু ১৪ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে। ভৱানীপুৰৰ শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য গোপাল বায়নৰ লগতে বিদ্যালয় কৰ্তৃপক্ষই উত্তীৰ্ণ শিক্ষাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰে।

## মৰিগাঁৱত দুই চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ

### বহু সংখ্যক ম'বাইলৰ চিমকাৰ্ডসহ আপত্তিজনক নথিপত্ৰ জব্দ আৰক্ষীৰ

**অগ্রদূত বাৰ্তা**

**মৰিগাঁও, ১১ জুন ঃ** মৰিগাঁও সদৰ আৰক্ষীয়ে কালি বিশেষ সূত্ৰৰ পমখেদি চলোৱা অভিযানত দুজনকৈ চাইবাৰ অপৰাধী ক্ৰমে বাবুল ইছলাম আৰু ৰেকিব আলমক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন দুয়োজনৰেই লাহৰীঘাট থানাৰ অন্তৰ্গত নগাবন্ধাত। প্ৰাপ্ত তথ্য মতে, বাবুল ইছলাম আৰু ৰেকিব আলম নামৰ দুয়োজন যুৱকে বিভিন্ন লোকক ঋণ দিয়াৰ প্ৰলোভনে পেনকাৰ্ড আৰু আধাৰকাৰ্ড সংগ্ৰহ কৰি অনলাইনৰ জৰিয়তে বহুতৰ বেংক একাউণ্টৰ পৰা ধন সৰকাই যুৱক দুজনে নিজৰ একাউণ্টত সোমোৱাই লয়। এইক্ষেত্ৰত বেংকৰ পৰা কোনো ঋণ পোৱাৰ সম্ভেদ নাপায় পেনকাৰ্ড আৰু আধাৰকাৰ্ডৰ গৰাকীয়ে। কিন্তু পৰৱৰ্তী সময়ত এই ভুক্তভোগী লোকসকলৰ বেংকৰ চিভিল বেয়া হোৱাত পোহৰলৈ আহে সমগ্ৰ ঘটনা। চাইবাৰ অপৰাধীৰ বলি হোৱা ভুক্তভোগীয়ে ইতিমধ্যে আৰক্ষীক অভিযোগ দাখিল কৰে। দুই ধৃত যুৱকে পুনৰ বিভিন্ন লোকক প্ৰলোভন দি পেনকাৰ্ড, আধাৰকাৰ্ড সংগ্ৰহ কৰিবলৈ আহোতে কালি মৰিগাঁও আৰক্ষীৰ অভিযানকাৰী দলে চহৰখনৰ মাজমজিয়াতেই দুয়োকে গ্ৰেপ্তাৰ কৰাৰ উপৰিও বহু সংখ্যক ম'বাইলৰ চিমকাৰ্ডসহ আপত্তিজনক নথিপত্ৰ জব্দ কৰিবলৈ সক্ষম হয় আৰক্ষীয়ে। ইপিনে, মৰিগাঁও আৰক্ষীয়ে ধৃত যুৱক দুজনক আটক কৰি জেললৈ প্ৰেৰণ কৰে। ইতিমধ্যে মৰিগাঁও আৰক্ষীয়ে চাইবাৰ অপৰাধীৰ বিৰুদ্ধে তীব্ৰ অভিযান অব্যাহত ৰাখিছে।

### উপায়ুক্তৰ কাৰ্যালয়ত পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ

## তামুলপুৰত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ অমৃত সৰোবৰ আঁচনিৰ প্ৰকল্প পৰিদৰ্শন

**অগ্রদূত বাৰ্তা**

**তামুলপুৰ, ১১ জুন ঃ** অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ,খাদ্য আৰু অসামৰিক যোগান বিভাগ আৰু সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাসে কালি তামুলপুৰত উপস্থিত হৈ তামুলপুৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ কেইবাটাও অংগনৱাডী কেন্দ্ৰ পৰিদৰ্শন কৰে। মন্ত্ৰীজনে পোনতে তামুলপুৰ জিলা সদৰৰ বৰখোপাস্থিত এটি অংগনাৱাদী কেন্দ্ৰ পৰিদৰ্শন কৰে। তাৰ পাছত তামুলপুৰ জিলা সদৰস্থিত বাৰেইগাঁৱত 'অমৃত সৰোবৰ আঁচনি'ৰ প্ৰকল্প পৰিদৰ্শন অংশ হিচাপে নিৰ্মিয়মাণ এটি আদৰ্শ অংগনৱাড়ী কেন্দ্ৰও পৰিদৰ্শন কৰে। ইয়াৰ পাছতে মন্ত্ৰীজনে তামুলপুৰ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাক্ষত তামুলপুৰৰ বিভিন্ন বিভাগৰ বিষয়া কৰ্মচাৰীৰ মাজত অনুষ্ঠিত এক পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰি বিভাগীয় কাম-কাজসমূহ খতিয়ান লয়। তামুলপুৰত অমৃত সৰোবৰ আঁচনিৰ প্ৰকল্প পৰিদৰ্শন মন্ত্ৰীজনে সাংবাদিকৰে হোৱা এক চমু বাৰ্তালাপত কয়, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে কাইলৈ তেজপুৰত অনুষ্ঠিত হ'ব লগা কেবিনেট বৈঠকৰ পূৰ্বে তেওঁ তামুলপুৰ জিলাৰ কে'বাটাও অংগনৱাড়ী কেন্দ্ৰ পৰিদৰ্শন কৰাৰ উপৰি স্থানীয় ৰাইজৰ স'তে মতবিনিয় কৰে। অগংনৱাড়ী কেন্দ্ৰসমূহ পৰিদৰ্শন কৰি তামুলপুৰ জিলাৰ উপায়ুক্তৰ সভাকক্ষত বিভিন্ন বিভাগৰ বিভাগীয় বিষয়াৰে স'তে এক পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি বিভাগীয় বিভিন্ন কাম কাজৰ বুজ লওঁ। আনহাতে বিজেপিৰ কাৰ্যকৰ্তাসকলৰ পদমৰ্যদ্য সম্পৰ্কে সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰী দাসে কয়, বিজেপি দলৰ সন্মানীয় পদটি হল বুথৰ সভাপতি । বুথৰ সভাপতি গৰাকী বা কাৰ্যকৰ্তাসকল হ'ল দলৰ প্ৰথম শ্ৰেণীৰ নেতা। ৰাজ্যিক বা জিলা পৰ্যায়ৰ নেতাবোৰে কেৱল নিৰ্দেশ হে দিয়ে । দলৰ হৈ প্ৰকৃত কাম কৰে বুথৰ সভাপতি কাৰ্যকৰ্তাসকলে ।

## নগাঁৱৰ লেখিকা ছাবিনা আলিয়ালৈ ৰবীন্দ্ৰনাথ ঠাকুৰ মেম'ৰিয়েল এৱাৰ্ড-২০২২

**বিশেষ সংবাদদাতা**

**নগাঁও, ১১ জুন ঃ** নগাঁৱৰ সুলেখিকা ছাবিনা আলিয়ালৈ ৰবীন্দ্ৰনাথ ঠাকুৰ মেম'ৰিয়েল এৱাৰ্ড-২০২২ বঁটা আগবঢ়োৱা কৰা হৈছে। জিলাখনৰ গৰিয়া কাৰৈমাৰী নিবাসী আলিয়াই ২০২১ত বিশ্ব সাহিত্যলৈ আগবঢ়োৱা সাহিত্যিক অৱদানৰ বাবে ছেচেলেছ চৰকাৰৰ সাংস্কৃতিক বিভাগ আৰু আন্তঃৰাষ্ট্ৰীয় সাহিত্যিক মঞ্চ মটিৰেছনেল ট্ৰাইপে যৌথ বাবে এই বঁটা প্ৰদান কৰে। এই বঁটা বিশ্বৰ ২৪০ গৰাকী কবিক এই সন্মানেৰে সন্মানিত কৰা হৈছে। তাৰ মাজত নগাঁৱৰ আলিয়াও আছে। ছেলেচেছ চৰকাৰ সাংস্কৃতিক বিভাগৰ দ্বাৰা প্ৰকাশিত জাৰ্নেল 'চিপাই'ত ২০২১ৰ ডিচেম্বৰত ইংৰাজী কবিতা প্ৰকাশ পাইছিল। ২৮ মে'ত এক বিবৃতিযোগে ছিজু এইছ পাল্লিথাজেথ মটিৰেছনেল ট্ৰিপছৰ ফাউণ্ডাৰ, ছাব্ৰিণা ব্ৰএন্ট মটিৰেছনেল ট্ৰিপছৰ ডিৰেক্টৰ আৰু মেজি ফাউৰে ৰিদত মুখ্য সম্পাদিকাই ৰবীন্দ্ৰনাথ ঠাকুৰ মেম'ৰিয়েল এৱাৰ্ড ২০২২ বঁটা বিজয়ীসকলৰ নাম প্ৰকাশ কৰাৰ লগতে তেওঁলোকক শুভেচ্ছা জ্ঞাপন কৰে। আলিয়া সৰুৰে পৰা লিখা-মেলাৰ লগত জড়িত। তেওঁৰ বহুতো লেখা সদৌ অসম ভিত্তিত আহ্বায়িত সাহিত্য প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত আৰু বহু কেইখন দৈনিক, সাপ্তাহিক কাকতত আৰু ভিন ভিন অসমীয়া আলোচনীত প্ৰকাশ পোৱা। তেওঁৰ বহুতো ইংৰাজী কবিতা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ইতিমধ্যে প্ৰকাশ। অষ্ট্ৰেলিয়ান ক্ৰিটিক টনি লভৰিকে প্ৰস্তুত কৰা আলিয়াৰ ইংৰাজী কবিতা 'ছেলটাৰ'ৰ পৰ্যালোচনা ইতিমধ্যে আন্তঃৰাষ্ট্ৰীয় আলোচনীত প্ৰকাশ পাইছে।

# অশ্বক্লান্ত পাহাৰৰ মাটি খননত ওলাল আহোম যুগৰ শিৱলিংগ

**অগ্রদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ১১ জুন ঃ** ঐতিহাসিক অশ্বক্লান্ত দেৱালয়ৰ বে আইনীভাৱে পাহাৰ খনন চলি থাকোতে হঠাৎ মাটিৰ লগত তললৈ সৰি পৰে এটি সুন্দৰ শিৱ লিংগ । এক্সকাভেটৰৰ হেঁচাত শিৱ লিংগটোৰ সামান্য অংশৰ ক্ষতিসাধন হয়। শিৱলিংগ দেখি অঞ্চলটিত হুৱাদুৱা লাগিল। শিৱলিংগ দৰ্শনৰ বাবে অঞ্চলটিত বহুলোকৰ সমাগম হ'ল। স্থানীয় লোকে লগে লগে শিৱলিংগটো ধুই সেই স্থানতে পূজা অৰ্চণা কৰে। বৃত্তাকাৰ মসৃণ আৰু সুন্দৰ শিৱ লিংগ দৰ্শন কৰি বহুলোকে ৰচনা কৰিলে মৌখিক কাহিনী। খবৰ পাই উত্তৰ গুৱাহাটী ৰাজহ চক্ৰ বিষয়া ৰশ্মি প্ৰতাপ উপস্থিত হৈ বুজ লয় ঘটনাৰ সবিশেষ। সন্ধিয়াৰ ভাগত উদ্ধাৰ হোৱা শিৱ লিংগৰ খবৰ বতাহৰ লেখীয়া বিয়পি পৰাত লোকাৰণ্য হৈ পৰে অঞ্চলটো। ইফালে শিৱ লিংগ উদ্ধাৰৰ পাছত অসাধু পাহাৰ খননকাৰী লোকো ভীতিগ্ৰস্ত হৈ পাহাৰ খনন বন্ধ কৰি মহাপ্ৰভুৰ শৰণাগত হৈ মন্দিৰ নিৰ্মাণৰ পণ কৰিলে। ১৭ শতিকাৰ আহোম ৰজা শিৱ সিংহৰ দিনৰ শিৱ লিংগ বুলি অনুমান কৰা হৈছে। শিৱ লিংগৰ লগতে পটাগুটিৰ লেখীয়া আন এটি শিলত খোদিত শৈল ভাস্কৰ্য উদ্ধাৰ হয়। শিৱ সিংহৰ দিনৰ বহু শৈল ভাস্কৰ্য অঞ্চলটোত সিঁচৰিত হৈ পৰি আছে। পাহাৰৰ টিলাৰ পৰা শিৱ লিংগ সৰি পৰালৈ চাই শিৱ মন্দিৰৰ অৱস্থিতি অনুমান কৰা হৈছে । পুৰাতত্ব বিভাগে খনন কৰিলে বহু পুৰাতাত্বিক সমল উদ্ধাৰ হ'ব পাৰে অঞ্চলটিত। ইফালে, ৰজাদুৱাৰৰ গণেশ মন্দিৰৰ পাহাৰতো আহোম ৰজা ৰুদ্ৰ সিংহৰ দিনৰ বহু শৈল ভাস্কৰ্য অবহেলিত হৈ বহুবছৰ ধৰি পৰি আছে। পুৰাতত্ব বিভাগে এই সমলসমূহ সংৰক্ষণৰ আজি কোপতি ব্যৱস্থা গ্ৰহণ নকৰিলে। সৰ্বোপৰি ঐতিহাসিক স্থানৰ ভূমি কাৰ অনুমতিত খান্দিবলৈ সাহস পালে এক বিচাৰ্য বিষয়। ৰাইজৰ আপত্তিৰ পাছতো জাইকাৰ পানী প্ৰকল্পৰ নামত অশ্বক্লিন্ত দেৱালয়ৰ পাহাৰ খন্দাৰ ফলত হেৰাই যাব পাৰে বুৰঞ্জীৰ নোখোলা পিষ্ঠা।



ভাৰতবৰ্ষত ৪৬ শতাংশ লোকে নিশা ছঘণ্টাতকৈ কম সময় শোৱে। এওঁলোকৰ ভিতৰত ৪৫ শতাংশই কৰ্ম ব্যস্ততাৰ বাবে কম সময় শোৱে। আনহাতে, আমেৰিকাত ৩৪ শতাংশ, ইউৰোপত ৩২ শতাংশ আৰু জাপানত ২৭ শতাংশ লোক নিদ্ৰাহীনতাত ভুগিছে। নিদ্ৰাহীনতাৰ ফলত শাৰীৰিক মানসিকভাৱে ক্ষতিগ্ৰস্ত হোৱাৰ উপৰি দেশ একোখন অৰ্থনৈতিকভাৱেও ক্ষতিগ্ৰস্ত হ'বলৈ ধৰিছে।

# নিদ্ৰাহীনতা

**ভাৰতবৰ্ষত** ৪৬ শতাংশ লোকে নিশা ছঘণ্টাতকৈ কম সময় শোৱে। এওঁলোকৰ ভিতৰত ৪৫ শতাংশই কৰ্ম ব্যস্ততাৰ বাবে কম সময় শোৱে। আনহাতে, আমেৰিকাত ৩৪ শতাংশ, ইউৰোপত ৩২ শতাংশ আৰু জাপানত ২৭ শতাংশ লোক নিদ্ৰাহীনতাত ভুগিছে। নিদ্ৰাহীনতাৰ ফলত শাৰীৰিক মানসিকভাৱে ক্ষতিগ্ৰস্ত হোৱাৰ উপৰি দেশ একোখন অৰ্থনৈতিকভাৱেও ক্ষতিগ্ৰস্ত হ'বলৈ ধৰিছে। কাৰণ নিদ্ৰাহীনতাৰ ফলত শাৰীৰিক-মানসিক সমস্যাই গা কৰি উঠিলে দৈনন্দিন কাম-কাজ সুচাৰুৰূপে সম্পাদন কৰিব নোৱাৰে। নিদ্ৰাহীনতাৰ ফলত কৰ্মদক্ষতা হ্ৰাস পায় বুলি বিশেষজ্ঞসকলে মত পোষণ কৰিছে। ফলত অৰ্থনৈতিকভাৱে ক্ষতিগ্ৰস্ত হয় দেশখন। এই সমীক্ষা অনুসৰি কেৱল মাৰ্কিন যুক্তৰাষ্ট্ৰতে বছৰি ১,৫০০ মাৰ্কিন ডলাৰ দেশখনে হেৰুৱাবলগীয়া হয় একমাত্ৰ দেশখনৰ ৩৪ শতাংশ লোকৰ নিদ্ৰাহীনতাৰ বাবে।

বিভিন্ন ধৰণৰ নিদ্ৰাহীনতাৰ ভিতৰত অন্যতম হ'ল— শ্লিপ অনছেট ইনছমনিয়া, শ্লিপ অফছেট ইনছমনিয়া, নন ৰেষ্টোৰেটিভ শ্লিপ, ট্ৰেনছেইণ্ট ইনছমনিয়া, শ্বৰ্ট টাৰ্ম ইনছমনিয়া আৰু লং টাৰ্ম ইনছমনিয়া। প্ৰথমতে শ্লিপ অনছেট ইনছমনিয়াৰ বিষয়ে উল্লেখ কৰা হ'ল। এনে ধৰণৰ সমস্যাৰ সৃষ্টি হ'লে প্ৰথমতে ব্যক্তিগৰাকীয়ে বিছনাত বাগৰ দিয়ে যদিও টোপনি যাবলৈ ইচ্ছা নকৰে। বহু সময় বাগৰি থকাৰ পাছতহে টোপনি আহে। এনে ধৰণৰ সমস্যাত প্ৰায়ভাগ লোকে ভোগা দেখা যায়। আনহাতে, শ্লিপ মেইনটেনেনছ ইনছমনিয়া হ'লে প্ৰথমতে টোপনি আহে যদিও এঘণ্টা বা দুঘণ্টা পাছত টোপনি ভাঙে। ইয়াৰ পাছত টোপনি নাহে। সেইবাবে পৰৱৰ্তী সময়ত বিভিন্ন সমস্যাই গা কৰি উঠে।

## কিমান সময় টোপনি যাব লাগে

এজন সুস্থ প্ৰাপ্তবয়স্ক লোকে নিতৌ কিমান সময় শুব লাগে সেয়া বিভিন্ন বিষয়ৰ ওপৰত নিৰ্ভৰ কৰে। ব্যক্তিগৰাকীৰ দৈনন্দিন কৰ্মব্যস্ততা, কামৰ প্ৰকৃতি আদিৰ ওপৰত টোপনিৰ সময় ভালেখিনি নিৰ্ভৰ কৰে। অৱশ্যে এনে লোকসকলে নিশা ছঘণ্টা নিয়মীয়াকৈ শুলেও স্বাভাৱিক জীৱন-যাপন কৰিব পাৰে। কিন্তু এই সময়তকৈ কম শুলে পৰৱৰ্তী সময়ত বিভিন্ন ধৰণৰ সমস্যাই গা কৰি উঠে। এজন লোকে নিতৌ ছঘণ্টা শুলে দেখা যায় যে তেওঁ জীৱনৰ এক তৃতীয়াংশ সময় শুয়ে কটায়।

শ্লিপ অফছেট ইনছমনিয়া হ'লে নিশা দুপৰত সাৰ পোৱাৰ পাছত বহু চেষ্টা কৰিলেও টোপনি নাহে। আনহাতে, নন ৰেষ্টোৰেটিভ শ্লিপ হ'লে গাঢ় টোপনি নহ'লেও কম টোপনিহে হয়। নিশাও তন্দ্ৰাভাৱ থাকে। এনে ধৰণৰ টোপনি হোৱাৰ ফলত দিনটো অৱশ অৱশ হৈ থাকে। ট্ৰেনছেইণ্ট ইনছমনিয়া হোৱাৰ মূলতে হ'ল ভ্ৰমণ। সাধাৰণতে এখন দেশৰ পৰা আন এখন দেশলৈ বিমানেৰে ভ্ৰমণ



কৰিলে 'জেট লগ' হয়। ফলত টোপনিত ব্যাঘাত জন্মে। কেতিয়াবা অস্ত্ৰোপচাৰৰ পাছত অথবা গুৰুতৰ আঘাত পালে শ্বৰ্ট টাৰ্ম ইনছনিয়াত আক্ৰান্ত হয়। তিনি সপ্তাহৰ ভিতৰত এনে ধৰণৰ সমস্যা আঁতৰ হয়। যেতিয়া কোনো এজন ব্যক্তি দীৰ্ঘদিন ধৰি টোপনিত ব্যাঘাত জন্মি থাকে তেতিয়া লং টাৰ্ম ইনছনিয়া বুলি কোৱা হয়।

### নিদ্ৰাহীনতাৰ কাৰণসমূহ

নিদ্ৰাহীনতাৰ ক্ষেত্ৰত প্ৰাইমাৰী ইনছমনিয়া হ'লে ইয়াৰ আঁৰত কি কাৰণ থাকিব পাৰে সেয়া বৰ্তমানলৈকে নিৰ্ধাৰণ কৰটো সম্ভৱ হোৱা নাই। যদিও এই ক্ষেত্ৰত বহুতো পৰীক্ষা-নিৰীক্ষা চলোৱা হৈছে তথাপি এই বিষয়ে সুফল হোৱা নাই। অৱশ্যে ছেকেণ্ডাৰী ইনছমনিয়াৰ ক্ষেত্ৰত প্ৰকৃত কাৰণসমূহ নিৰ্ধাৰণ কৰাটো সম্ভৱ হৈছে। নিদ্ৰাহীনতাৰ বাবে শাৰীৰিক আৰু মানসিক দুয়োটাই কাৰণ হিচাপে থিয় দিব পাৰে। শাৰীৰিক কাৰণৰ ভিতৰত বিভিন্ন ৰোগৰ কথা উল্লেখ কৰিব পাৰি। বিশেষকৈ উচ্চ ৰক্তচাপ, শৰ্কৰা বৃদ্ধি, কলেষ্টেৰল বৃদ্ধিৰ বাবেও পৰোক্ষভাৱে টোপনিত ব্যাঘাত জন্মিব পাৰে। আনহাতে, থাইৰয়েডৰ বাবেও এনে ধৰণৰ সমস্যাই গা কৰি উঠিব পাৰে। প্ৰষ্টেট গ্লেণ্ড বৃদ্ধিৰ ফলত নিশা সঘনাই প্ৰস্ৰাৱ কৰিবলৈ উঠিব লাগে বাবে বয়স্কসকলৰ টোপনিত ব্যাঘাত জন্মে। তদুপৰি হাঁপানী, যক্ষ্মা, হৃদৰোগ, কেন্সাৰ, ৰেনেল ফেইলিউৰ, শ্লিপ এপনিয়া আদিৰ বাবেও নিদ্ৰাহীনতা হোৱা দেখা যায়। কেতিয়াবা আকৌ ডিমেনছিয়া মস্তিষ্কৰ টিউমাৰ, আলচাৰ আদিৰ বাবেও নিদ্ৰাহীনতাই গা কৰি উঠে।

মানসিক কাৰণৰ ভিতৰত অন্যতম হ'ল ডিপ্ৰেছন বা মানসিক অৱসাদ। যিসকল লোক বিভিন্ন কাৰণত ডিপ্ৰেছনত ভোগে তেওঁলোকৰ সততে টোপনি ক্ষতি হোৱা দেখা যায়। আনহাতে, স্কিজোফ্ৰেনিয়া, নিউৰোছিছ, আপোনজনৰ মৃত্যুৰ সংবাদ-দুঃসংবাদ আদিৰ বাবেও টোপনিত ব্যাঘাত জন্মে। আনহাতে, যিমানেই মানসিক চাপ বৃদ্ধি পায় সিমানেই টোপনিত ব্যাঘাত জন্মে। সমগ্ৰ বিশ্বতে ৮০ শতাংশ লোকে মানসিক কাৰণত নিদ্ৰাহীনতাৰ চিকাৰ হয় বুলি বিশেষজ্ঞসকলে মত পোষণ কৰিছে।

দীৰ্ঘদিন ধৰি কিছুমান ঔষধ ব্যৱহাৰৰ ফলতো নিদ্ৰাহীনতাই গা কৰি উঠিব পাৰে। বিশেষকৈ কেমোথেৰাপি, ষ্টেৰয়ড, থাইৰয়েড আদিৰ ঔষধ দীৰ্ঘদিন ব্যৱহাৰ কৰাৰ ফলত নিদ্ৰাহীনতাই গা কৰি উঠিব পাৰে।

নিদ্ৰাহীনতাৰ আন এক কাৰণ হ'ল পৰিৱেশ। যদিহে পৰিৱেশ কোলাহলপূৰ্ণ হয় তেতিয়া হ'লে প্ৰায়ভাগৰে টোপনি নাহে। কাৰণ টোপনিৰ বাবে শান্ত পৰিৱেশৰ প্ৰয়োজন। শোৱা কোঠাত তীব্ৰ পোহৰ পৰিলেও টোপনিত ব্যাঘাত জন্মে।

যিসকল লোকে 'শ্বিফটিং ডিউটি' কৰিব লাগে তেওঁলোকৰ নিদ্ৰাহীনতাই গা কৰি উঠাৰ শংকা থাকে। কাৰণ দিনত কেইদিনমান কাম কৰাৰ পাছতে কেইদিনমান আকৌ নিশাৰ ভাগত কাম কৰিবলগীয়া হোৱাত এনে ধৰণৰ সমস্যা গা কৰি উঠে।

অত্যধিক মদ্যপান বা নিচা জাতীয় দ্ৰব্য সেৱনৰ ফলতো নিদ্ৰাহীনতাই গা কৰি উঠে। তদুপৰি বেছি পৰিমাণে চাহ, কফি আদি খালেও নিদ্ৰাহীনতাৰ সৃষ্টি হয়।

দুঃস্বপ্নৰ বাবেও কেতিয়াবা কিছুমান লোকৰ টোপনি ক্ষতি হোৱা দেখা যায়।

### টোপনিৰ সময়ত

সাধাৰণতে টোপনিৰ সময়ত মানসিক কাৰ্য বন্ধ থাকে যদিও শাৰীৰিক কাৰ্য চলি থাকে। হৃদস্পন্দন তুলনামূলকভাৱে কমে যদিও শাৰীৰিক কাৰ্য বন্ধ নহয়। হাওঁফাওঁৰ কামৰ গতিও হ্ৰাস পাবলৈ ধৰে। সিৰাত তেজ জমা হ'বলৈ ধৰে। আনহাতে, বিপাকীয় ক্ৰিয়া হ্ৰাস পায়।

### টোপনি সম্পৰ্কে ভ্ৰান্ত ধাৰণা

কম সময় টোপনি গ'লেও শৰীৰৰ কোনো ক্ষতি নহয় বুলি কিছুমান লোকে ভাবে যদিও নিজৰ অজ্ঞাতেই কিন্তু ক্ষতি হৈ থাকে। টোপনি কম হ'লে দিনটো কোনো কাম কৰি থকা সময়ত টোপনি ভাব আহি থাকে। শৰীৰ, মন আৰু মস্তিষ্কত ইয়াৰ প্ৰভাৱ পৰে বাবে বিভিন্ন সমস্যাৰ সৃষ্টি হয়। নিশা বেছি সময় শুলে দিনৰ শাৰীৰিক পৰিশ্ৰমৰ বাবে বিশেষ ক্ষতি নহয় বুলি ভাবে। কিন্তু ৰাতি কিমান সময় শুইছে সেয়া ডাঙৰ কথা নহয়, গুৰুত্বপূৰ্ণ বিষয় হ'ল টোপনি কেনে হৈছে। বহুতে আকৌ এসপ্তাহ ভালদৰে টোপনি নহ'লে এদিন বা দুদিন বেছিকৈ শুলে সেয়া পূৰ হয় বুলি ভাবে।

## কেনেধৰণৰ সমস্যাৰ সৃষ্টি হয়

নিদ্ৰাহীনতাৰ বাবে বিভিন্ন ধৰণৰ জটিলতাই গা কৰি উঠিব পাৰে।

- নিদ্ৰাহীনতাৰ ফলত স্মৃতিশক্তিৰ প্ৰভাৱ পৰাৰ আশংকা থাকে। কাৰণ দীৰ্ঘদিন ধৰি নিদ্ৰাহীনতাত ভুগিলে ইয়াৰ প্ৰভাৱ স্নায়ুতন্ত্ৰত পৰাটো নিশ্চিত।
- নিদ্ৰাহীনতাৰ ফলত বদ হজমৰ সমস্যাই গা কৰি উঠে।
- নিশা ভালদৰে টোপনি নহ'লে অলসভাৱ হয়। দিনটোৰ কাম-কাজ স্বাভাৱিকভাৱে কৰিবলৈ মন নাযায়।
- মনঃসংযোগৰ অভাৱ হয়। দীৰ্ঘদিন ধৰি নিদ্ৰাহীনতাত ভুগিলে যিকোনো কাম মনোযোগেৰে কৰিব নোৱাৰি।
- নিদ্ৰাহীনতাৰ ফলত বুকুখন ধৰ-ফৰ কৰিবলৈ ধৰে।
- এনে সমস্যাৰ সৃষ্টি হ'লে উদ্বেগ বৃদ্ধি পায়।
- সকলো সময়তে বিৰক্ত হোৱা দেখা যায়। কোনো কাম কৰিবলৈ ল'লে অথবা আনে কিবা কথা ক'লেই বিৰক্তিভাৱে প্ৰকাশ কৰে।
- এনে সমস্যাৰ সৃষ্টি হোৱাৰ ফলত শৰীৰত ৰোগ প্ৰতিৰোধী ক্ষমতা হ্ৰাস পাবলৈ ধৰে। ফলত যিকোনো ৰোগে গা কৰি উঠিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে।
- বিভিন্ন ধৰণৰ ৰোগ বিশেষকৈ হৃদৰোগ, ডায়েবেটিছ, উচ্চ ৰক্তচাপ আদি বৃদ্ধি পোৱাৰ আশংকা থাকে।



জন্মৰ পাছৰে পৰাই সন্তানক আহাৰ যোগান ধৰে মাতৃয়ে। পৃথিৱীৰ সবাতোকৈ পুষ্টিকৰ আৰু অমৃততুল্য মাতৃদুগ্ধই হ'ল মানুহৰ প্ৰথম খাদ্য। জন্মৰ পাছত মাতৃদুগ্ধ পান কৰিয়েই জীয়াই থকাৰ উপাদান লাভ কৰে। যেতিয়ালৈকে আহাৰ চোবাই খাব নোৱাৰে তেতিয়ালৈকে শিশুটিয়ে মাতৃদুগ্ধৰ ওপৰতেই নিৰ্ভৰশীল। সেইবাবে শিশুটিক মাতৃদুগ্ধৰ পৰা বঞ্চিত কৰাটো অনুচিত। গৱেষকসকলৰ মতে, শিশুটিৰ ছমাহলৈ শাৰীৰিক-মানসিক বিকাশৰ বাবে যিবোৰ উপাদানৰ প্ৰয়োজন আটাইবোৰেই মাতৃদুগ্ধত উপলব্ধ।

# সন্তানৰ স্বাস্থ্য ৰক্ষাত মাতৃয়ে ল'ব পাৰে গুৰুত্বপূৰ্ণ ভূমিকা

**সন্তানৰ** স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত পিতৃ-মাতৃৰ ভূমিকা অপৰিসীম। সন্তানৰ স্বাস্থ্য ভালে ৰাখিবলৈ পিতৃ-মাতৃৰ ভিতৰত মাতৃয়ে আকৌ চিকিৎসকৰ ভূমিকা গ্ৰহণ কৰে। মাতৃক ঘৰুৱা চিকিৎসক বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। কাৰণ জন্মৰ পাছৰে পৰাই সন্তানক আহাৰ যোগান ধৰে মাতৃয়ে। পৃথিৱীৰ সবাতোকৈ পুষ্টিকৰ আৰু অমৃততুল্য মাতৃদুগ্ধই হ'ল মানুহৰ প্ৰথম খাদ্য। জন্মৰ পাছত মাতৃদুগ্ধ পান কৰিয়েই জীয়াই থকাৰ উপাদান লাভ কৰে। যেতিয়ালৈকে আহাৰ চোবাই খাব নোৱাৰে তেতিয়ালৈকে শিশুটিয়ে মাতৃদুগ্ধৰ ওপৰতেই নিৰ্ভৰশীল। সেইবাবে শিশুটিক মাতৃদুগ্ধৰ পৰা বঞ্চিত কৰাটো অনুচিত। গৱেষকসকলৰ মতে, শিশুটিৰ ছমাহলৈ শাৰীৰিক-মানসিক বিকাশৰ বাবে যিবোৰ উপাদানৰ প্ৰয়োজন আটাইবোৰেই মাতৃদুগ্ধত উপলব্ধ। আমেৰিকান একাডেমী অৱ পেডিয়েট্ৰিকছ আৰু দ্য আমেৰিকান কলেজ অৱ অৱষ্টট্ৰিচিয়ান এণ্ড গাইনোকোল'জিষ্টেও শিশুটিক ছমাহলৈকে মাতৃদুগ্ধ পান কৰোৱাৰ ওপৰত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিছে। এটি নৱজাতকে



দুই-তিনি ঘণ্টাৰ অন্তৰালত মাতৃদুগ্ধ পান কৰিব বিচাৰিব। মাতৃদুগ্ধত সৰ্বোত্তম পুষ্টি আছে। ভিটামিন, প্ৰ'টিনৰ পৰা আৰম্ভ কৰি চৰ্বিলৈকে যিখিনি শিশুটিৰ বাবে প্ৰয়োজন সিমান উপাদান উপযুক্ত পৰিমাণেই থাকে। মাতৃদুগ্ধই শিশুটিক বহুতো ৰোগৰ পৰা সুৰক্ষিত কৰে। বিশেষকৈ এলাৰ্জি, এজমা বা হাঁপানী আদিৰ পৰা সুৰক্ষিত কৰিব পৰা শক্তি আছে মাতৃদুগ্ধৰ। সন্তান প্ৰসৱৰ পাছত মাতৃদুগ্ধত থকা কলোষ্ট্ৰামে হজম প্ৰক্ৰিয়াৰ পথ মুকলি কৰা ইয়াৰ পৰৱৰ্তী আহাৰ গ্ৰহণৰ বাবে প্ৰস্তুত কৰি তোলে। সেইবাবে বিশ্ব স্বাস্থ্য সংস্থায়ে মাতৃদুগ্ধ সন্দৰ্ভত এনেদৰে উল্লেখ কৰিছে যে মাতৃদুগ্ধ পান কৰা শিশুসকলে বুদ্ধিমত্তাৰ পৰীক্ষাত উন্নত ফল প্ৰদৰ্শন কৰে। মেদবহুলতা আৰু ডায়েবেটিছৰ আশংকাও কম যদিহে নিয়মীয়াকৈ সৰুতে মাতৃদুগ্ধ পান কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাই মাতৃদুগ্ধৰ গুৰুত্ব সন্দৰ্ভত এনেদৰে মন্তব্য কৰিছে—'মাতৃদুগ্ধ শিশুৰ সৰ্বোত্তম আহাৰ। ই সুৰক্ষিত, বিশুদ্ধ আৰু এণ্টিবডি সমৃদ্ধ যিয়ে শৈশৱত হোৱা বহুতো ৰোগ প্ৰতিৰোধ কৰে।'

দ্বিতীয় পৰ্যায়টো অত্যন্ত গুৰুত্বপূৰ্ণ। কাৰণ যেতিয়াৰে পৰা শিশুটিক গোটা আহাৰ খুৱাবলৈ অভ্যাস কৰা হয় তেতিয়া খাদ্যসম্ভাৰ দৈনন্দিন খাদ্য তালিকাত অন্তৰ্ভুক্ত হওতে মাতৃয়ে সাৱধানতা অৱলম্বন কৰিব লাগিব। এই সময়ত শিশুটিক যি ধৰণৰ খাদ্য যেনেদৰে প্ৰস্তুত কৰি খুৱাবলৈ অভ্যাস কৰিব ভৱিষ্যতে এনে ধৰণৰ খাদ্যৰ ওপৰতে নিৰ্ভৰ কৰিব। মাতৃয়ে ভালদৰে জানে নিজৰ সন্তানে কেনে ধৰণৰ খাদ্য খাব বিচাৰে। পিছে এনে কিছু খাদ্য আছে শিশুৱে খাবলৈ মন নকৰে যদিও শাৰীৰিক বিকাশৰ ক্ষেত্ৰত তেনেই গুৰুত্বপূৰ্ণৰূপে বিবেচিত হয়।শিশুটোৰ ইচ্ছাৰ বিপৰীতে এনে খাদ্য কেনেদৰে প্ৰস্তুত কৰি খুওৱাৰ অভ্যাস গঢ়ি তুলিব পাৰিব সেয়া এক প্ৰত্যাহ্বান বুলিয়ে ক'ব লাগিব। বহুতো ক্ষেত্ৰত দেখা যায় যে যেতিয়া শিশুটোৱে কোনো এবিধ খাদ্য খাবলৈ মন নকৰে তেতিয়া মাতৃয়ে শিশুটোৱে ভালপোৱা খাদ্য এটিৰ স'তে মিহলি কৰি খুৱায়। যিটো বিষয় চিকিৎসকে পৰামৰ্শ আগবঢ়োৱাৰ পাছতো আখৰে আখৰে পালন কৰিবলৈ মন নকৰে সেই কাৰ্য পিছে মাতৃৰ বুদ্ধিৰ বাবেই সম্ভৱ হ'ব।

পিতৃ-মাতৃ অথবা পৰিয়ালৰ আন সদস্যৰে স'তে শিশুটিক খাবলৈ দিলে আনৰ লগত পৰি নোখোৱা খাদ্যও ভালদৰে খোৱাৰ অভ্যাস গঢ়ি উঠিব। তদুপৰি মাতৃয়ে সদায় মনত ৰখা উচিত যে শিশুটিৰ বাবে পৃথকে বিশেষ আঞ্জা প্ৰস্তুত কৰাৰ পৰিৱৰ্তে একে ধৰণৰ খাদ্য সম্ভাৰহে প্ৰস্তুত কৰা উচিত। যেতিয়া বিশেষভাৱে প্ৰস্তুত কৰা খাদ্য খুৱাই তেতিয়া মনটো অন্য ধৰণে ঢাল খায়। এনেহ'লে শিশুটিৰ বিকাশত প্ৰভাৱ পৰাৰ আশংকা থাকে। সৰুৰে পৰাই সকলো ধৰণৰ খাদ্য খুওৱাৰ অভ্যাস গঢ়ি তোলা ভাল।

প্ৰতিগৰাকী মাতৃয়ে সন্তানক সদায় মাছ, মাংস, কণী আদি খুৱাব নোৱাৰিবও পাৰে। তেতিয়া ঘৰৰ বাৰীত থকা শাক-পাচলি, ফলমূল আদিকে এনেদৰে সোৱাদকৈ ৰান্ধে যে সেয়া শৰীৰত পুষ্টি লাভৰ

# হৃদৰোগ প্ৰতিৰোধ কৰিবলৈ প্ৰয়োজন টোপনিৰ



মানুহে কিয় শোৱে? এয়া এক জটিল প্ৰশ্ন। কাৰণ কোনোবাই যদি কয় মানুহে টোপনি যায় জিৰণিৰ বাবে, আন কোনোবাই আকৌ যুক্তি দৰ্শাই এয়া এক শাৰীৰিক প্ৰক্ৰিয়া। শৰীৰৰ অংগ-প্ৰত্যংগই অনবৰতে কাৰ্য সম্পাদন কৰি থকাৰ ফলত এক নিৰ্দিষ্ট সময়ৰ পাছত এইবোৰক জিৰণিৰ প্ৰয়োজন। যিয়ে যি ধৰণৰ যুক্তি নিদিয়ক কিয় এটা কথা ঠিক যে প্ৰতিগৰাকী ব্যক্তিয়ে এক নিৰ্দিষ্ট সময়ৰ পাছত জিৰণিৰ প্ৰয়োজন। এই জিৰণিৰ সময় দীৰ্ঘ হোৱাটোৱে হ'ল টোপনিৰ ৰূপ। নিৰ্দিষ্ট সময় টোপনি যোৱাৰ পাছত শৰীৰৰ অংগ-প্ৰতংগসমূহে সতেজ ৰূপত পূৰ্বৰ দৰে কাৰ্য সম্পাদন কৰিব পাৰে। অৰ্থাৎ শৰীৰে স্বাভাৱিকভাৱে কাৰ্য সম্পাদন কৰিবলৈ উপযুক্ত খাদ্য সম্ভাৰৰ লগতে টোপনিৰো সমানেই প্ৰয়োজন। শাৰীৰিক-মানসিক অৱস্থাৰ মাজত ভাৰসাম্য ৰক্ষা কৰিবলৈ যিবোৰ উপাদানৰ প্ৰয়োজন সেইবোৰৰ ভিতৰত অন্যতম হ'ল টোপনি। এগৰাকী ব্যক্তিক সুস্থ হৈ থাকিবলৈ যিদৰে নিতৌ এক নিৰ্দিষ্ট পৰিমাণৰ খাদ্যৰ প্ৰয়োজন তেনেদৰে দিন-ৰাতিৰ ভিতৰত নিৰ্দিষ্ট সময়ত টোপনিৰো প্ৰয়োজন। কিমান সময় টোপনিৰ প্ৰয়োজন? এনে প্ৰশ্নৰো উত্তৰ সহজতে দিব নোৱাৰি। কাৰণ টোপনিৰ সময় নিৰ্ভৰ সহজতে দিব নোৱাৰি। কাৰণ টোপনিৰ সময় নিৰ্ভৰ কৰে বয়স, লিংগ, পৰিশ্ৰমৰ ধৰণ, ৰোগ আদিৰ ওপৰত। অৱশ্যে টোপনি মানে 'ভাল টোপনি'ৰ কথাকে কোৱা হৈছে। বিছনাত বাগৰি থাকিলেও যে টোপনি হোৱা বুলি ভবা হয় সেয়া যুক্তিসংগত নহয়। কিছুমান লোকৰ বিছনাত উঠাৰ লগে লগে টোপনি আহে। আন কিছুমানৰ আকৌ সোনকালে বিছনাত উঠিলেও নিশা দুপৰলৈ ছটফটাই থাকে। টোপনি বিষয়টো নিৰ্ভৰ কৰে ব্যক্তিগৰাকীৰ শাৰীৰিক-মানসিক অৱস্থাৰ ওপৰত। যদি কোনো এগৰাকী ব্যক্তি মানসিকভাৱে ভাৰাক্ৰান্ত হৈ থাকে অথবা দুশ্চিন্তাৰ মাজেদি সময় অতিবাহিত কৰিবলগীয়া হয় তেতিয়াহ'লে



তেওঁ বিছনাত বাগৰি থাকিলেও টোপনি নাহিব পাৰে। কেতিয়াবা অত্যধিক পৰিশ্ৰম কৰিলেও টোপনি পলমকৈ আহে। আনহাতে, প্ৰয়োজনতকৈ বেছি সময় টোপনি গ'লেও পৰৱৰ্তী সময়ত টোপনিত ব্যাঘাত জন্মে।

টোপনিত ব্যাঘাত জন্মি থাকিলে চিকিৎসা বিজ্ঞানৰ ভাষাত সেই অৱস্থাটোক কোৱা হয় নিদ্ৰাহীনতা বা 'ইনছমনিয়া'। সুস্থ শৰীৰৰ বাবে উপযুক্ত সময় টোপনিৰ প্ৰয়োজন যদিও কেতিয়াবা বিভিন্ন কাৰণৰ বাবে এই প্ৰক্ৰিয়াত ব্যাঘাত জন্মে। টোপনি বিষয়টো যিবোৰৰ স'তে জড়িত হৈ আছে আৰু নিদ্ৰাহীনতাৰ ফলত সৃষ্টি হোৱা সমস্যা সম্পৰ্কে ব্যাখ্যা কৰা হ'ল—

**মনঃসংযোগ বৃদ্ধি কৰে**

মনঃসংযোগ বিষয়টোৰ স'ত টোপনিৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। যিসকল লোকৰ টোপনি কম বা প্ৰয়োজনীয় সময়মতে টোপনি নহয় তেওঁলোকৰ মনঃসংযোগৰ ব্যাঘাত জন্মে। কোনো এগৰাকী ব্যক্তিয়ে যদি নিশা উজাগৰে থাকে তেতিয়াহ'লে পাছদিনা দৈনন্দিন কামসূহ স্বাভাৱিকভাৱে সম্পাদন কৰাত ব্যাঘাত জন্মে। দৰাচলতে উজাগৰে থাকিলে ইয়াৰ পৰোক্ষ প্ৰভাৱ পৰে কেন্দ্ৰীয় স্নায়ুতন্ত্ৰৰ ওপৰত। স্মৃতি, মনঃসংযোগ আদি বিষয়বোৰ কেন্দ্ৰীয় স্নায়ুতন্ত্ৰৰ দ্বাৰা পৰিচালিত হয়।

# টোপনিয়ে সঁচাকৈয়ে হৃদযন্ত্ৰক সহায় কৰেনে ?



যদিও টোপনি বা নিদ্ৰা হৃদযন্ত্ৰৰ বাবে উপকাৰী বুলি গৱেষকসকলে মন্তব্য কৰিছে তথাপি এটা কথা স্পষ্টকৈ উল্লেখ কৰিব পৰা নাই যে কেনেদৰে ইয়াক সহায় কৰে। ইয়াৰ বিপৰীতে গৱেষকল সকলে এই বুলি মন্তব্য কৰিছে যে উচ্চ প্ৰ'টিন যাক চি আৰ পি বুলি কোৱা হয় সেয়া নিদ্ৰাহীনতাৰ স'তে জড়িত। ইয়াক 'ইমফ্লেমেচন' বুলি কোৱা হয় যিটো প্ৰক্ৰিয়াৰ স'তে হৃদযন্ত্ৰৰ ৰোগৰ সম্পৰ্ক আছে। টোপনিত ব্যাঘাত জন্মাৰ লগে লগে জীৱন-যাপনৰ প্ৰক্ৰিয়াও সলনি হয়। জীৱন-যাপনত ব্যাঘাত জন্মা মানে ইয়াৰ পৰোক্ষ প্ৰভাৱ পাৰে হৃদযন্ত্ৰৰ ওপৰত। গৱেষকসকলে এই ক্ষেত্ৰত সম্পূৰ্ণ তথ্য লাভ কৰিবলৈ হ'লে আৰু কিছু অধ্যয়নৰ প্ৰয়োজন আছে বুলি একাংশ গৱেষকে মন্তব্য কৰিছে।

টোপনি কেৱল হৃদৰোগ প্ৰতিৰোধৰ বাবেই নহয় আন বহুতো শাৰীৰিক-মানসিক ৰোগৰ পৰা হাত সাৰিবলৈ খুবেই প্ৰয়োজন। নিশা টোপনিত ব্যাঘাত জন্মাৰ লগে লগে পুৱা বিছনা ত্যাগ কৰোতেও পলম হয়। ফলত পুৱাৰ আহাৰ গ্ৰহণৰ পৰা আৰম্ভ কৰি সকলোবোৰ কামেই সময়মতে নহয়। তদুপৰি সদায় নিশা টোপনিত ব্যাঘাত জন্মিলে ৰক্তচাপ বৃদ্ধিৰো আশংকা থাকে। ৰক্তচাপ বৃদ্ধি মানে পৰোক্ষভাৱে হৃদযন্ত্ৰৰ ওপৰত প্ৰভাৱ পৰাটো নিশ্চিত। বিশেষকৈ হাৰ্টএটেক আদিৰ শংকা বৃদ্ধি কৰে। তদুপৰি ডায়েবেটিছত আক্ৰান্তসকলে টোপনি ক্ষতি কৰিলে শৰ্কৰা আদি বৃদ্ধিৰ আশংকা থাকে। শৰ্কৰাৰ পৰিমাণ বৃদ্ধি পোৱা মানে সময় যোৱাৰ লগে লগে ইয়াৰ প্ৰভাৱে হৃদযন্ত্ৰৰ ওপৰতো পৰিবলৈ ধৰে।

### মেন'পজৰ পাছত হৃদৰোগৰ আশংকা বৃদ্ধি কিয়

প্ৰকৃতিগত নিয়মৰ মাজেদিয়ে এক নিৰ্দিষ্ট বয়সৰ পাছত আৰম্ভ হয় মাহেকীয়া বন্ধ হোৱা প্ৰক্ৰিয়া বা মেন'পজ। এই অৱস্থাৰ সময়ত মহিলাৰ শাৰীৰিক পৰিৱৰ্তন হয়। কিয়নো মেন'পজ সময় মানেই শৰীৰত কিছুমান বিশেষ হৰম'নৰ উনৈশ-বিশ। অৰ্থাৎ এনে ধৰণৰ হৰম'নৰ কোনো এবিধ বৃদ্ধি পায় যদিও আন এবিধৰ নিঃসৰণ আকৌ হ্ৰাস পাবলৈ ধৰে। সাধাৰণতে মেন'পজৰ পাছত ইষ্ট্ৰোজেন হৰম'নৰ নিঃসৰিত কম পৰিমাণে হয়। ডিম্বাশয়ৰ পৰা নিঃসৰিত এইবিধ হৰম'নে হৃদৰোগ প্ৰতিৰোধ কৰাত সহায় কৰে। তদুপি ইষ্ট্ৰোজেনে গোনাডোট্ৰ' পিন নিঃসৰণত বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা যায়। ইষ্ট্ৰোজন হ'ল 'ছেক্স হৰম'নৰ অন্তৰ্ভুক্ত হৰম'ন যিয়ে মহিলাৰ উৰ্বৰা প্ৰক্ৰিয়াৰ বিকাশ বা গতিশীল কৰাৰ লগতে নিয়মীয়া কৰে। ইয়ে স্তনৰ আকাৰ বৃদ্ধিৰ ক্ষেত্ৰতো সহায়ক। যোনীৰ বেৰৰ ঘনত্ব আৰু তেলজাতীয় পদাৰ্থ সতেজ কৰি ৰখাত সহায় কৰে। প্ৰতিগৰাকী মহিলাৰ ক্ষেত্ৰত ইয়াৰ পৰিমাণ সমানে নাথাকে। কিছুমানৰ শৰীৰত বেছি আৰু কিছুমানৰ কম থাকে। যিসকল মহিলাই দীৰ্ঘদিন ধৰি ধূমপান কৰে তেওঁলোকৰ শৰীৰত এইবিধ হৰম'নৰ নিঃসৰণৰ পৰিমাণ হ্ৰাস পাব পাৰে। আনহাতে, ডায়েবেটিছত আক্ৰান্ত মহিলাৰো ইষ্ট্ৰোজেনৰ পৰিমাণ হ্ৰাস পায়। সেয়েহে মেন'পেজৰ পাছত মহিলাৰ হৃদৰোগ হোৱাৰ আশংকা থাকে। হাৰ্টএটেক, হাৰ্টফেইলৰৰ পৰা আৰম্ভ কৰি আন সমস্যায়ো গা কৰি উঠিব পাৰে। সেই বাবে মহিলাসকলে এনে সমস্যা বা ৰোগৰ পৰা পৰিত্ৰাণ পাবলৈ সৰুৰে পৰাই সতৰ্কতা অৱলম্বন কৰা উচিত। শৈশৱৰ পৰাই সুষম পুষ্টিকৰ খাদ্য খোৱাৰ অভ্যাস গঢ়ি তুলিব লাগে। বিশেষকৈ বয়স বৃদ্ধিৰ লগে লগে যাতে হৰম'নৰ পৰিমাণ হঠাতে হ্ৰাস নাপায় তাৰ বাবে পুষ্টিকৰ আহাৰৰ তালিকা প্ৰস্তুত কৰা উচিত। ইষ্ট্ৰোজেনে ৰক্তবাহী নলীৰ ভিতৰভাগৰ বেৰৰ তৰপ সঠিক কৰি ৰখাত সহায় কৰে। তদুপৰি ৰক্তবাহী নলীসমূহ শিথিল কৰি ৰখাতো ইতিবাচক ভূমিকা গ্ৰহণ কৰে বুলি গৱেষকসকলে মন্তব্য কৰিছে। আমেৰিকা হাৰ্ট এছ'চিয়েচনৰ গৱেষকসকলে হৃদৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত এইবিধ হৰম'নৰ ইতিবাচক ভূমিকা থকা বুলি কিছু তথ্য লাভ কৰিছে।

# ১২ জন শিক্ষকৰ বিপৰীতে তিনি পৰীক্ষাৰ্থী

## ■ প্ৰতিবছৰে দৰমহা-আন্তঃগাঁথনি উন্নয়নৰ নামত চৰকাৰৰ ব্যয় হয় ৮৭ লাখ টকা
## ■ ফলাফল শূন্য তিতাবৰৰ আমগুৰিখাট উচ্চ মাধ্যমিক বিদ্যালয়ৰ



**তিতাবৰ, ১১ জুন ঃ** চৰকাৰী ব্যৱস্থাৰে পৰিচালিত ৰাজহুৱা খণ্ডৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষাৰ ফলাফল আশাব্যঞ্জক নোহোৱাৰ প্ৰথম আৰু প্ৰধান কাৰক হিচাপে বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰী আৰু পাঠ্যপুথিৰ বিষয় অনুপাতে প্ৰয়োজনীয় শিক্ষকৰ অভাৱ বুলি গুৰুতৰ অভিযোগ উত্থাপিত হয়। ৰাজহুৱা শিক্ষাখণ্ডৰ চৰম দুৰৱস্থাক অচিলাৰূপে লৈ বিদ্বৎ সকলে চৰকাৰী শিক্ষা ব্যৱস্থাৰ সমালোচনাত মুখৰ হৈ থকাৰ সময়তে তিতাবৰৰ এখন বিদ্যালয়ে সমালোচকসকলক দুগুণ উৎসাহ আৰু প্ৰেৰণা যোগাইছে। সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা হোৱাৰ পাছতেই তিতাবৰৰ আমগুৰিখাট উচ্চ মাধ্যমিক বিদ্যালয়ৰ ফলাফলে ৰাজহুৱা খণ্ডৰ শিক্ষাব্যৱস্থাটোৰ দুৰ্দশাৰ ছবিখন বৰ দুখজনক আৰু লজ্জাজনকভাৱে উদঙাই দিছে। ১৯৮৩তে স্থাপিত বিদ্যালয়খনৰ পৰা এইবৰ্ষত মাত্ৰ তিনিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও এগৰাকীয়েও সফলতাৰ মুখ নেদেখিলে। গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাৰ প্ৰতি ধাউতি কম হোৱাৰ বাবে থকা অভিযোগকে সত্য বুলি মানি ল'লে তিনিগৰাকী ছাত্ৰ-ছাত্ৰী অনুত্তীৰ্ণ হোৱাতো কোনো কাৰণতে মানি ল'ব নোৱাৰি। কিন্তু পৰিতাপৰ বিষয় যে বিদ্যালয়খনৰ দশম শ্ৰেণীত অধ্যয়নৰত চাৰিগৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে বিদ্যালয়খনত শিক্ষকৰ সংখ্যা সৰ্বমুঠ ১২ গৰাকী। বিদ্যালয়ৰ প্ৰধানগৰাকীয়ে প্ৰকাশ কৰামতে চাৰিগৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত এজন ছাত্ৰই পৰীক্ষাৰ বাবে আবেদন পত্ৰ পূৰণ নকৰিলে। বিদ্যালয়খনত কৰ্মৰত কৰ্মচাৰীসকলৰ দৰমহা আৰু বিদ্যালয় আন্তঃগাঁথনি উন্নয়নৰ বাবদ ৰাজ্য চৰকাৰে প্ৰতিবছৰে ৮৭ লাখ টকা ব্যয় কৰি অহাৰ পাছতো নেতিবাচক ফলাফলত সকলো উদ্বিগ্ন হৈ পৰিছে। আনহাতে, বিদ্যালয়সমূহৰ শিক্ষাব্যৱস্থা আৰু শৈক্ষিক প্ৰণালী তদাৰক আৰু নীতি নিৰ্দেশনাৰ বাবে বিদ্যালয়সমূহৰ এগৰাকী পৰিদৰ্শক আছে যদিও আজিলৈকে পৰিদৰ্শকগৰাকীৰ চেহেৰাও

১৩ পৃষ্ঠাত চাওক

# টেঙাখাতত আট্ছাৰ উদ্যোগত ছহিদ দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ১১ জুন ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা (আট্ছা)ৰ টেঙাখাত শাখাৰ উদ্যোগত আৰু অসম চাহ জনজাতি মহিলা সমিতি (আটুৱা)ৰ টেঙাখাত শাখাৰ সহযোগত যোৱা আঠ জুনত টেঙাখাত লেংৰাই চাহ বাগিচাৰ ৰাজহুৱা কৰম ভৱনত দিনজোৰা কাৰ্যসূচীৰে ছহিদ দিৱস পালন কৰা হয়। পুৱা পতাকা উত্তোলন কৰে আট্ছাৰ টেঙাখাত শাখাৰ সভাপতি তিলক খালখই। ছহিদ বেদীত বন্তি প্ৰজ্বলন কৰি ছহিদসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ছহিদ তৰ্পণ কাৰ্যসূচী মুকলি কৰে শাখাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ৰবাট ভূঞাই। বৃক্ষৰোপণ কাৰ্যসূচী মুকলি কৰে লেংৰাই চাহ বাগিচাৰ মুখ্য পৰিচালক দিবাকৰ থাপলিয়ালে। টেঙাখাত শাখাৰ সভাপতি তিলক খালখায়ে সভাপতিত্ব কৰা স্মৃতিচাৰণ সভাত স্থানীয় বিধায়ক তেৰছ গোৱালা, আট্ছাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সভাপতি ৰাজেন কুমাৰ, কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য প্ৰমোদ বাৰ্মা, জগনাথ ওৰাও, মহাদেউ ৰাগ, বাবুল বাঘোৱাৰ, দীপক পাতৰ, অনিল কাঁৱাৰ আটুৱাৰ জিলা সমিতিৰ মেঘা বাগ, মীৰা খলখা, প্ৰাক্তন আটুৱা শৰ্মীলা তুৰী বিশেষভাৱে উপস্থিত থাকি ছহিদসকল ত্যাগ, জাতিটোৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ছহিদসকলৰ আদৰ্শৰ ওপৰত বক্তব্য ৰাখে। সন্ধিয়ালৈ ছহিদসকলৰ স্মৃতিত বন্তি প্ৰজ্বলন কাৰ্যসূচী গ্ৰহণ কৰা হয়।

# কৃষি খণ্ডৰ আমূল পৰিৱৰ্তন নহ'লে অসমৰ প্ৰকৃত উন্নয়ন অসম্ভৱ ঃ গগৈ

অগ্ৰদূত বাৰ্তা

**কলাইগাঁও, ১১ জুন ঃ** 'আদানী, আম্বানী লেখিয়া কোনো পুঁজিপতিক আমন্ত্ৰণ কৰি আনি আৰু তেওঁলোকৰ দ্বাৰা ধন বিনিয়োগৰ জৰিয়তে অসমত উদ্যোগ স্থাপন কৰি নিবনুৱা যুৱক যুৱতীক সংস্থাপন দিলেই অসমৰ সৰ্বাংগীণ উন্নতি কিম্বা প্ৰকৃত উন্নয়ন নহয়। অসমৰ প্ৰকৃত উন্নয়ন কৰিব লাগিলে কৃষিখণ্ডৰ আমূল পৰিৱৰ্তন কৰিবই লাগিব। ৭৫ শতাংশ কৃষিজীৱী লোক বাস কৰা অসমত যদি কৃষিখণ্ডৰ আমূল পৰিৱৰ্তন নহয় তেনেহ'লে অসমৰ প্ৰকৃত উন্নয়ন অসম্ভৱ। কৃষিকাৰ্যৰ আওপুৰণি সঁজুলি, কৃষিকাৰ্যত পেছাদাৰী চিন্তাৰ বিপৰীতে সামন্তীয় চিন্তা আৰু ব্যৱহাৰিকভাৱে সফল হোৱাকৈ চৰকাৰে কৃষি উদ্যোগ স্থাপন কৰাত বিফল হোৱাৰ বাবে কালি অসমৰ কৃষিখণ্ডৰ প্ৰকৃত উন্নয়ন সম্ভৱ হোৱা নাই।' কালি ৰাইজৰ দল, ওদালগুৰি জিলা সমিতি আৰু কলাইগাঁও সমষ্টি সমিতিৰ উদ্যোগত দৰঙৰ লক্ষীমপুৰ আঞ্চলিক মীন মহল সমিতিৰ প্ৰেক্ষাগৃহত আয়োজিত কৰ্মী সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি এইদৰে কয় ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। ভাষণ প্ৰসংগত তেওঁ কেন্দ্ৰীয় চৰকাৰৰ নীতিক কঠোৰ সমালোচনা কৰি কয় কেন্দ্ৰীয় চৰকাৰে অসমৰ পূৰ্বৰ বিশেষ ৰাজ্যৰ মৰ্যাদা কৰ্তন কৰাৰ লগতে জিএছ টি প্ৰৱৰ্তনৰ জৰিয়তে এক কৰ ব্যৱস্থা কৰাৰ ফলত কালি ৰাজ্য চৰকাৰে পোনপোটীয়াকৈ সংগ্ৰহ কৰিব লগীয়া কৰৰ পৰা বঞ্চিত হোৱাৰ পৰিপ্ৰেক্ষিতত অসমৰ অৱস্থা দেউলীয়া হৈ পৰিছে। চৰকাৰৰ এনে হঠকাৰী নীতিৰ কাৰণে ভাৰতৰ প্ৰথম পাঁচখন ৰাজ্যৰ স্থানত অসমকো প্ৰতিষ্ঠা কৰাৰ কথা কোৱা হৈছে যদিও

১৩ পৃষ্ঠাত চাওক

# মহুৰামুখৰ সুদক্ষিণালৈ কমলেশ্বৰ বড়ি সোঁৱৰণী শৈক্ষিক বঁটা



অগ্ৰদূত বাৰ্তা

**খুমটাই, ১১ জুন ঃ** গোলাঘাট জিলাৰ মহুৰামুখৰ নিবাসী অনুপম হাজৰিকা আৰু নিভাজ্যোতি হাজৰিকাৰ কন্যা সুদক্ষিণা হাজৰিকালৈ ২০২২ৰ কমলেশ্বৰ বড়ি সোঁৱৰণী শৈক্ষিক বঁটা। সুদক্ষিণাই সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত মহুৰামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱতীৰ্ণ হৈ অসমীয়াত ৮৭, ইংৰাজীত ৯৪, সাধাৰণ গণিতত ৯১, সাধাৰণ বিজ্ঞানত ৯২, সমাজ বিজ্ঞানত ৭৪ আৰু হিন্দী বিষয়ত ৯১ নম্বৰসহ ডিষ্টিংছন লৈ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। উল্লেখ্য যে বিগতবৰ্ষৰ দৰে এই বৰ্ষও মহুৰামুখ হাইস্কুল পৰীক্ষা কেন্দ্ৰ ভিতৰত সৰ্বাধিক নম্বৰ পোৱা পৰীক্ষাৰ্থীগৰাকীক বিশিষ্ট লেখক, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুৰেন বড়িয়ে তেওঁৰ পিতৃৰ স্মৃতিত কমলেশ্বৰ বড়ি সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদানৰ বাবে নাম নিৰ্বাচন কৰিছে। এই বঁটাৰে স'তে থাকিব অভিনন্দন পত্ৰ, স্মাৰক আৰু কিতাপৰ টোপোলা। মহুৰামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হ'ব লগা এখন শৈক্ষিক বঁটা প্ৰদান অনুষ্ঠানত ছাত্ৰীগৰাকীক এই বঁটা প্ৰদান কৰা হ'ব বুলি সদৰী কৰিছে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকজনে।



ঘগ্ৰাপাৰত হাইস্কুলৰ নৱাগত আদৰণি সভাত অংশগ্ৰহণ কৰা শিক্ষাৰ্থী, শনিবাৰে।

# তিতাবৰৰ সাপ্তাহিক বজাৰত মহিলা বজাৰৰ আৰম্ভণি

**তিতাবৰ, ১১ জুন ঃ** মহিলাসকলৰ অৰ্থনৈতিক আৰু সামাজিক সৱলীকৰণৰ উদ্দেশ্য আগত ৰাখি তিতাবৰ পৌৰসভা অঞ্চলৰ সাপ্তাহিক বজাৰত এখন নতুন মহিলা বজাৰ আৰম্ভণি কৰা হয়। ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ সদস্যা বন্তি শইকীয়াৰ উদ্যোগত কে'বাগৰাকীও উদ্যোগী মহিলাৰ প্ৰচেষ্টাত তিতাবৰ পৌৰসভাত পোন প্ৰথম বাৰৰ বাবে কালি মহিলা বজাৰখনৰ নাৰিকল ভাঙি আৰম্ভণি কৰে তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই। তিতাবৰৰ প্ৰাক্তন বিধায়ক হেমন্ত কলিতাই বজাৰ গৃহৰ ফিটাকাটি মহিলা ব্যৱসায়ীসকলৰ বজাৰ ব্যৱস্থাপনাৰ আনুষ্ঠানিক আৰম্ভ কৰে। এই উদ্দেশ্যৰে বজাৰ গৃহৰ চৌহদতে আয়োজিত চমু উদ্বোধনী অনুষ্ঠানত



১৩ পৃষ্ঠাত চাওক

# অগপৰ বিশ্বনাথ বিধানসভা পৰিষদৰ সাংগঠনিক সভা

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১১ জুন ঃ** কালি অসম গণ পৰিষদৰ বিশ্বনাথ বিধানসভা পৰিষদৰ অন্তৰ্গত বিশ্বনাথ নগৰস্থিত কাৰ্যালয়ত অনুষ্ঠিত হ'ল সাংগঠনিক সভা। উক্ত সাংগঠনিক সভাত পৰ্যবেক্ষক হিচাপে অংশ গ্ৰহণ কৰে প্ৰাক্তন মন্ত্ৰী তথা প্ৰাক্তন সাংসদ কুমাৰ দীপক দাস আৰু কমলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতাই। উক্ত সাংগঠনিক সভাত পৰ্যবেক্ষক দুগৰাকীয়ে নিজ ভাষণ প্ৰসংগত দলটোৰ সাংগঠনিক দিশ শক্তিশালী কৰাৰ বাবে দলীয় নেতা-কৰ্মীসকলক বিভিন্ন পৰামৰ্শ প্ৰদান কৰি নেতা-কৰ্মীসকলক দলৰ হৈ প্ৰতিদিনে দুই ঘণ্টাকৈ সময় দিবলৈ আহ্বান জনায়। দলৰ বিভিন্ন ভ্ৰাতৃ-ভগ্নী সংগঠনবোৰৰ দায়িত্বত থকা নেতা-কৰ্মীসকলক জনসাধাৰণৰ লগত সম্পৰ্ক স্থাপন কৰি দলত নতুন নেতা-কৰ্মী আনিবলৈ চেষ্টা চলাবলৈ পৰামৰ্শ প্ৰদান কৰে। উক্ত সাংগঠনিক সভাৰ আঁত ধৰে শান্তিৰাম কাৰ্কীয়ে। উক্ত সভাত সভাপতিত্ব কৰে অগপ বিশ্বনাথ বিধানসভা পৰিষদৰ সভাপতি মদন গোহাঁয়ে। এই সভাত সাংগঠনিক দিশৰ ওপৰত নিজৰ ৰসাল ভাষণ প্ৰদান কৰি প্ৰাক্তন মন্ত্ৰী তথা প্ৰাক্তন বিধায়ক প্ৰবীণ হাজৰিকাই আগন্তুক পঞ্চায়ত নিৰ্বাচনত মিত্ৰজোঁটত থাকি নিজাববীয়াকৈ যুঁজ দিবও লাগিব বুলি উল্লেখ কৰে। আনহাতে, দলটোত দলীয় পুঁজি সংগ্ৰহৰ জৰিয়তে গাঁৱে গাঁৱে নেতা-কৰ্মীসকলে জনসম্পৰ্ক গঢ়ি তুলিবলৈও আহ্বান জনাই নতুনকৈ সদস্য ভৰ্তিকৰণ, নবীকৰণ আৰু দলীয় শক্তি বৃদ্ধি কৰি সাংগঠনিক শক্তি বৃদ্ধি কৰিবলৈ আহ্বান জনাই প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক প্ৰবীণ হাজৰিকাই।

# খাদ্য আন্দোলনত নিহত ছহিদক স্মৰণ বামুন্দী ছাত্ৰ সন্থাৰ

অগ্ৰদূত বাৰ্তা

**হাজো, ১১ জুন ঃ** ১৯৭৪ত অসমত চলি থকা আৰ্থিক দুৰৱস্থা আৰু খাদ্য সংকটৰ ফলত সমগ্ৰ অসমতে এটা দুৰ্ভিক্ষৰ জীৱন কটাবলগীয়া পৰিবেশৰ সৃষ্টি হৈছিল। সেই সময়ৰ কংগ্ৰেছ চৰকাৰৰ কিছুমান অদূৰদৰ্শিতাৰ বাবে গোটেই অসমে খাদ্য সংকটত ভুগিব লগীয়া হৈছিল। আৰু তেতিয়াই সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত সমগ্ৰ অসমতে এক আন্দোলনৰ সৃষ্টি হৈছিল। যাক আমি খাদ্য আন্দোলন বুলি কও। আৰু এই আন্দোলনত সমগ্ৰ অসমৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিবাদ কৰি থকা সময়ছোৱাতে মৰিগাঁও জিলাৰ ঔগুৰি উচ্চ ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ গজেন ইংতি আৰু পুতুল শইকীয়াক আৰক্ষীয়ে গুলীয়াই হত্যা কৰিছিল। আৰু এই দুই ছহিদৰ স্মৃতিত তেতিয়াৰ পৰাই সদৌ অসম ছাত্ৰ সন্থাই ছাত্ৰ সমাজক ঐক্যবদ্ধভাৱে আগুৱাই নিয়াৰ স্বাৰ্থত ১০ জুন তাৰিখটো 'ছাত্ৰ সংহতি' দিৱস হিচাপে পালন কৰি আহিছে। আৰু কালি পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাই বামুন্দী শাখা ছাত্ৰ সন্থাৰ সহযোগত বামুন্দী হাইস্কুলৰ ছহিদ বেদী প্ৰাংগণত, খাদ্য আন্দোলনত নিহত হোৱা দুয়োগৰাকী ছহিদক স্মৰণ কৰি, শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বন্তি প্ৰজ্বলন কৰে। আজিৰ এই কাৰ্যসূচীত উপস্থিত হৈ সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতাই খাদ্য আন্দোলনত নিহত হোৱা দুয়োগৰাকী ছহিদক স্মৰণ কৰি, ছাত্ৰ সকলৰ ত্যাগ আৰু জাতীয় চেতনাই অসমীয়া জাতীয় জীৱনক সমৃদ্ধ কৰি সাম্প্ৰতিক সময়ত ছাত্ৰ সংহতি

১৩ পৃষ্ঠাত চাওক

# কৃতিত্বৰে উত্তীৰ্ণ হৈয়ো চিন্তিত ভালাগুৰিৰ দুখীয়া মেধাৱী শিক্ষাৰ্থী

বিশেষ সংবাদদাতা

**পাঠশালা, ১১ জুন ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যখনৰ বহু দুখীয়া পৰিয়ালৰ মেধাৱী শিক্ষাৰ্থীয়ে কৃতিত্বৰে উত্তীৰ্ণ হৈয়ো চিন্তিত হৈছে ভৱিষ্যতক লৈ। তেনেধৰণৰ দুগৰাকী অতি দুখীয়া পৰিয়ালৰ মেধাৱী শিক্ষাৰ্থী হৈছে ভৱানীপুৰ বিধানসভা সমষ্টিৰ দক্ষিণ ভালাগুৰি গাঁৱৰ বাসিন্দা সনাৰাম দাস আৰু নিৰুপমা দাসৰ পুত্ৰ ৰামনাথ দাস আৰু পল্লা বজাৰ গাঁৱৰ বাসিন্দা সুজিৎ চক্ৰৱৰ্তী আৰু কল্পনা চক্ৰৱৰ্তীৰ পুত্ৰ শুভম চক্ৰৱৰ্তী। উল্লেখ্য যে ভালাগুৰি হাইস্কুলত অধ্যয়ন কৰা দুই শিক্ষাৰ্থী ক্ৰমে - ৰামনাথ দাসে এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত তিনিটা বিষয়ত লেটাৰ নম্বৰসহ ষ্টাৰ পাইছে আৰু শুভম চক্ৰৱৰ্তীয়ে আটাইকেইটা বিষয়ত লেটাৰ নম্বৰসহ ডিষ্টিংছন স্থান লাভ কৰিছে। ৭৭ শতাংশ নম্বৰ পোৱা ৰামনাথ দাসে সাধাৰণ গণিতত ৮৫, সমাজ বিজ্ঞানত ৮৫, সংস্কৃতত ৮২, অসমীয়া মাতৃভাষাত ৭৫, ইংৰাজীত ৭০ আৰু সাধাৰণ বিজ্ঞানত ৬৫ নম্বৰ লাভ কৰিছে। এটা অতি জৰাজীৰ্ণ গৃহৰ একেটা কোঠাতেই পিতৃ-মাতৃৰ লগতে এগৰাকী নাবালিকা ভগ্নীৰ স'তে শোৱে, অধ্যয়ন কৰে ৰামনাথে। কোঠাটোতেই আছে ৰান্ধনীশাল। এখন বাঁহৰ চাঙত অৰ্থাৎ বাহেৰে তৈয়াৰী বিছনাত শোৱা ৰামনাথহঁতৰ পৰিয়ালত নাই এখন চাইকেল,নাই এটা ম'বাইল ফোন। ফলত কভিড'ৰ সময়ত ৰামনাথে বঞ্চিত হৈছিল অনলাইন শিক্ষা গ্ৰহণৰ পৰাও। ধনৰ অভাৱত কোনো এটা বিষয়ত টিউচন ল'বলৈ সক্ষম নহ'ল ৰামনাথে। পিতৃয়ে দিন হাজিৰা কৰে যদিও প্ৰতিদিনে নাপায় কাম। ফলশ্ৰুতিত ৰামনাথৰ ন্যূনতম পঢ়া-শুনা কৰা খৰচৰ বাবে ধাৰ লোৱা টকা আজিও পৰিশোধ কৰিব পৰা নাই। দক্ষিণ ভালাগুৰি গাঁৱৰ ৰামনাথৰ ঘৰৰ পৰা পাঁচ কিলোমিটাৰ

১৩ পৃষ্ঠাত চাওক

# তামুলপুৰৰ জামুগুৰিত বায়খ' পূজাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১১ জুন ঃ** বায়খ' হুৰি,অসমৰ উত্তৰ-পশ্চিম তামুলপুৰ শাখা সমিতিৰ উদ্যোগত অহা ১৪ জুনত তামুলপুৰ জিলাৰ ভেৰাখাটত দিনজোৰা কাৰ্যসূচীৰে পঞ্চম বাৰ্ষিক বয়খো পূজাৰ আয়োজন কৰা হৈছে। বায়খ' পূজা উদ্‌যাপন সমিতিৰ উপদেষ্টা পূৰ্ণ সিং ৰাভাই জনোৱা মতে, সেইদিনা পুৱা সাত বজাত পূজাৰ আৰম্ভৰে কাৰ্যসূচী আৰম্ভ হ'ব। ৭-৩০ বজাত ধৰ্মীয় পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি লভিৰাম ৰাভাই। আঠ বজাত গছপুলি ৰোপণ কৰিব বিটিআৰৰ মনোনীত সদস্য হেমন্ত কুমাৰ ৰাভা, টিচিএলচিচিৰ অধ্যক্ষ ফণীন্দ্ৰ নাৰ্জাৰী, তামুলপুৰ জিলা ইউপিপিএলৰ সম্পাদক মহেন্দ্ৰ ৰাভা, সমাজকৰ্মী বলেন ৰাভা, ৰমেন ৰাভা, উদযাপন সমিতিৰ স্থায়ী সভাপতি বীৰেণ ৰাভা, মঙ্গল ৰাভা, বিচিত্ৰ ৰাভা, মহেশ্বৰ ৰাভাকে ধৰি একাংশ সমাজকৰ্মীয়ে। ১০ বজাত মাধৱ চন্দ্ৰ ৰাভাৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা ধৰ্মীয় আলোচনা চক্ৰ উদ্বোধন কৰিব অবিভক্ত বাগ্‌সা জিলা ৰাভা সাহিত্য সভাৰ সভাপতি সুৰেন ৰাভাই। বিয়লি তিনি বজাত ৰাভা কৃষ্টি প্ৰদৰ্শন উদ্বোধন কৰিব ২৬ নম্বৰ দৰঙ্গাজুলি

১৩ পৃষ্ঠাত চাওক

## উচ্চ গণিতত লাভ কৰিলে এশৰ ভিতৰত এশ নম্বৰ

# পকা মিস্ত্ৰিৰ যোগালি কৰিও মেট্ৰিক পৰীক্ষাত উজলিল সুজয় ৰায়

অগ্ৰদূত বাৰ্তা

**টংলা, ১১ জুন ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত আৰ্থিক দৈন্যকো নেওচি পানেৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত পূব বৰটংলাৰ মধুসূদন ৰায় আৰু ৰীণা ৰায়ৰ সুপত্ৰ সুজয় ৰায়ে ষ্টাৰ নম্বৰ লাভ কৰি প্ৰথম বিভাগত কৃতিত্বৰে উত্তীৰ্ণ হোৱা বাবে অধ্যয়ন কৰা বিদ্যালয়ৰ শিক্ষাগুৰু মণ্ডলী আৰু গাঁওবাসী উৎফুল্লিত হৈ পৰিছে। পঢ়িবলৈ এখন টেবুল নোহোৱা বিছনাখনকে টেবুল হিচাপে লৈ নানা ধৰণৰ অসুবিধাৰ সন্মুখীন হোৱা মেধাৱী ছাত্ৰগৰাকীয়ে ঘৰখনক আৰ্থিক সকাহ দিবলৈ আৰু নিজৰ প্ৰয়োজনীয় বস্তু কিনিবলৈ পকী মিস্ত্ৰীৰ যোগালি হিচাপেও কাম কৰি সুন্দৰ নিদৰ্শন দেখুৱাইছে। পিতৃ ৰং মিস্ত্ৰী মধুসূধন ৰায় আৰু মাতৃ গৃহিণী ৰীণা ৰায়ে উচ্চ শিক্ষাৰ অৰ্থে ল'ৰাটোৰ বাবে কোনো সদাশয় ব্যক্তি তথা অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীকো আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ বিনম্ৰ অনুৰোধ জনাইছে। কুকুৰাকাটাস্থিত নবোদয় জাতীয় বিদ্যালয়ৰ অধ্যক্ষ কিৰণ ডেকাই জানিবলৈ দিয়া মতে ছাত্ৰ সুজন ৰায় সৰুৰে পৰাই অত্যন্ত মেধাৱী আছিল। কিন্তু ঘৰখন আৰ্থিকভাৱে স্বচ্ছল নহয় বাবে পৰিয়ালটো আগবাঢ়িব পৰা নাই। সুজনৰ বাইদেউক আৰু ককায়েকো পঢ়া-শুনাত চোকা আছিল। সাংবাদিকৰ আগত জানিবলৈ দিয়া মতে তেওঁ স্থানীয় নাম কৰা কলেজত বাণিজ্য বিভাগত নামভৰ্তি কৰিব। কাম কৰিবলৈ লাজ নকৰা কামৰ সৰু-বৰ নাই বুলি জানিব দিয়া উচ্চ গণিতত



১৩ পৃষ্ঠাত চাওক

# গোৱালপাৰাত ফফঙা সত্ৰৰ সত্ৰাধিকাৰ প্ৰয়াত জ্যোতিষ পাঠকৰ শ্ৰদ্ধাঞ্জলি

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১১ জুনঃ** গোৱালপাৰা চহৰৰ বামুণপাৰাস্থিত শ্ৰীশ্ৰীনয়াবন্তি সত্ৰ পৰিচালনা সমিতিৰ উদ্যোগত অলপতে মৃত্যু হোৱা ফফঙা সত্ৰৰ সত্ৰাধিকাৰ জ্যোতিষ পাঠকৰ এখনি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত প্ৰয়াত সত্ৰাধিকাৰ জ্যোতিষ পাঠকৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অনুষ্ঠানত শ্ৰীশ্ৰীনয়াবন্তি সত্ৰ পৰিচালনা সমিতিৰ সভাপতি বীৰেন্দ্ৰ কুমাৰ ওজাই কয় যে যোৱা ২৬ মে'ত ফফঙা সত্ৰৰ সত্ৰাধিকাৰৰ বিয়োগত আমি গোৱালপাৰা চহৰ তথা সত্ৰ সমাজে মৰ্মাহত হৈছো। কিয়নো তেওঁ ফফঙা সত্ৰৰ লগতে শ্ৰীশ্ৰীনয়াবন্তি সত্ৰৰো সত্ৰাধিকাৰৰ দায়িত্বত থাকি নাম প্ৰসংগ, সত্ৰীয়া নীতি-নিয়ম আদিৰ বিষয়ে সত্ৰৰ ভকত, বাপ, বন্ধৰ আৰু আইসকলক সদায় দিহা-পৰামৰ্শ দি আহিছিল। তেওঁ বৰপেটা সত্ৰৰ স্বীকৃতিপ্ৰাপ্ত শৰণাচাৰ্য আছিল। সত্ৰাধিকাৰ হিচাপে গোৱালপাৰা জিলাৰ বহুতকে শৰণ দিছে। বৰগীত, ভাওনা, ভাগৱত পাঠ ব্যাখ্যা কৰা, প্ৰসংগ নাম, থিয়নাম শিকোৱাৰ লগতে বিভিন্ন গাঁৱে-চহৰে পালনাম পৰিচালনা কৰা আদি ধৰ্মীয় তথা সাংস্কৃতিক কামবোৰ সুকলমে তেওঁ কৰিছিল। সেয়ে যোৱা ৩১ মে'ত শ্ৰীশ্ৰীনয়াবন্তি সত্ৰৰ নাট্য মন্দিৰত এখনি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰি এই ধৰ্মপ্ৰাণ ব্যক্তিজনৰ আত্মাৰ চিৰশান্তি আৰু সদগতিৰ অৰ্থে সত্ৰীয়া নীতি-নিয়মেৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয়। লগতে প্ৰস্তাৱ গ্ৰহণ কৰি ইয়াৰ প্ৰতিলিপি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# সাহিত্য হৈছে জীৱনৰ সম্পদ

## ■ বেলশৰত প্ৰবীণ সাংবাদিক যাদৱ সেন ডেকাৰ স্মৃতিচাৰণ সভা

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১১ জুন ঃ** মৃত্যুটো আমি দুখৰ কাজ বুলি নধৰি মংগলসূচক হিচাপে ধৰিব লাগিব। কাৰণ বিশিষ্ট সাহিত্যিক, সাংবাদিক, শিক্ষাবিদ, নাট্যকৰ্মী, সমাজকৰ্মী যাদৱ সেন ডেকাৰ আজি মৃত্যু হোৱা নাই। তেওঁ পৰম পৰমাত্মাৰ প্ৰাপ্ত হৈছে। ভগৱান শ্ৰীকৃষ্ণই গীতাত কৈছে মানুহৰ মায়া, মোহ এই সংসাৰত শোক, মায়া বোকাত লুতুৰি-পুতুৰি হৈ আমি কেৱল মায়া, মোহত আবদ্ধ হৈ পিতৃ পুৰুষ, মাতৃ, ভ্ৰাতৃ, সখা আনকি মাতৃৰ গৰ্ভ পৰ্যন্ত তেওঁ। যিগৰাকী ভগৱানে ডেকাক জন্ম দিছিল, সেই গৰাকী ভগৱানৰ মাতৃৰ গৰ্ভত তেওঁ স্থিতি লৈছে। এই মন্তব্য অখিল ভাৰতীয় সাহিত্য পৰিষদৰ অসম শাখাৰ সভানেত্ৰী তথা অসম সাহিত্য সভাৰ উপসভানেত্ৰী মৃণালিনী দেৱীৰ। অখিল ভাৰতীয় সাহিত্য পৰিষদৰ নলবাৰী জিলা শাখাৰ উদ্যোগত অসম প্ৰদেশ সাংবাদিক সন্থা আৰু পৰিয়ালবৰ্গৰ সহযোগত প্ৰবীণ সাংবাদিক, সাহিত্যিক, লেখক, অৱসৰী শিক্ষক, নাট্যকৰ্মী, সমাজকৰ্মী প্ৰয়াত যাদৱসেন ডেকাৰ সজল স্মৃতিত কালি প্ৰয়াত সেন ডেকাৰ বেলশৰৰ বাসভৱনত অনুষ্ঠিত স্মৃতিচাৰণ সভা আৰু শ্ৰদ্ধাৰ্ঘ পত্ৰিকা উন্মোচনী অনুষ্ঠানত মূখ্য অতিথি হিচাপে উপস্থিত থাকি অখিল ভাৰতীয় সাহিত্য পৰিষদৰ সভানেত্ৰী তথা অসম সাহিত্য সভাৰ উপসভানেত্ৰী মৃণালিনী দেৱীয়ে ভাষণত পুনৰ কয়—মৃত্যু চৰম সত্য। ডেকাৰ মৃত্যু হোৱা নাই। সৰগৰ সঞ্জীৱনী সুধা পান কৰি ডেকাই অন্তিম যাত্ৰা কৰিছে। সাহিত্য জীৱনৰ সম্পদ। এই সম্পদ ডেকাই জীয়াই ৰাখিব। অনুষ্ঠানৰ আৰম্ভণিতে হেমন্ত বৰ্মনে মংগলাচৰণ, কনিষ্ঠ শিল্পী লিপিকা ভূঞা সেন ডেকাই সকলোকে মোহাচ্ছন্ন কৰি বৰগীত গোৱা অনুষ্ঠানটিত অখিল ভাৰতীয় সাহিত্য পৰিষদৰ নলবাৰী জিলা শাখাই প্ৰকাশ কৰা আৰু ড° ৰাতুল চন্দ্ৰ ডেকাই সম্পাদনা কৰা 'শ্ৰদ্ধাঞ্জলি' নামৰ শ্ৰদ্ধাৰ্ঘ পত্ৰিকাখন আনুষ্ঠানিকভাৱে উন্মোচন কৰি অখিল ভাৰতীয় সাহিত্য পৰিষদৰ অসম শাখাৰ মুখ্য উপদেষ্টা তথা পৰিষদৰ অসম শাখাৰ প্ৰাক্তন সভাপতি ধীৰেন শৰ্মাই প্ৰয়াত যাদৱসেন ডেকাৰ সমাজৰ প্ৰতি যি অবদান, কৰ্মৰাজি সেয়া আন্তৰিকতাৰে শলাগ লয়। উন্মোচক শৰ্মাই বিৰল প্ৰতিভাসম্পন্ন ব্যক্তি প্ৰয়াত যাদৱ সেন ডেকাৰ মৃত্যুই সমাজৰ বাবে অপূৰণীয় ক্ষতি বুলি অনুভৱ কৰে। অনুষ্ঠানত বেলশৰ আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি, বেলশৰ আঞ্চলিক ক্ৰীড়া সংঘৰ সভাপতি তথা বিশিষ্ট সমাজকৰ্মী লক্ষী পাটোৱাৰীয়ে প্ৰয়াত যাদৱ সেন ডেকাৰ লগত একেলগে সমাজসেৱা কৰাৰ কথা উল্লেখ কৰি এসময়ত সেন ডেকাই দুৰ্দান্ত অভিনয় কৰা কে'বাখনো কালজয়ী নাট উপভোগ কৰিবলৈ সক্ষম হোৱাৰ কথাও উল্লেখ কৰে। অনুষ্ঠানত প্ৰয়াত

১৩ পৃষ্ঠাত চাওক

# 'ঘোঁৰাৰ ডিমৰ ৰচয়িতা'- অভিনেতা আশ্ৰৱ আলীৰ মৃত্যু



**পালহাজী, ১১ জুন ঃ** পালহাজীৰ সমীপৰ সুহাবিল দলনিৰ সৰবৰহী ব্যক্তি আশ্ৰৱ আলী(৫৭)ৰ কালি পুৱা পৰলোকপ্ৰাপ্তি ঘটে। সুহাবিল দলনি প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা লাভ কৰি সুহা এম, ই, স্কুল আৰু পুনৰ সুহাবিল দলনি এম, ই, স্কুল পাছলৈ পালহাজী উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল। পালহাজী উচ্চ মাধ্যমিক বিদ্যালয়তেই তেওঁৰ খেল-ধেমালি আৰু নাটকৰ চৰ্চা আৰম্ভ হৈছিল। ফুটবল খেলত তেওঁৰ জনপ্ৰিয়তা বাঢ়ি গৈ ওচৰ চুবুৰিয়া গাঁৱৰ লগতে জিলা পৰ্যায়ৰ ফুটবল খেলত অংশগ্ৰহণ কৰিছিল আৰু গাঁৱলৈ সুনাম কঢ়িয়াই আনিছিল। স্কুলীয়া অৱস্থাত তেওঁ 'ঘোঁৰাৰ ডিম' একাংকিকা নাট ৰচনা কৰি নিজে অভিনয় কৰিছিল আৰু জিলাৰ বিভিন্ন ঠাইত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। দক্ষিণ বৰপেটাৰ ভালেখিনি সাংস্কৃতিক কামৰ লগত জড়িত থকা আলীয়ে এটা সময়ত নাটকৰ নামত পাগল আছিল। বণিয়াকুছি মিনি থিয়েটাৰ বীণাপাণি লগত সম্পৰ্ক ৰাখি সুহাবিল দলনিৰ ৰফিকুল ইছলামৰ প্ৰযোজনা আৰু পৰিচালনাত ব্যাপক প্ৰচাৰিত 'সন্ধাতাৰা থিয়েটাৰ'ৰ নাটকত জমিদাৰৰ ভাওত অভিনয় কৰি গৈছিল। পাছলৈ সুহাবিল দলনি আৰু পালহাজী অঞ্চলত ভালেখিনি ক্লাব আৰু সামাজিক কামত জড়িত হৈ আছিল। দক্ষিণ-পূব বৰপেটাত

১৩ পৃষ্ঠাত চাওক



সম্প্ৰতি বলিউদৰ বহু তাৰকাই একেলগে সংসাৰ আৰম্ভ কৰিছে। ৰণবীৰ সিং-দীপিকা পাডুক'ন, ভিকি কৌশল-কেটৰিণা কাঈফ, ৰণবীৰ কাপুৰ-আলিয়া ভাট, ৰাজকুমাৰ-পত্ৰলেখা আদি যুটিয়ে বিবাহ বান্ধোনত বান্ধ খাইছে। সিদ্ধাৰ্থ মালহোত্ৰা আৰু কিয়াৰা আদৱানীয়েও শীঘ্ৰে বিবাহপাশত আবদ্ধ হ'ব বুলি চৰ্চা চলিছে।

# পৰিচালকৰে নায়িকাৰ প্ৰেম

## জীনাতৰ পৰা আমিষালৈকে ধাৰা অব্যাহত

সম্প্ৰতি বলিউদৰ বহু তাৰকাই একেলগে সংসাৰ আৰম্ভ কৰিছে। ৰণবীৰ সিং-দীপিকা পাডুক'ন, ভিকি কৌশল-কেটৰিণা কাঈফ, ৰণবীৰ কাপুৰ-আলিয়া ভাট, ৰাজকুমাৰ-পত্ৰলেখা আদি যুটিয়ে বিবাহ বান্ধোনত বান্ধ খাইছে। সিদ্ধাৰ্থ মালহোত্ৰা আৰু কিয়াৰা আদৱানীয়েও শীঘ্ৰে বিবাহপাশত আবদ্ধ হ'ব বুলি চৰ্চা চলিছে। পূৰ্বেও বহু তাৰকাই এইদৰে বিবাহ বান্ধোনত বান্ধ খোৱাৰ নজিৰ আছে। কিশোৰ কুমাৰ-মধুবালা, ৰাজেশ খান্না-ডিম্পল কাপাডিয়া, ধৰ্মেন্দ্ৰ-হেমা মালিনী, অমিতাভ বচ্চন-জয়া ভাদুড়ী, ঋষি কাপুৰ-নীতু সিং, অভিষেক বচ্চন-ঐশ্বৰ্য ৰাই, অজয় দেৱগণ-কাজল, ছইফ আলী খান-কৰীণা কাপুৰ আদিৰ তালিকাখন বৰ দীঘল। সেইদৰে শ্ৰীদেৱী, পুনম ধিলন, ৰাণী মুখাৰ্জী, দিব্যা ভাৰতী, পদ্মিনী কোলহাপুৰী আদি বহু অভিনেত্ৰীয়ে প্ৰযোজকৰ স'তেও বিবাহপাশত আবদ্ধ হৈছে। এই সকলোৱেই প্ৰেমজনিত সম্পৰ্কক বিবাহলৈ ৰূপান্তৰিত কৰিছে। অৱশ্যে এই ক্ষেত্ৰত পাছ পৰি ৰোৱা নাই বলিউদৰ পৰিচালকসকলো। ছবিত একেলগে কাম কৰাৰ সময়তে অধিকাংশ নায়িকাৰ স'তে অভিনেতা বা প্ৰযোজকৰ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিছে। সেইদৰে কে'বাজনো পৰিচালকেও নিজৰ ছবিৰ নায়িকাৰ স'তে প্ৰেমৰ সম্পৰ্ক গঢ়ি তোলাৰ নজিৰ আছে। দেৱ আনন্দৰ পৰা আৰম্ভ কৰি ফাৰহান আখতাৰলৈকে বহু পৰিচালকেই নিজৰ ছবিৰ নায়িকাক প্ৰেম-বন্ধনত আবদ্ধ কৰিছিল।

১৯৭১ত মুক্তি লাভ কৰিছিল বলিউদৰ ইতিহাসৰ এখন অন্যতম জনপ্ৰিয় ছবি 'হৰে ৰামা হৰে কৃষ্ণা'। দেৱ আনন্দে পৰিচালনা কৰা ছবিখনৰ দুই নায়িকা আছিল জীনাত আমান আৰু মমতাজ। ছবিৰ চিত্ৰগ্ৰহণৰ সময়তে জীনাতৰ প্ৰতি আগ্ৰহী হৈ পৰে দেৱ আনন্দ। দুয়োৰে মাজত প্ৰেমৰ সম্পৰ্কও স্থাপন হয়। সেই সময়ত অৱশ্যে দেৱ আনন্দ বিবাহিত আৰু দুই সন্তানৰ পিতৃ আছিল। অৱশ্যে দেৱ আনন্দ-জীনাতৰ প্ৰেম বিবাহৰ পৰ্যায়লৈ নগ'ল। নিজৰ আত্মজীৱনীত বলিউদৰ চিৰসেউজ অভিনেতা-পৰিচালকজনে জীনাতৰ প্ৰতি থকা নিজৰ দুৰ্বলতাৰ কথা স্বীকাৰ কৰি গৈছে। চৰ্চা অনুসৰি, জীনাতৰ উপৰি সুৰাইয়া, কল্পনা কাৰ্তিক, ম'না সিং আদিৰ দৰে অভিনেত্ৰীৰ স'তেও হেনো দেৱ প্ৰদৰ সম্পৰ্ক গাঢ় আছিল।

ৰামগোপাল বাৰ্মাই এসময়ত তেওঁৰ প্ৰতিখন ছবিতে মুখ্য ভূমিকাত নিৰ্বাচন কৰিছিল উৰ্মিলা মাতোণ্ডকাৰক। ছবিৰ চিত্ৰগ্ৰহণস্থলীৰ বাহিৰেও দুয়ো পাৰ্টিকে ধৰি আন বহু ঠাইত একেলগে দেখা গৈছিল। ক'বলৈ গ'লে ৰামগোপালৰ বাবেই উৰ্মিলাই বলিউদৰ শীৰ্ষস্থানীয় নায়িকাসকলৰ শাৰীত থিয় দিবলৈ সক্ষম হৈছিল। অৱশ্যে দুয়ো কেতিয়াও এই বিষয়ত মুখ খোলা নাছিল। বলিউদত চৰ্চা হয় যে এটা সময়ত হেনো উৰ্মিলাৰ প্ৰতি ৰামগোপালৰ আগ্ৰহ নোহোৱা হয়। সেই সময়ত উৰ্মিলা কেৰিয়াৰৰ মধ্য গগনত। যদিও ৰামগোপালে গুৰুত্ব নিদিয়া হোৱাত তেওঁৰ কামৰ সংখ্যা কমি আহে। এটা সময়ত নায়িকাৰ দৌৰৰ পৰাই আঁতৰি যায় উৰ্মিলা। শুনা যায় যে অন্তৰা মালিৰ স'তে ঘনিষ্ঠতা বৃদ্ধিৰ বাবেই ৰামগোপালে উৰ্মিলাক গুৰুত্ব নিদিয়া হৈছিল। ৰামগোপালৰ পৰিচালনাত অন্তৰাই 'মস্ত' 'ৰোড', 'কোম্পেনী', 'ডৰনা মানা হ্যে' আদি ছবিত অভিনয় কৰি জনপ্ৰিয়তা অৰ্জন কৰিছিল। সেই সময়ত হেনো অন্তৰাক সকলো সময়তে ৰামগোপালৰ স'তে দেখা গৈছিল।





প্ৰাক্তন ব্ৰহ্মাণ্ড সুন্দৰী সুস্মিতা সেনে 'দস্তক' ছবিৰ যোগেদি বলিউদত প্ৰৱেশ কৰিছিল। সেই ছবিৰ পৰিচালক বিক্ৰম ভাটৰ স'তে সুস্মিতাৰ সম্পৰ্ক সেই সময়ত বলিউদত চৰ্চাৰ বিষয় হৈ পৰিছিল। আনকি বিক্ৰমৰ স'তে অদিতিৰ বিবাহ বিচ্ছেদৰ বাবে সুস্মিতাৰ স'তে তেওঁৰ বিবাহ বহিৰ্ভূত সম্পৰ্ককে বহুতকে দায়ী কৰিছিল। পৰৱৰ্তী সময়ত বিক্ৰমে আন এগৰাকী অভিনেত্ৰীৰ স'তেও সম্পৰ্ক গঢ়ি তুলিছিল। আমিষা পেটেলে যি সময়ত নিজৰ কেৰিয়াৰ গঢ়াৰ প্ৰতি মনোনিবেশ কৰিছিল, তেতিয়াই তেওঁক পৰিচালক বিক্ৰম ভাটে প্ৰেমৰ প্ৰস্তাৱ দিছিল। পাঁচ বছৰ ধৰি দুয়োৰে সম্পৰ্ক অটুট আছিল। পাছত অৱশ্যে ব্যক্তিগত সমস্যাৰ বাবেই তেওঁলোকৰ বিচ্ছেদ ঘটে।

অভিনেত্ৰী হুমা কুৰেছীক বলিউদৰ ছবিত প্ৰথম দেখা যায় পৰিচালক অনুৰাগ কাশ্যপৰ ছবিত। আনকি দুয়োকে বিভিন্ন অনুষ্ঠানতো একেলগে দেখা গৈছিল। উল্লেখ্য যে অনুৰাগৰ প্ৰাক্তন পত্নীও আছিল অভিনেত্ৰী। পত্নীৰ স'তে সম্পৰ্কত তিক্ততা অহাৰ সময়তে অনুৰাগৰ হুমাৰ স'তে ঘনিষ্ঠতা বাঢ়ি যায়। অৱশ্যে হুমাই এই সম্পৰ্কক স্বীকাৰ নকৰিলে। কেৱল অনুৰাগ তেওঁৰ ভাল বন্ধু বুলিহে দাবী কৰি আহিছে।

শ্ৰীলংকাৰ পৰা আহি বলিউদত থিতাপি লৈছে অভিনেত্ৰী জেকুলিন ফাৰ্ণাণ্ডেজে। ছবিত অভিনয়ৰ সমান্তৰালকৈ তেওঁৰ স'তে প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিছিল পৰিচালক ছাজিদ খানৰ। দীৰ্ঘদিন তেওঁলোকৰ সম্পৰ্ক আছিল। অৱশ্যে ছাজিদ আৰু জেকুলিনৰ বিচ্ছেদৰ পাছতহে তেওঁলোকৰ সম্পৰ্কৰ কথা পোহৰলৈ আহে। বলিউদৰ সূত্ৰই জনোৱা মতে, জেকুলিনৰ প্ৰতি ছাজিদৰ অত্যধিক অধিকাৰবোধ আৰু বান্ধৱীক হেৰুওৱাৰ আশংকাই তেওঁলোকৰ মাজত তিক্ততাৰ সৃষ্টি কৰিছিল।

# নলবাৰীৰ জীয়ৰী কৃষ্টিৰ শিৰত মিছ মডেলৰ মুকুট



**যোৱা** চাৰি জুনত বাগ্‌সা জিলাৰ নিকাছিত অনুষ্ঠিত হোৱা মিষ্টাৰ-মিছ আৰু কিড্‌ছ মডেল ২০২২ প্ৰতিযোগিতাত ৫৯ জনী প্ৰতিযোগীক পিছ পেলাই নলবাৰীৰ জীয়ৰী কৃষ্টি শৰ্মাই শ্ৰেষ্ঠ প্ৰতিযোগীৰ সন্মান আজুৰী আনি নলবাৰীৰ গৌৰৱ বৃদ্ধি কৰিছে। প্ৰকাশ থাকে যে নলবাৰীৰ পৰা প্ৰকাশিত জনপ্ৰিয় সাপ্তাহিক বাতৰি কাকত 'লুইত জ্যোতি'ৰ সম্পাদক অৰূপ কুমাৰ শৰ্মা আৰু সংগীতা শৰ্মাৰ জীয়ৰী কৃষ্টি শৰ্মা।

উল্লেখ্য যে নিকাছি জ্ঞানপীঠ ডিগ্ৰী কলেজৰ প্ৰেক্ষাগৃহত এৰেচাম ৰ'কষ্টাৰৰ বেনাৰত আয়োজিত উক্ত অনুষ্ঠানৰ আয়োজক মণ্ডলীৰ সদস্য আছিল আশীষ গজমেৰ আৰু ৰাজু বৰালা। ডেইজিং উৎসৱৰ বিজয়ী মডেল দুগৰাকী শিৱ বসুমতাৰী আৰু হেলিনা দৈমাৰীয়ে প্ৰতিযোগিতাত বিচাৰকৰূপে যোগদান কৰে। প্ৰতিযোগিতাৰ আৰম্ভণিতে বিচাৰক শিৱ বসুমতাৰীয়ে কয় যে 'এই মডেল প্ৰতিযোগিতাৰ মাধ্যমেৰে আমাৰ নৱ প্ৰজন্মৰ মনৰ সৌন্দৰ্য আৰু প্ৰতিভাৰ উদ্ভাৱনৰ বাবেহে প্ৰয়াস কৰা হ'ব। প্ৰতিযোগীসকলৰ বুদ্ধিমত্তা, পৃথিৱী আৰু ইয়াৰ পৰিৱেশৰ প্ৰতি তেওঁলোকৰ দৃষ্টিভংগী আৰু চিন্তা জানিবলৈ প্ৰয়াস কৰা হ'ব বুলিও তেওঁ ঘোষণা কৰে। লগতে তেওঁ কয় যে সমাজখনক এই নতুনচামে কি ধৰণে আগুৱাই নিব বিচাৰে বিভিন্ন প্ৰশ্নৰ মাধ্যমেৰে তেওঁলোকৰ পৰা জানিব বিচৰা হ'ব। মডেল প্ৰতিযোগিতা সম্পৰ্কে তথাকথিত সমাজৰ পুৰণি চিন্তা সলনি কৰি নতুন ভাৱ ধাৰা সমাজত প্ৰতিষ্ঠা কৰাই আমাৰ উদ্দেশ্য বুলি বসুমতাৰীয়ে কয়। মুঠ চাৰিটা শাখাত আয়োজিত প্ৰতিযোগিতাত মিষ্টাৰ ম'ডেল শাখাত ২০ জনে, মিছ মডেল শাখাত ৫৯জনীয়ে, শিশুৰ ল'ৰা শাখাত পাঁচজনে আৰু ছোৱালী শাখাত ২৯ জনীয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। পুৰুষৰ চিনিয়ৰ শাখাত ডিমাকুছিৰ ৰাহুল দেৱ বড়ো, শিশুৰ ল'ৰাৰ শাখাত গৌৰৱ ছেত্ৰী আৰু ছোৱালীৰ শাখাত দৃষ্টি দাহাল বিজয়ী হয়।



# ছলমানৰ টাইগাৰ থ্ৰী'ত অন্তিম গান কেকেৰ

**হঠাৎ** শ্ৰোতা অনুৰাগীৰ মাজৰ পৰা বিদায় ল'লেও গীতৰ মাজেদিয়ে সকলোৰে মনত চিৰদিন থাকি যাব কেকে। কাৰণ কেকেৰ দৰে সংগীত শিল্পীসকলৰ কেতিয়াও মৃত্যু নহয়। কায়িক বিদায় ঘটিলেও চিৰকাললৈ সকলোৰে মনত নিজৰ সুৰৰ দ্বাৰা জীৱিত হৈ ৰয় এনে শিল্পীসকল। সেইবাবেই এতিয়া অনুৰাগীসকলে কেকেৰ অন্তিম গীতৰ মুক্তিৰ দিনটোলৈ অপেক্ষা কৰি আছে। প্ৰাপ্ত তথ্য অনুসৰি, ছলমান খানৰ টাইগাৰ শৃংখলাৰ তৃতীয়খন ছবিৰ বাবেই কেকেই অন্তিমবাৰলৈ গীত বাণীবদ্ধ কৰিছিল। কেকেৰ সেই গীততে ৰোমান্স কৰিব ছলমান আৰু কেটৰিণা কাঈফে। 'টাইগাৰ থ্ৰী' ছবিখনে আগন্তুক বৰ্ষৰ ঈদত মুক্তিলাভ কৰিব।

উল্লেখ্য যে কিছুদিনৰ পূৰ্বে পশ্চিমবংগত এক সংগীতৰ অনুষ্ঠানত গীত পৰিৱেশন কৰি থকা অৱস্থাতে হঠাৎ অসুস্থ হৈ অকালতে প্ৰাণ হেৰুৱালে শিল্পীজনে। দীঘলীয়া কেৰিয়াৰত কেকেই বহুতো শ্ৰুতিমধুৰ গীত দৰ্শকক উপহাৰ দিছে। ছলমানৰে ওঁঠত 'হাম দিল দে ছুকে ছনম' ছবিৰ 'তড়প তড়প' শীৰ্ষক গীতটিয়েই কেকেক প্ৰচুৰ জনপ্ৰিয়তা আনি দিছিল। তাৰ পাছত 'তেৰে নাম', 'অ' জানা', 'ৰেডী', 'এক থা টাইগাৰ', 'বজৰংগী ভাইজান', 'টিউবলাইট' আদি ছবিত ছলমানৰ বাবে কণ্ঠদান কৰিছিল জনপ্ৰিয় সংগীত শিল্পীজনে। জীৱনৰ অন্তিম গীতটোও তেওঁ বাণীবদ্ধ কৰিলে ছলমানৰ বাবেই। অৱশ্যে বৰ্ণিল কেৰিয়াত কেকেই 'ৰোগ', 'গেংষ্টাৰ', 'অ' লমহে', 'ওম শান্তি ওম', 'লাইফ ইন এ মেট্ৰো', 'হেপী নিউ ইয়েৰ'ৰ দৰে জনপ্ৰিয় ছবিতো কণ্ঠদান কৰিছিল।

# ২০২২-২০২৩ নাট্যবৰ্ষত অনুৰাগ থিয়েটাৰ



সুব্ৰত দাসৰ মুখ্য প্ৰযোজনাত আৰু তপন পাঠকৰ প্ৰযোজনাত বাঙালীপাৰা বগামাটি ৰোড, তামুলপুৰৰ পৰা চলিত ২০২২-২০২৩ নাট্যবৰ্ষত অনুৰাগ থিয়েটাৰে নাটক নিৰ্বাচনৰ পৰা অভিনয় শিল্পী নিৰ্বাচনলৈ আদি কৰি সকলো ধৰণৰ প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ কৰি তুলিছে। এই নাট্যবৰ্ষত অনুৰাগ থিয়েটাৰে অসমৰ ভ্ৰাম্যমাণ মঞ্চৰ তিনিগৰাকী সুপ্ৰতিষ্ঠিত নাট্যকাৰৰ তিনিখন ভিন্ন স্বাদৰ ভিন্ন পটভূমিৰ নাটক মঞ্চায়ন কৰিব। নাটক কেইখন হ'ল— অনন্ত দত্তৰ 'মহাপাপী দেউতা', অভিজিৎ ভট্টাচাৰ্যৰ 'মাফিয়া কৰ্ণ' আৰু ৰাজীৱ কলিতাৰ 'নিষিদ্ধ প্ৰেম'। এই নাট্যবৰ্ষত অনুৰাগ থিয়েটাৰৰ মঞ্চত অভিনয় কৰিব ত্ৰৈলোক্য বৰুৱা, বিজু কলিতা, প্ৰণৱজ্যোতি গোস্বামী, অংকিত নীল, দেৱাশিষ গৌতম, পূৰ্ণিমা দেৱী আৰু ৰোমাণ্টিক যুটি ধ্ৰুৱ কাশ্যপ আৰু ৰাধা দিহিংগীয়াৰ লগতে আন কে'বাগৰাকীও প্ৰতিভাৱান অভিনেতা-অভিনেত্ৰীয়ে। নাট্যদলটোৰ সম্পাদক বিজু কলিতা আৰু প্ৰতিনিধি মানস বৰা আৰু ৰাকেশ শৰ্মা। অহা জুলাইৰ শেষৰ ফালে অনুৰাগ থিয়েটাৰে চলিত নাট্যবৰ্ষৰ আখৰা শিবিৰ মুকলি কৰিব বুলি প্ৰযোজক পক্ষই জানিবলৈ দিছে।

**কৰেন কলিতা**

# সঞ্চিতা তালুকদাৰলৈ শ্ৰেষ্ঠা পৰিচালকৰ সন্মান

গুৱাহাটীৰ কাহিলিপাৰাত অৱস্থিত জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ'ত যোৱা পাঁচ জুনত ১৫তম্ বাৰ্ষিক নেবকছ নেচনেল এৱাৰ্ড ২০২২ত ধাৰাবাহিকৰ শিতানত জোনাক চেনেলত সম্প্ৰচাৰ হৈ থকা মেগা ধাৰাবাহিক 'একাজলি ৰং'খনে শ্ৰেষ্ঠ ধাৰাবাহিক বঁটা লাভ কৰিবলৈ সক্ষম হয়। লগতে ধাৰাবাহিকখন সুন্দৰভাৱে পৰিচালনা কৰা বাবে জনপ্ৰিয় পৰিচালিকা সঞ্চিতা তালুকদাৰলৈ আগবঢ়ায় শ্ৰেষ্ঠ পৰিচালকৰ সন্মান। বঁটা প্ৰদান কৰিছে জনপ্ৰিয় অভিনেতা ৰবি শৰ্মাই। ইয়াৰ উপৰি ধাৰাবাহিকখনত অভিনয় কৰা অভিনেত্ৰী দেৱাশ্ৰী দাসে শ্ৰেষ্ঠা খলনায়িকা আৰু হৃদয় চন্দনে লাভ কৰে শ্ৰেষ্ঠ আৱহ সংগীতৰ বঁটা। সোমবাৰৰ পৰা শুকুৰবাৰলৈ প্ৰতিনিশা ন বজাত জোনাক চেনেলত সম্প্ৰচাৰ হৈ থকা এই ধাৰাবাহিকখন ইতিমধ্যে ৮৮টা খণ্ড সম্প্ৰচাৰ হৈ গৈছে আৰু যথেষ্ট জনপ্ৰিয় অৰ্জন কৰিবলৈ সক্ষম হৈছে।

# নাৰীৰ স্তন আৰু শ্বাহৰুখৰ খং

তেওঁক কোৱা হয় কিং খান। সদায় পোনপটীয়া কথা আৰু ব্যক্তিত্বৰে ৰজাৰ দৰেই সকলোৰে মন জয় কৰি আহিছে শ্বাহৰুখ খানে। বিশেষকৈ মহিলাসকলৰ। যদিও তাৰ বাবে তেওঁ ৰমণীমোহন কৌশল অৱলম্বন কৰিবলগীয়া হোৱা নাই। দিনৰ দিনটো যৌনগন্ধী আলোচনাতো মত্ত থাকিবলগীয়া হোৱা নাই। বৰ্তমানৰ সমাজ, নতুন প্ৰজন্মৰ পুৰুষসকলৰ যৌনতা-সৰ্বস্ব আলোচনাই সেয়ে তেওঁক অবাক কৰি তোলে। এই কথা নিজেই সদৰী কৰিছে বলিউদৰ বাদশ্বাহে।

আগতেও এক সাক্ষাৎকাৰত শ্বাহৰুখ কিশোৰসকলৰ আলোচনাৰ বিষয়বস্তুক কেন্দ্ৰ কৰি সৰৱ হৈছিল। সম্প্ৰতি পুনৰ বলিউদৰ মহাতাৰকাজনে এই বিষয়ত নিজৰ ক্ষোভ উজাৰে। শ্বাহৰুখে কয়, 'মোৰ আজিকালি পুৰুষৰসকলৰ লগত কথা পাতিবলৈকে বিৰক্তি লাগে। টকা বৃদ্ধিৰ কৌশল, ব্যৱসায় চক্ৰ আৰু কুৎসিত যৌন লালসা অবিহনে তেওঁলোকৰ মাজত একোৱেই নেদেখো। বেছিভাগৰে আলোচনাৰ পছন্দৰ বিষয়বস্তু হ'ল নাৰীৰ স্তন। ইয়াৰ আকাৰ কেনেকুৱা, কিমান ডাঙৰ বা সৰু!' কিং খানৰ দাবী, 'আৰে, মহিলাসকলৰ স্তনৰ বাহিৰতো দেখোন এখন জগত আছে। সেয়া বাৰু তেওঁলোকে জানেনে?' ইয়াৰ বিপৰীতে বৰঞ্চ মহিলাৰ স'তে সময় কটাবলৈ পছন্দ কৰে শ্বাহৰুখে। মহাতাৰকাজনে কয় যে অনেক শালীন, সুন্দৰ তথা বৈচিত্ৰ্যপূৰ্ণ বিষয়ত আলোচনাত মত্ত হয় মহিলাসকল। কেৱল সেয়াই নহয়, তেওঁ শিশুৰ সংগও উপভোগ কৰে। শ্বাহৰুখে জনায় যে নিজৰ পুত্ৰ বা কন্যাৰ বন্ধুসকল আহিলে তেওঁ প্ৰাণ খুলি আড্ডা মাৰে।



অথচ যেতিয়াই দেখে যে কম বয়সীয়া ল'ৰাবোৰেই সেই একেই আলোচনাতে মত্ত হৈ পৰে, তেতিয়াই হেনো তেওঁৰ অসহায় অনুভৱ হয়। সমাজৰ এই চেহেৰা দেখি অত্যন্ত মৰ্মাহত বুলিও শ্বাহৰুখে কয়।

# ৰবীন্দ্ৰ ভৱনত প্ৰথমবাৰলৈ উজলি উঠিল সাধনীৰ চৰিত্ৰ

**পংকজ মেধি**

''শত্ৰু আহি দুৱাৰ দলিত, সেই ৰমণীসকল পাৰিবানে তোমালোকে জাগ্ৰত হ'বলৈ। সকলোৰে জাতিৰ মানৰ ৰাখিব লাগিব। অসমীয়া নাৰী অৱলা নহয়, সকলো জুঁই-ফিৰিঙতিৰ দৰে। শত্ৰুৰ ওচৰত অসমীয়া নাৰীয়ে কেতিয়াও বশ্যতা চিকাৰ নকৰে-লোৱা অস্ত্ৰ তুলি লোৱা... !''

ইতিহাসৰ পাতত যিসকল মহীয়সী নাৰীয়ে নিজৰ কৰ্মৰ জৰিয়তে আলোকিত হৈ আছে সেইসকলৰ ভিতৰত অন্যতম চুতীয়া ৰাজবংশৰ শেষগৰাকী ৰাণী বীৰাংগনা সতী সাধনী। অদম্য সাহস আৰু দেশপ্ৰেমৰ নিৰ্দশনেৰে নাৰী বাহিনী গঠন কৰি শত্ৰুপক্ষৰ বিৰুদ্ধে যুদ্ধক্ষেত্ৰত জপিয়াই পৰা আৰু আত্মসমৰ্পনৰ বিপৰীতে আত্মত্যাগৰ জৰিয়তে অসাধাৰণ ব্যক্তিত্ব দাঙি ধৰা বীৰাংগনা সাধনীৰ জীৱনক লৈ আধাৰিত এখন নাট যোৱা পাঁচ জুনত গুৱাহাটী ৰবীন্দ্ৰ ভৱনত অনুষ্ঠিত হৈ যায়। মন পৰশা গীত-নৃত্য, কলা-সংস্কৃতিৰ মাজৰে প্ৰায় তিনি ঘণ্টা সময়ৰ দৰ্শকৰ চকু থৰ কৰি ৰাখিবলৈ সক্ষম হোৱা এই নাটকখনেই আছিল ৰবীন্দ্ৰ ভৱনত মঞ্চস্থ হোৱা চুতীয়া ৰাজবংশৰ ওপৰত আধাৰিত প্ৰথমখন নাট। অসম সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক ড° দেৱজিৎ খনিকৰৰ সাৱলিল ভাষণ তথা প্ৰজোযক গৰিমা শইকীয়া গাৰ্গ, পৰিচালক প্ৰবীন হাজৰিকা, উদ্যান শস্য সঞ্চালকালয়ৰ সঞ্চালক তৰংগ ভাৰতী বৰা, চুতীয়া উন্নয়ন পৰিষদৰ উপাধ্যক্ষ জ্যোতিপ্ৰসাদ চুতীয়াৰ সাধনী প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা নাটখনৰ কে'বাটাও দৃশ্যাংশয়ে উপস্থিত দৰ্শকসকলক আৱিগক কৰি তোলে।



উল্লেখ্য যে যিহেতু বীৰাংগনা সাধনীৰ ওপৰত ৰচিত নাট প্ৰথমবাৰলৈ ৰবীন্দ্ৰ ভৱনত মঞ্চায়ন হৈছিল, এই নাটখন উপভোগ কৰিবলৈ কে'বাজনো গৱেষক শিক্ষাৰ্থীৰ লগতে কটন-সন্দিকৈ শিক্ষাৰ্থীৰ উপৰি এই ক্ষেত্ৰৰ লগত জড়িত বহু লোকে সংশ্লিষ্ট স্থানত উপস্থিত হৈ নাটখন উপভোগ কৰে। বিশেষকৈ দৰ্শকৰ শাৰীত বিশিষ্ট অভিনেতা মৃদুল চুতীয়া, 'কামৰূপা' নাটকৰ পৰিচালক মুনমী বৰদলৈ, নেৰামেকৰ পৰিচালন সঞ্চালক মনোজ কুমাৰ দাস, ভূমি সংৰক্ষণ বিভাগৰ যুটীয়া সঞ্চালক মনিদ্বীপ চুতীয়া, ড° ভূগু প্ৰসাদ শইকীয়া আদিৰ উপস্থিতিয়ে নাটখনৰ গৰিমা বঢ়াই।

উল্লেখ্য যে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত তথা গুৱাহাটী মহানগৰীত বসবাস কৰা চুতীয়া সমাজৰ আহ্বানক্ৰমে ডিব্ৰুগড় মৰাণৰ এখন ভিতৰুৱা গাঁৱৰ পৰা অহা নাট্যদলটোৱে নাটখনৰ জৰিয়তে চুতীয়া ৰাজশাসনৰ দিনৰ কলা-সংস্কৃতিৰ লগতে বিভিন্ন দিশ উপস্থাপন কৰে। বিশেষকৈ অসমীয়া সমাজ জীৱনৰ বৰ বিবাহ সময়ত ব্যৱহৃত কুলাবুঢ়ী নাচ,



সাধানীয়ে কিদৰে নাৰী বাহিনী গঠন কৰি যুদ্ধ ক্ষেত্ৰত অৱতীৰ্ণ হৈছিল, কিদৰে এটা মৈদামৰ ওপৰত ঘূৰিফুৰা কেৰকেটুৱা মাৰিব পৰা সাধনীৰ সয়ম্বৰ, এফালে নিজৰ সতীত্ব আৰু আনফালে জাতিৰ ৰাজসম্পদ কথা চিন্তা কৰি সাধনীয়ে অৱশেষত আত্মত্যাগৰ সিদ্ধান্ত গ্ৰহণ কৰিবলগীয়া হৈছিল এই সকলো দিশ নাটখনৰ জৰিয়তে উপস্থাপন কৰিবলৈ সক্ষম হয় নাট্য দলটোৱে। কেবাগৰাকী প্ৰতিভাৱান অভিনেতা-অভিনেত্ৰীয়ে অভিনয় কৰা এই 'বীৰাংগনা' শীৰ্ষক নাটকখনৰ নাট্যকাৰ লীলা চুতীয়া আৰু পৰিচালনা কৰিছে ভৈৰৱ কুমাৰ ফুকনে। সুভাষ গগৈৰ সংগীত তথা শ্যামলী মাউতৰ কণ্ঠৰ গীতৰ মাজেৰে উপস্থাপন হোৱা নাটখনত সাধনীৰ মূল চৰিত্ৰত অভিনয় কৰিছে তৰুণ অভিনেত্ৰী পাহাৰী গগৈয়ে। সমান্তৰালভাৱে চুতীয়া ৰজা ধৰ্মধ্বজপালৰ চৰিত্ৰত পবিত্ৰ বুঢ়াগোহাঁই, নীতপালৰ চৰিত্ৰত হীৰকজ্যোতি গগৈ, সাধনীৰ সখি কমলাৰ চৰিত্ৰত শ্যামলী মাউত আৰু কনচেং বৰপাত্ৰগোহাঁই চৰিত্ৰত অভিনয় কৰিছে যতীন বুঢ়াগোহাঁয়ে। সুন্দৰ দৃশ্যৰূপ আৰু প্ৰতিজন অভিনেতা-অভিনেত্ৰীৰ সুন্দৰ অভিনয়ৰে দৰ্শকক আপ্লুত কৰি তুলে। উল্লেখ্য যে এখন গাঁৱৰ ভিতৰত প্ৰতিভাক উলিয়াই অনাত ক্ষেত্ৰত গ্ৰহণ কৰাৰ ভূমিকাৰ বাবে গুৱাহাটী চুতীয়া সমাজৰ আহ্বায়ক ক্ৰমে দিব্য ৰাজখোৱা, জ্ঞানেনে চুতীয়া, কুণ্ডিল চুতীয়া, ৰণ্টু নেওগক বিশেষভাৱে শলাগ লয় দৰ্শকসকলে আৰু নাট্যগোষ্ঠীটোৰ সম্পাদক দেৱানন্দ চুতীয়া সম্বৰ্ধনা জ্ঞাপন কৰে। সমান্তৰালভাৱে এই অনুষ্ঠানতে অৱসৰপ্ৰাপ্ত ভাৰতীয় প্ৰশাসনিক বিষয়া ধীৰেন্দ্ৰ নাথ শইকীয়া, অসমৰ চৰকাৰৰ অৱসৰপ্ৰাপ্ত অবৰ সচিব গগন চন্দ্ৰ চুতীয়া, সমাজ কল্যান বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক গিৰীণ ভূঞা, বিশিষ্ট বৈজ্ঞানিক ড° জয়ন্তী চুতীয়া, বোপাৰাম ভাজনী, ভৰত শইকীয়া, অনন্ত নেওগক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

বগা-ক'লাৰ দৰেই মানুহৰ জীৱনত যিজৰে নিৰৱচ্ছিন্ন সুখ আছে, সেইদৰেই আছে কঠিন-জটিল পৰিস্থিতি। সিবোৰৰ মোকাবিলা কৰিব লাগিব মূৰ ঠাণ্ডা ৰাখি। এই পৰামৰ্শ দিছে অভিনেত্ৰী কেটৰিণা কাঈফে।

# মানসিক অৱসাদ দূৰ কৰিব জানে কেটৰিণাই



**বেয়া** সময় সকলোৰে জীৱনলৈ আহে। বগা-ক'লাৰ দৰেই মানুহৰ জীৱনত যিজৰে নিৰৱচ্ছিন্ন সুখ আছে, সেইদৰেই আছে কঠিন-জটিল পৰিস্থিতি। সিবোৰৰ মোকাবিলা কৰিব লাগিব মূৰ ঠাণ্ডা ৰাখি। এই পৰামৰ্শ দিছে অভিনেত্ৰী কেটৰিণা কাঈফে। লগতে তুলি ধৰিলে নিজৰ জীৱনৰো উদাহৰণ। তেওঁৰো জানো উত্থান-পতন নাছিল? তথাপি কিদৰে তেওঁ সকলো সময়তে হাঁহি-আনন্দৰে কটাব পাৰে? সংবাদ মাধ্যমক দিয়া এক সাক্ষাৎকাৰত কেটৰিণাই কয়, 'কিদৰে মানসিক অৱসাদ আঁতৰ কৰিব পাৰি, সেয়া মই শিকিছো। মই আবেগৰ দাস নহয়।' কি উপায়েৰে বাৰু তাৰকাগৰাকীয়ে সেই উপায় শিকিলে? কেটৰিণাই কয় যে অৱসৰৰ সময়ত তেওঁ কিতাপ পঢ়ে। নিজক সময় দিয়ে। লগতে ভৰসা ৰাখে মহাবিশ্বৰ সৃষ্টিকৰ্তাৰ ওপৰত। তেওঁ কয়, 'কোনোবাইতো তৈয়াৰ কৰিছে এই সমস্ত সৃষ্টিক! মই তেওঁৰ হাততে নিজক সঁপি দিবলৈ শিকিছো। মহাজাগতিক বিষয়ত মই আৰু বেছি মূৰ নোসোমোৱাও? কেৱল ভৰসা ৰাখো। এনে কোনো চিন্তা নকৰো, যি মোৰ মানসিক স্বাস্থ্যৰ ক্ষতি কৰিব পাৰে।'

উল্লেখ্য যে কিছু বছৰৰ পূৰ্বে অভিনেত্ৰী আলিয়া ভাটো মানসিক স্বাস্থ্যৰ যত্নক লৈ সৰৱ হৈছিল। আলিয়াই তেতিয়া কৈছিল, 'ভালে থকাৰ দৰেই বেয়া থকাও একেবাৰে স্বাভাৱিক।' তেতিয়াই কেটৰিণাই সেই কথা সমৰ্থন কৰি কৈছিল, 'আলিয়াই অত্যন্ত গুৰুত্বপূৰ্ণ কথা কৈছে। আমিবোৰে সহজেই ভাঙি পৰো। ভাবো যে সকলো শেষ হৈ গ'ল।' এতিয়া অভিনেত্ৰীগৰাকীয়ে পৰামৰ্শ দিছে যে ইমানবোৰ ভবাৰ কথাই নাই। উদ্বেগ দূৰ কৰি নিজৰ ছন্দলৈ প্ৰত্যাৱৰ্তনৰ বাবে আছে এটাই পথ, 'নিজৰ লগত থাকক। এই মহাবিশ্বই আপোনাক লক্ষ্য ৰাখিব।'






# কমনৱেলথ গেমছলৈ যোগ্যতা লাভলীনাৰ

## সম্বৰ্ধনা অনুষ্ঠানে মোৰ খেলত নেতিবাচক প্ৰভাৱ পেলাইছিল

### অলিম্পিকত ব্ৰঞ্জজয়ী লাভলীনাৰ বোধোদয়

**গুৱাহাটী, ১১ জুন ঃ** 'অলিম্পিকৰ পাছতে দেশ আৰু ৰাজ্যত মই যিদৰে বিভিন্ন অনুষ্ঠানত ব্যস্ত হৈ পৰিছিলো সেয়াই মোৰ খেলত নেতিবাচক প্ৰভাৱ পেলাইছিল। বিশ্ব চেম্পিয়নশ্বিপৰ ব্যৰ্থতাৰ পাছতে মই মোৰ ভুল গম পালো। কিন্তু এতিয়া নতুন উদ্যেমৰে পুনৰ সাজু হৈছো।' এই মন্তব্য টকিঅ' অলিম্পিকৰ মহিলা বক্সিঙত ব্ৰঞ্জৰ পদক বিজয়ী অসম কন্যা লাভলীনা বৰগোঁহাৰ। উল্লেখ্য যে আসন্ন বাৰ্মিংহাম কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জন কৰি নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি লাভলীনাই লগতে কয় যে বক্সিং ৰিঙৰ বাহিৰৰ অন্তহীন অনুষ্ঠান আৰু অন্যান্য প্ৰতিশ্ৰুতিয়ে তেওঁৰ প্ৰশিক্ষণত বিৰূপ প্ৰভাৱ পেলোৱাৰ লগতে অলিম্পিকত ব্ৰঞ্জ বিজয়ী প্ৰদৰ্শনৰ পিছত তেওঁৰ মনোযোগ কাযতঃ হেৰুৱাই পেলাইছিল। উল্লেখ্য যে যোৱা বছৰ টকিঅ'ৰ প'ডিয়ামত সফল যাত্ৰাৰ অন্ত পৰাৰ পিছত প্ৰথমটো আন্তঃৰাষ্ট্ৰীয় ইভেণ্টতে অংশগ্ৰহণ কৰি লাভলীনাই বিশ্ব চেম্পিয়নশ্বিপৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত হতাশাজনক পৰাজয়ৰ সন্মুখীন হৈ আগতীয়াকৈ বিদায় লৈছিল। 'বিশ্ব চেম্পিয়নশ্বিপত মই মানসিকভাৱে ইমান শক্তিশালী নাছিলোঁ। মই সঠিকভাৱে নিজকে একাত্ম কৰিব পৰা নাছিলো। মোৰ লক্ষ্য আছিল টকিঅ'ত সোণ জয় কৰা কিন্তু মই নোৱাৰিলোঁ। ইয়াৰ পিছত মনতে ভাবি থাকিলোঁ পৰৱৰ্তী প্ৰতিযোগিতাত মই প্ৰশিক্ষণ ল'ব লাগিব আৰু ভাল কৰিব লাগিব।' কিন্তু সেয়াও নহ'ল। অলিম্পিকৰ পিছৰে পৰা অসংখ্য সম্বৰ্ধনা আৰু অনুষ্ঠানত অংশগ্ৰহণ কৰিবলগীয়া হৈছিল। টকিঅ'ৰ পিছত মানুহে বহুত আশা কৰিবলৈ আৰম্ভ কৰিলে। মই কেইবাটাও অনুষ্ঠানত উপস্থিত থাকিবলগীয়া হৈছিল আৰু কাকো না ক'ব পৰা নাছিলো। হয়তো মোক অহংকাৰী বুলি কোৱাৰ ভয়ত। কিন্তু সেই ঘটনাবোৰে খেলত বাধা দিলে।' লাভলীনাই কয়। দুবাৰৰ বিশ্ব বক্সিং চেম্পিয়নশ্বিপৰ ব্ৰঞ্জৰ পদক বিজয়ীগৰাকীয়ে অনুভৱ কৰিছে যে মানুহে খেলুৱৈগৰাকীৰ প্ৰয়োজনীয়তাৰ প্ৰতি সচেতন হোৱা উচিত। 'মই প্ৰতিটো খোজতে শিকিব লাগিব, বিশ্ব চেম্পিয়নশ্বিপৰ পৰাজয়ে মোক বহুত শিকাইছে আৰু ক'ৰবাত ই গুৰুত্বপূৰ্ণ আছিল। বিশ্ব চেম্পিয়নশ্বিপত মোৰ প্ৰশিক্ষণো সঠিক নাছিল। সেই ক্ষতিৰ পৰা বহুত শিকিলোঁ।' লাভলীনাই লগতে কয়।



## শিৱ থাপাৰ পাছত দ্বিতীয় অসমৰ বক্সাৰৰূপে বাৰ্মিংহামৰ টিকট লাভ

**গুৱাহাটী, ১১ জুন ঃ** অসমৰ দুবাৰৰ অলিম্পিয়ান বক্সাৰ শিৱ থাপাৰ পাছত টকিঅ' অলিম্পিকৰ মহিলা বক্সিঙত ব্ৰঞ্জৰ পদক বিজয়ী অসম কন্যা লাভলীনা বৰগোঁহায়েও আসন্ন বাৰ্মিংহাম কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে কমনৱেলথ গেমছত অসমৰ বক্সাৰৰ এতিয়ালৈকে পদক নাই যদিও এইবাৰ দুগৰাকীকৈ অসমৰ বক্সাৰে বাৰ্মিংহাম কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জন কৰি এই বিফলতাৰ সমাপ্তি কৰিবলৈ সাজু হৈছে। উল্লেখ্য যে নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত তিনিদিনীয়া মহিলাৰ বাছনি শিবিৰত আজি ৭০ কেজি শাখাত লাভলীনাই ৭-০ ৰ ব্যৱধানত সতীৰ্থ পূজাক পৰাস্ত কৰি কমনৱেলথ গেমছৰ টিকট ল'বলৈ সক্ষম হয়। ইয়াৰপূৰ্বে লাভলীনাই পৰাস্ত কৰিছিল অসমৰে অংকুশিতা বড়োক। উল্লেখ্য যে লাভলীনাসহ আসন্ন বাৰ্মিংহাম কমনৱেলথ গেমছত অংশ ল'ব ভাৰতৰ চাৰিগৰাকী মহিলা বক্সাৰে। অন্য তিনিগৰাকী হ'ল বৰ্তমানৰ বিশ্ব চেম্পিয়ন নিখাত জাৰিণ (৫০ কেজি শাখা), নিতু (৪৮ কেজি শাখা) আৰু জেছমিন (৬০ কেজি শাখা)। উল্লেখ্য যে নিখাটে নিজ নিজ শাখাত ৭-০ ৰ ব্যৱধানত পৰাস্ত কৰে মিনাক্ষীক। আনহাতে, দিনটোৰ ৰোমাঞ্চকৰ প্ৰথমখন খেলত ২০১৯ ৰ বিশ্ব চেম্পিয়নশ্বিপৰ ৰূপৰ পদক বিজয়ী মঞ্জু ৰাণীৰ বিৰুদ্ধে ৫-২ ত জয় হয় নিতু। ইফালে, লাইটৱেট ফাইনেলত ২০২২ ৰ বিশ্ব চেম্পিয়নশ্বিপৰ ব্ৰঞ্জৰ পদক বিজয়ী পাৰবীনৰ বিৰুদ্ধে জেইছমিনে ৬-১ ৰ ব্যৱধানত জয়ী হ'বলৈ সক্ষম হয়। উল্লেখ্য যে ভাৰতীয় বক্সিং ফেডাৰেচনে অহা ২৮ জুলাইৰ পৰা আঠ আগষ্টলৈ অনুষ্ঠিত হ'বলগীয়া বাৰ্মিংহাম গেমছৰ বাবে আঠ জন পুৰুষ বক্সাৰসহ ১২ জনীয়া ভাৰতীয় বক্সিং দল বাছনি কৰিছে বুলি আজি কয় ভাৰতীয় বক্সিং ফেডাৰেচনৰ সচিব হেমন্ত কুমাৰ কলিতাই। ইয়াৰপূৰ্বে যোৱা দুই জুনত হৈছিল পুৰুষ দলৰ বাছনি। উল্লেখ্য যে অসমৰ দুবাৰৰ অলিম্পিয়ান বক্সাৰ শিৱ থাপাই ফাইনেল মেচত ২০১৮ ৰ কমনৱেলথ গেমছৰ ৰূপৰ পদক বিজয়ী মনীষ কৌশিকক ৫-০ ত পৰাস্ত কৰি দেশক প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰিছে। শিৱৰ লগতে ২০১৯ চনৰ বিশ্ব চেম্পিয়নশ্বিপৰ ৰূপৰ পদক বিজয়ী অমিত পাংগলেও কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জন কৰে। ভাৰতীয় দলত নিজৰ স্থান নিশ্চিত কৰা আন ছয়জন বক্সাৰ হ'ল ২০১৮ ৰ ব্ৰঞ্জৰ পদক বিজয়ী মহম্মদ হুছামুদ্দিন, ৰোহিত টোকাছ, বৰ্তমানৰ ৰাষ্ট্ৰীয় চেম্পিয়ন সুমিত, আশীষ কুমাৰ, সঞ্জীত আৰু সাগৰ। স্মৰ্তব্য যে ২০১৮ ৰ কমনৱেলথ গেমছত ভাৰতীয় বক্সাৰসকলে দ্বিতীয় স্থান দখল কৰি তিনিটা সোণ তথা সমসংখ্যক ৰূপৰ লগতে তিনিটা ব্ৰঞ্জৰ পদকসহ মুঠ নটা পদক লাভ কৰিছিল।



## ফাইনেলত চেণ্ট যোছেফ-ধমন উচ্চতৰ

**অগ্ৰদূত বাৰ্তা, মৰাণ, ১১ জুন ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেল পথাৰত চলি থকা জিয়াউৰ ৰহমান মৰাণ আন্ত:বিদ্যালয় ফুটবলত চেণ্ট যোছেফ হাইস্কুল আৰু ধমন উচ্চতৰ মাধ্যমিক বিদ্যালয় ফাইনেলত উপনীত হৈছে। আজি অনুষ্ঠিত প্ৰথমখন ছেমিত যোছেফে ধেমেচী উচ্চ মাধ্যমিক বিদ্যালয়ক একমাত্ৰ গলত পৰাজিত কৰে। চেণ্ট যোছেফৰ হৈ একমাত্ৰ গলটো দিয়ে পুশৰাজ শইকীয়াই। আনহাতে দ্বিতীয়খন ছেমিত ধমন উচ্চতৰ মাধ্যমিক বিদ্যালয়ে ব্ৰনছন এণ্ড ব্ৰাউন ইংলিছ একাডেমীক ২-০ গলৰ ব্যৱধানত পৰাজিত কৰে। ধমনৰ হৈ গল দুটা দিয়ে নিবিড় গগৈ আৰু বিনন্দ চাওৰাই। ফাইনেল খেলখন ১৩ জুনত হ'ব।

## চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াৰ বক্সিঙত অসমৰ দুটা পদক নিশ্চিত

# ছেমিফাইনেলত আইকন-ইমদাদ




**গুৱাহাটী, ১১ জুন ঃ** চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমৰ দুগৰাকী বক্সাৰে ছেমিফাইনেলত প্ৰৱেশ কৰি পদক জয় নিশ্চিত কৰিছে। উল্লেখ্য যে আজি হোৱা খেলত অসমৰ আইকন মিলিয়ে ছোৱালীৰ ৫৪ কেজি শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰি নিজৰ পদক নিশ্চিত কৰে। কাইলৈ ছেমিফাইনেল খেলিব আইকনে। ইফালে, উল্লেখ্য যে আজি অনুষ্ঠিত খেলত অসমৰ ইমদাদ হুছেইনে ৬৩.৫ কেজি শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰি পদক জয় নিশ্চিত কৰে। ইমদাদৰ ছেমিফাইনেল মেচো কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখ্য যে উভয় বক্সাৰ ছেমিফাইনেলত পৰাস্ত হ'লেও ব্ৰঞ্জ লাভ কৰিব। উল্লেখ্য যে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে ইতিমধ্যে ১৬ টা পদক লাভ কৰিছে। ইয়াৰে দুটা সোণ, আঠটা ৰূপ আৰু ছটা ব্ৰঞ্জ। বক্সিঙৰ দুটা পদকে অসমৰ পদক সংখ্যা ১৮ টা কৰিলে। উল্লেখ্য যে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে থাংটাত সৰ্বাধিক আঠটা পদক লাভ কৰাৰ বিপৰীতে চাৰিটা পদক লাভ কৰিছে ভাৰোত্তোলনত। আনহাতে, সাঁতোৰত দুটা তথা যোগাসন আৰু জিমনাষ্টিকছত এটাকৈ পদক লাভ কৰিছে অসমে। উল্লেখ্য যে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমক প্ৰথমটো সোণ দিয়াৰ গৌৰৱময় সফলতা লাভ কৰে থাংটা খেলুৱৈ ৰাজা সিনহাই। ইফালে, থাংটাত ৰূপৰ পদক লাভ কৰে উৰ্মিলা শৰ্মা আৰু ম'নালী গগৈয়ে। আনহাতে, থাংটাত অসমক পদক দিয়ে সুৰজ সিঙে ব্ৰঞ্জ লাভ কৰি। ইয়াৰপূৰ্বে অসমৰ থাংটাৰ তিনি খেলুৱৈ ৰাহুল চৌহান, য়াইখ'স্বা আৰু ইলিনাই ৰূপৰ পদক অৰ্জন কৰাৰ লগতে এম সান্তামনিয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল। ইফালে, অসমৰ হৈ এটা ৰূপৰ পদক লাভ কৰে যোগাসনত সুমিত দে। ভাৰোত্তোলনত অসমৰ সুদিত্য বৰুৱাই ৮৯ কিলোগ্ৰাম শাখাত সোণ লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰপূৰ্বে ভাৰোত্তোলনত অসমৰ ত্ৰিদীপ বৰুৱাই ৮১ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে প্ৰবাল প্ৰতিম গগৈয়েও ভাৰোত্তোলনৰ ৭৩ কিলোগ্ৰাম শাখাত খেলি চতুৰ্থ খেলো ইণ্ডিয়াত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। আনহাতে, ভাৰোত্তোলনত প্ৰথমে ৰেখামণি গগৈয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল। ইফালে, ক্ৰমাগত দ্বিতীয়খন খেলো ইণ্ডিয়াত পদক লাভ কৰাৰ গৌৰৱময় সফলতা লাভ কৰিছে অসমৰ জিমনাষ্টিকছ খেলুৱৈ উপাশা তালুকদাৰে। ৰিডমিক জিমনাষ্টিকছত অসম কন্যা উপাশাই ব্ৰঞ্জৰ পদক লাভ কৰে। অসমৰ সন্তৰণবিদ আস্থা চৌধুৰীয়ে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত দুটাকৈ পদক লাভ কৰিবলৈ সক্ষম হৈছে। ছোৱালীৰ ১০০ মিটাৰ ৱাটাৰফ্লাই শাখাত আস্থাই ৰূপৰ পদক লাভ কৰে। ইয়াৰপূৰ্বে ২০০ মিটাৰ ফ্ৰী-ষ্টাইল শাখাত আস্থা চৌধুৰীয়ে ব্ৰঞ্জ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

## কটকত চাপত ঘৰুৱা দল ঃ সাল-সলনিৰ ইংগিত অধিনায়কৰ

# আজি ভাৰত-দক্ষিণ আফ্ৰিকাৰ দ্বিতীয় টি-

### কাশ্মীৰ এক্সপ্ৰেছক লৈ ক্ৰিকেট অনুৰাগী ব্যাকুল

## উমৰাণৰ অভিষেকক লৈ জল্পনা-কল্পনা

**কটক, ১১ জুন ঃ** সদ্য সমাপ্ত আই পি এলত শ্ৰেষ্ঠ উদীয়মান তাৰকা হিচাপে বিবেচিত কৰা হৈছে পেচ বলাৰ উমৰাণ মালিক। ২২ বছৰীয়া উমৰাণে ১৫০ কিলোমিটাৰতকৈ অধিক বেগত বলিং কৰাৰ উপৰি আই পি এলত ২২ টা উইকেট দখল কৰিছে। ইয়াৰ জৰিয়তে তেওঁ আই পি এল-২০২২ ৰ চতুৰ্থ সৰ্বাধিক উইকেট দখলকাৰী হিচাপেও চিহ্নিত হৈছে। এইগৰাকী কাশ্মীৰী বলাৰক ভাৰতীয় দলত স্থান দিয়াৰ লগে লগে বিশ্বজুৰি তেওঁকলৈ চৰ্চা আৰম্ভ হৈছে। স্বাভাৱিকতে, সমৰ্থকৰ পৰা বিশেষজ্ঞলৈকে সকলোৱে উমৰাণে সুযোগ পোৱাৰ বাবে উৎসাহিতও হৈ পৰিছে। উমৰাণে ভাৰতীয় ক্ৰিকেট দলটোৰ নীলা জাৰ্চী পৰিধান কৰি ধুমুহাৰ গতিৰে বল দলিয়াই বিপক্ষৰ মাজত ত্ৰাসৰ সৃষ্টি কৰি তোলাৰ সেই দৃশ্য চাবলৈ এতিয়া ভাৰতীয় ক্ৰিকেট অনুৰাগীসকল ব্যাকুল হৈ পৰিছে। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচ কাইলৈ কটকত অনুষ্ঠিত হ'ব। উল্লেখ্য যে টীম ইণ্ডিয়া শৃংখলাৰ প্ৰথমখন মেচতে পৰাজয়ৰ সন্মুখীন হৈছে। সেয়ে দেওবাৰে হ'বলগা দ্বিতীয়খন মেচ ঘৰুৱা দলটোৰ বাবে গুৰুত্বপূৰ্ণ হৈ পৰিছে। উল্লেখ্য যে নতুন দিল্লীত হোৱা প্ৰথমখন মেচত ভাৰতৰ বেটাৰে প্ৰত্যাশিত প্ৰদৰ্শন কৰিলেও বলিঙত ব্যৰ্থ হয় টীম ইণ্ডিয়া। সেয়ে প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড় আৰু অধিনায়ক ঋষভ পণ্ট কাইলৈৰ দ্বিতীয়খন মেচক লৈ চিন্তিত। কাইলৈ বলিং বিভাগত সাল-সলনিৰ সম্ভাৱনা আছে। আই পি এলৰ শ্ৰেষ্ঠ উদীয়মান তাৰকা উমৰাণ মালিকৰ অভিষেক হোৱাৰ সম্ভাৱনা আছে।



**কটক, ১১ জুন ঃ** ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচ কাইলৈ কটকত অনুষ্ঠিত হ'ব। উল্লেখ্য যে টীম ইণ্ডিয়া শৃংখলাৰ প্ৰথমখন মেচতে পৰাজয়ৰ সন্মুখীন হৈছে। সেয়ে দেওবাৰে হ'বলগা দ্বিতীয়খন মেচ ঘৰুৱা দলটোৰ বাবে গুৰুত্বপূৰ্ণ হৈ পৰিছে। উল্লেখ্য যে নতুন দিল্লীত হোৱা শৃংখলাৰ প্ৰথমখন মেচত আলহী দলটোৱে সাত উইকেটত ভাৰতক পৰাস্ত কৰি পাঁচখনীয়া টি-২০ শৃংখলাত ১-০ ৰ অগ্ৰগতি লৈছে। ২১২ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি দক্ষিণ আফ্ৰিকাই ১৯.১ অভাৰত তিনিটা উইকেট হেৰুৱাই মেচখনত জয়লাভ কৰে। দলৰ এই জয়ৰ নায়ক হ'ল দুই অভিজ্ঞ বেটাৰ ডুছান আৰু ডেভিদ মিলাৰ। আৰম্ভণিতে তিনিটা উইকেট হেৰুওৱাৰ পাছতো ডুছানে ৭৫ আৰু মিলাৰে ৬৪ ৰাণ কৰে আৰু অপৰাজিত থাকি দলক বিজয়লক্ষ্যত উপনীত কৰায়। ভাৰতৰ বেটাৰে প্ৰত্যাশিত প্ৰদৰ্শন কৰিলেও বলিঙত ব্যৰ্থ হয় টীম ইণ্ডিয়া। সেয়ে প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড় আৰু অধিনায়ক ঋষভ পণ্ট কাইলৈৰ দ্বিতীয়খন মেচক লৈ চিন্তিত। উল্লেখ্য যে নতুন দিল্লীত পোনতে বেটিং কৰা ভাৰতে ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ২১১ ৰাণ কৰিছিল। দলৰ হৈ ইষান কিষানে ৭৬, হাৰ্দিক পাণ্ডিয়াই ৩১, শ্ৰেয়াছে ৩৬, ঋষভ পণ্টে ২৯ আৰু ৰিতুৰাজে ২৩ ৰাণ কৰে। কিন্তু এই প্ৰদৰ্শনৰ পাছতো ভাৰতে মেচত জয়লাভ কৰিব নোৱাৰিলে। কাইলৈ বলিং বিভাগত সাল-সলনিৰ সম্ভাৱনা আছে। আই পি এলৰ শ্ৰেষ্ঠ উদীয়মান তাৰকা উমৰাণ মালিকৰ অভিষেক হোৱাৰ সম্ভাৱনা আছে। ভাৰতীয় টি-২০ দলটো হ'ল ঃ ৰিতুৰাজ গাইকোৱাড, ইষান কিষান, দীপক হুদা, শ্ৰেয়াছ আয়াৰ, ঋষভ পণ্ট, দিনেশ কাৰ্তিক, হৰ্দিক পাণ্ডিয়া, ভেংকটেশ আয়াৰ, যুজবেন্দ্ৰ চাহাল, কুলদ্বীপ যাদব, অক্ষৰ পেটেল, ৰবী বিষ্ণয়, ভূৱনেশ্বৰ কুমাৰ, হাৰ্চল পেটেল, আভেছ খান, অৰ্শদ্বীপ সিং আৰু উমৰান মালিক।

# আজিৰে পৰা নলবাৰী ফুটবল লীগ

**গুৱাহাটী, ১১ জুন ঃ** বহু প্ৰত্যাশিত নলবাৰী ক্ৰীড়া সন্থাৰ ফুটবল লীগ খন কাইলৈৰ পৰা অনুষ্ঠিত হ'ব। পূব নলবাৰী ব্লকৰ গৰ্ডন স্কুল খেলপথাৰত হ'বলগা উদ্বোধনী মেচত স্প'টিং ইউনিয়ন দলে বালিকৰিয়া ক্ৰীড়া সংঘৰ বিৰুদ্ধে খেলিব। ইফালে, মধুপুৰ ব্লকৰ নতুন দেহৰ হাইস্কুল খেলপথাৰত গ্লেমাৰ স্পোৰ্টছ ক্লাব বনাম বৰসৰকুছি ৰাইজিং স্পোৰ্টচ ক্লাব, টিহু ব্লকৰ মাখিবাহা খেলপথাৰত টিহু স্পোৰ্টছ এছ'চিয়েচন বনাম মাখিবাহা ক্ৰীড়া সংঘ। পশ্চিম নলবাৰী ব্লকৰ চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত বেলশৰ আঞ্চলিক ক্ৰীড়া সংঘ বনাম ডলফিন স্পোৰ্টছ ক্লাব। বৰক্ষেত্ৰী ব্লকৰ দেশভক্ত ষ্টেডিয়াম, মুকালমুৱাত লোহাৰকাথা যুৱক সংঘ বনাম বৃহত্তৰ নাৰায়ণপুৰ ক্ৰীড়া সংঘ। বৰভাগ ব্লকৰ কৰিয়া হাইস্কুল খেলপথাৰত বৰভাগ আঞ্চলিক ক্ৰীড়া সংঘ বনাম ক্ৰীড়া যুৱক সংঘ আৰু বড়িগোগ বনভাগ ব্লকৰ ঘগ্ৰাপাৰ হাইস্কুল খেলপথাৰত ধমধমা স্পোৰ্টছ এছ'চিয়েচন বনাম বনভাগ উদয়ন সংঘই ভাগ ল'ব। ইতিমধ্যে লীগত ২৯ টা ক্লাব-সংঘই যোগদান নিশ্চিত কৰিছে।

## মাষ্টাৰ্ছ এথলেটিকছত শুৱালকুছিৰ খেলুৱৈৰ চমকপ্ৰদ সাফলতা লাভ

অগ্ৰদূতবাৰ্তা

**শুৱালকুছি, ১১ জুন ঃ** অসম এথলেটিকছ সন্থাৰ উদ্যোগত গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত সদ্য সমাপ্ত প্ৰথম বাৰ্ষিক ৰাজ্যিক মুকলি মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাত কামৰূপ জিলাক প্ৰতিনিধিত্ব কৰি শুৱালকুছিৰ কিশোৰ কুমাৰ দাসে সাফল্য বুটলিবলৈ সক্ষম হয়। ৩৫ বছৰ উৰ্ধ্বৰ শাখাত শ্বটপুত আৰু জেভলিন থ্ৰ'ত ৰূপৰ পদক অৰ্জন কৰে কিশোৰ কুমাৰ দাসে। খেলুৱৈগৰাকীৰ এই সাফল্যৰ বাবে শুৱালকুছিবাসীয়ে শুভেচ্ছা জনোৱাৰ লগতে স্প'ৰ্টছ একাডেমী অব শুৱালকুছিৰ তৰফৰ পৰা খেলুৱৈগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰে। পদক লাভেৰে সুনাম কঢ়িয়াই অনা খেলুৱৈগৰাকীয়ে অহা ১৬-১৯ জুনত গুজৰাটৰ বদোদ্ৰাত ভাৰতীয় এথলেটিকছ ফেডাৰচনৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাত অংশগ্ৰহন কৰিব।



ইংলণ্ড-নিউজিলেণ্ডৰ দ্বিতীয় টেষ্টৰ দ্বিতীয় দিনাৰ খেল



## পেচ বলাৰৰ বাবে কেৱল গতিবেগ শ্ৰেষ্ঠত্বৰ মাপকাঠি নহয় ঃ ৰাহুল দ্ৰাৱিড়

**নতুন দিল্লী, ১১ জুন ঃ** উমৰাণ মালিকে ভাৰতীয় ক্ৰিকেট দলৰ হৈ নীলা জাৰ্চী পৰিধান কৰি ধুমুহাৰ গতিৰে বল দলিয়াই বিপক্ষৰ মাজত ত্ৰাসৰ সৃষ্টি কৰি তোলাৰ দৃশ্য চাবলৈ এতিয়া ভাৰতীয় ক্ৰিকেট অনুৰাগীসকল ব্যাকুল হৈ পৰিছে। অৱশ্যে সকলোৱে এনে ব্যাকুলতাৰ কথা স্পষ্টকৈ প্ৰকাশ পাইছে যদিও উমৰাণে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে আৰম্ভণিৰ মেচত সুযোগ লাভ কৰিব নে নাই সেয়া এতিয়াও স্পষ্ট হোৱা নাই। এই বিষয়ত এতিয়াও সন্দেহৰ অৱকাশ আছে। চৰ্চা অনুসৰি উমৰাণৰ বলিঙত গতি আছে ঠিকেই কিন্তু তেওঁৰ বলিঙৰ কৌশল আৰু স্থিৰতাৰ ওপৰত বহুখিনি দুৰ্বলতা দূৰ কৰিবলৈ বাকী আছে। ভাৰতীয় ক্ৰিকেট দলটোৰ মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাবিড়ৰ মতে উমৰাণে বলিঙৰ ক্ষেত্ৰত আৰু বহু উন্নতি কৰিব লাগিব। পেচ বলাৰৰ বাবে কেৱল গতিবেগে শ্ৰেষ্ঠত্বৰ মাপকাঠি নহয় বুলি কয় প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়ে। শৃংখলাৰ পূৰ্বে এখন সংবাদমেলত উমৰাণ সন্দৰ্ভত ৰাহুল দ্ৰাবিড়ে কৈছিল 'তেওঁ যথেষ্ট গতিত বলিং কৰি আছে আৰু প্ৰতিটো ছেছনত উন্নতি কৰি আছে। তেওঁ এতিয়াও বহুত শিকিব লগা আছে। আমাৰ দলটো বহুত ডাঙৰ, সেয়েহে তেওঁ দলটোত কিমান সুযোগ পাব সেই বিষয়ে আমি এক সুস্থিৰ চিন্তাৰে সিদ্ধান্ত ল'ব লাগিব।' উল্লেখ্য যে সদ্য সমাপ্ত আই পি এলত শ্ৰেষ্ঠ উদীয়মান তাৰকা হিচাপে বিবেচিত কৰা হৈছে পেচ বলাৰ উমৰাণ মালিক। ২২ বছৰীয়া উমৰাণে ১৫০ কিলোমিটাৰতকৈ অধিক বেগত বলিং কৰাৰ উপৰি আই পি এলত ২২ টা উইকেট দখল কৰিছে। সেয়ে এইগৰাকী কাশ্মীৰী বলাৰক ভাৰতীয় দলত স্থান দিয়াৰ লগে লগে বিশ্বজুৰি তেওঁকলৈ চৰ্চা আৰম্ভ হৈছে।

## জি এছ এৰ 'চি' ডিভিজন কোৱালিফায়িং

# লিণ্ডা-উদয়নৰ অগ্ৰগতি

**গুৱাহাটী, ১১ জুন ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ দ্বাৰা আয়োজিত 'চি' ডিভিজন কোৱালিফাইং ফুটবল প্ৰতিযোগিতাত আজি লিণ্ডা এফ চি আৰু উদয়ন কৃষ্টি সংঘই পৰৱৰ্তী ৰাউণ্ডৰ বাবে যোগ্যতা অৰ্জন কৰিছে। আজি নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত খেলত লিণ্ডা এফচিয়ে অংকুৰজ্যোতি সংঘক ৬-২ গ'লত পৰাস্ত কৰে। লিণ্ডাৰ হৈ অভিনন্দন দাসে হেটট্ৰিক অৰ্জন কৰে। আনখন মেচত উদয়ন কৃষ্টি সংঘই এক্সচেল এফ চিক পেনাল্টী শ্বটআউটত ৫-৪ গ'লত পৰাস্ত কৰে। নিৰ্ধাৰিত সময়ত খেলখন গ'লশূন্য হৈ আছিল। কাজিৰঙাৰ অবিনাশ বড়োৱে হেটট্ৰিক অৰ্জন কৰে। কাইলৈৰ পৰা প্ৰতিযোগিতাৰ পৰৱৰ্তী ৰাউণ্ডৰ খেল আৰম্ভ হ'ব। মেচসমূহ হ'ল ঃ শান্তিপুৰ এচি বনাম কাজিৰঙা এফচি, কেএমচি এফচি বনাম হাৰ্ভেষ্ট এফচি (দিনৰ দুই বজাৰপৰা) আৰু নিউ ষ্টাৰ ক্লাব বনাম আমবাৰী ইউনাইটেড এফচি, আছাম ৱাৰিয়ৰ্ছ বনাম স্প'ৰ্টছক্ৰাফ্ট এছচি (দিনৰ ৩-১০ বজাৰপৰা)।

ভাৰতীয় ইতিহাসবিদসকলৰ ওচৰত সদায় কেৱল মোগল শাসকসকলেহে গুৰুত্ব লাভ কৰি আহিছে। ইয়াৰ বিপৰীতে উপেক্ষিত হৈ আহিছে আন ৰাজবংশৰ গুৰুত্বপূৰ্ণ শাসকসকল। এই অভিযোগ উত্থাপন কৰিলে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। এই প্ৰসংগতে তেওঁ আহোম ৰাজত্বৰ ইতিহাসৰ কথাও উল্লেখ কৰে।

# ঔৰংগজেৱৰ দৰে আক্ৰমণকাৰীক পৰাস্ত কৰা সত্বেও উপেক্ষিত আহোম ইতিহাস ঃ অমিত শ্বাহ



## কেৱল মোগলকেই গুৰুত্ব দিয়াৰ অভিযোগ কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১১ জুন ঃ** ভাৰতীয় ইতিহাসবিদসকলৰ ওচৰত সদায় কেৱল মোগল শাসকসকলেহে গুৰুত্ব লাভ কৰি আহিছে। ইয়াৰ বিপৰীতে উপেক্ষিত হৈ আহিছে আন ৰাজবংশৰ গুৰুত্বপূৰ্ণ শাসকসকল। এই অভিযোগ উত্থাপন কৰিলে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। এই প্ৰসংগতে তেওঁ আহোম ৰাজত্বৰ ইতিহাসৰ কথাও উল্লেখ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীজনে শুকুৰবাৰে ৰাজপুতানাৰ ইতিহাস সম্পৰ্কিত এখন গ্ৰন্থ উন্মোচন কৰি কয়, 'ভাৰতৰ অধিকাংশ ইতিহাসবিদেই পাণ্ডিয়া, চৌল, মৌৰ্য, গুপ্ত আৰু আহোমৰ দৰে অনেক সাম্ৰাজ্যৰ গৌৰৱময় কাহিনী উপেক্ষা কৰি কেৱল মাত্ৰ মোগলৰ ইতিহাসকে লিপিবদ্ধ কৰাৰ বিষয়টোক প্ৰাধান্য দিছিল।' শ্বাহে লগতে চুলতানি আৰু মোগল শাসকসকলৰ বিৰুদ্ধে ৰাজপুতানা, আহোমসহ ভাৰতৰ বিভিন্ন প্ৰান্তৰ ৰজাসকলৰ সংগ্ৰামক 'সংস্কৃতি, ভাষা আৰু ধৰ্ম ৰক্ষাৰ যুদ্ধ' বুলি অভিহিত কৰে। তেওঁ কয়, 'তেওঁলোকৰ সংগ্ৰাম বৃথাই নগ'ল। ভাৰতে আকৌ বিশ্বৰ দৰবাৰত মূৰ দাঙি থিয় হৈছে।' পাণ্ডিয়া ৰজাসকলৰ আঠশ বছৰ তথা পল্লৱ আৰু চৌল বংশৰ ছশ বছৰৰ শাসনত দক্ষিণ আৰু মধ্য ভাৰতৰ সংস্কৃতি আৰু সমৃদ্ধি প্ৰসাৰৰ গৌৰৱময় ইতিহাসক ভাৰতীয় ইতিহাসবিদসকলে প্ৰাপ্য গুৰুত্ব নিদিলে বুলিও শ্বাহে দাবী কৰে। গৃহমন্ত্ৰীয়ে কয়, 'মৌৰ্যসকলে চাৰে পাঁচশ বছৰ ধৰি সমগ্ৰ দেশ শাসন কৰিছিল, আফগানিস্তানৰ পৰা লংকা পৰ্যন্ত। সাতবাহন শাসকসকলে পাঁচশ বছৰ ৰাজত্ব কৰিছিল। গুপ্তসকলে চাৰিশ বছৰ। গুপ্ত সম্ৰাট সমুদ্ৰগুপ্তই প্ৰথমবাৰলৈ এখন অখণ্ড ভাৰতৰ সপোন দেখিছিল আৰু সেই সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। অথচ তেওঁলোকৰ সন্দৰ্ভত কোনো গ্ৰন্থ নাই।' শ্বাহে লগতে দাবী কৰে যে ছশ বছৰ ৰাজত্ব কৰা শক্তিশালী আহোম ৰজাসকলে বখতিয়াৰ খিলিজী, ঔৰংগজেৱৰ দৰে আক্ৰমণকাৰীক পৰাজিত কৰি অসমক স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰ কৰি ৰাখিছিল। তৎসত্ত্বেও দেশৰ ইতিহাসে সেই অধ্যায়ক প্ৰাপ্য গুৰুত্ব প্ৰদান নকৰিলে বুলি গৃহমন্ত্ৰীজনে খেদ প্ৰকাশ কৰে। ইয়াৰ লগতে এক তাৎপৰ্যপূৰ্ণ মন্তব্য কৰি শ্বাহে কয়, 'আমাৰ সঁচা কথাবোৰ লিখাৰ পৰা এতিয়া কোনেও বাধা দিব নোৱাৰে। আমি এতিয়া স্বাধীন। আমি আমাৰ ইতিহাস নিজাববীয়াকৈ লিখিব পাৰো।'

# ২২ ঘণ্টা পাৰ হোৱাৰ পাছতো সফল হোৱা নাই অভিযানকাৰী



# ৮০ ফুট দ' গাঁতত আবদ্ধ শিশু

**নিউজ ব্যুৰ'**
**ৰায়পুৰ, ১১ জুন ঃ** বিগত প্ৰায় ২২ ঘণ্টা ধৰি প্ৰচেষ্টা অব্যাহত আছে। চলি আছে খেলি থকা অৱস্থাত এটা গভীৰ গাঁতত সোমাই পৰা এটি শিশুক উদ্ধাৰৰ প্ৰচেষ্টা। যদিও এই পৰ্যন্ত সফল হ'ব পৰা নাই উদ্ধাৰ কাৰ্যত ব্যস্ত অভিযানকাৰী দল। এনডিআৰএফৰ জোৱান আৰু বিষয়াৰ লগতে ছত্তিশগড় আৰক্ষী আৰু সেই ৰাজ্যৰ এছডিআৰএফ জোৱানেও অক্লান্তভাৱে উদ্ধাৰ অভিযান চলাই আছে।

কালি বিয়লি প্ৰায় চাৰি বজাত এই দুৰ্ঘটনা সংঘটিত হয় ছত্তিশগড়ৰ জঞ্জগীৰ-চম্পা জিলাৰ পিৰহিদ গাঁৱত। সমনীয়াৰ লগত খেলি থকা অৱস্থাতে ৰাহুল চাহু নামৰ এটি ১১ বছৰীয়া শিশু পৰিত্যক্ত অৱস্থাত থকা প্ৰায় ৮০ ফুট দ' গাঁত এটাত সোমাই আবদ্ধ হৈ পৰে।এই খবৰ পোৱাৰ লগে লগে স্থানীয় আৰু আৰু এছডিআৰএফৰ জোৱানে উদ্ধাৰ অভিযান আৰম্ভ কৰে। পৰৱৰ্তী সময়ত উক্ত স্থানত উপস্থিত হৈ উদ্ধাৰ অভিযানত নামে এনডিআৰএফৰ জোৱানে। জঞ্জগীৰ-চম্পা জিলাৰ আৰক্ষী অধীক্ষক বিজয় আগৰৱালে জনাইছে যে প্ৰথমে গভীৰ গাঁতটোৰ পৰা ৰাহুলক তুলি অনাৰ চেষ্টা কৰা হৈছিল, কিন্তু সেই প্ৰচেষ্টা সফল নহ'ল। ইয়াৰ পাছত এনডিআৰএফ দলৰ তত্ত্বাৱধানত আৰ্থ মুভাৰ আনি এটা সমান্তৰাল গাঁত খান্দি শিশুটিক উদ্ধাৰৰ চেষ্টা আৰম্ভ হৈছে। ৰাহুলৰ পিতৃয়ে আজি কয়, 'গভীৰ নলীনাদৰ বাবে সেই গাঁতটো খন্দা হৈছিল, কিন্তু পানী নোলাল। ইয়াৰ পাছৰে পৰা পৰিত্যক্ত গাঁতটোৰ মুখখন খোলা হৈ আছিল।'



# এশ বছৰৰ পাছত অৰুণাচলত সন্ধান ওলাল 'লিপষ্টিক' গছৰ

**নিউজ ব্যুৰ'**
**ইটানগৰ, ১১ জুন ঃ** এশ বছৰৰ পাছত অৰুণাচল প্ৰদেশত গৱেষকৰ দল এটাই সন্ধান পালে এবিধ বিৰল উদ্ভিদৰ। যি গছ একালত পৰিচিত আছিল 'ইণ্ডিয়ান লিপষ্টিক প্লেণ্ট' বা 'ভাৰতীয় লিপষ্টিক গছ' নামেৰে। 'ব'টানিকেল ছাৰ্ভে অৱ ইণ্ডিয়া'ৰ এদল গৱেষকে অৰুণাচল প্ৰদেশৰ আজৱান জিলাত এই বিৰল প্ৰজাতিৰ গছৰ সন্ধান পাইছে। ১৯১২ত ব্ৰিটিছ উদ্ভিদবিদ ষ্টিফেন ট্ৰয়টে ডুনে প্ৰথমবাৰলৈ গছবিধ চিনাক্ত কৰিছিল। এই প্ৰজাতিৰ বিভিন্ন গছৰ ৰঙা ৰঙৰ ফুলবোৰ দেখিবলৈ লিপষ্টিকৰ দৰে হোৱা বাবেই এনে নাম ৰখা হৈছিল। অৱশ্যে এই প্ৰজাতিৰ উদ্ভিদৰ পোছাকী নাম 'Aeschynanthus monetaria Dunn'। গৱেষকসকলে এক বিজ্ঞান পত্ৰিকাক জনাইছে যে এই ধৰণৰ কোনো গছ ১৯১২ৰ পাছত আৰু ভাৰতত কোনেও দেখা পোৱা নাছিল।

অৱশ্যে এই বিৰল গঠৰ পোছাকী নামৰ অৰ্থও কিছু অবাক হ'বলগীয়া। গ্ৰীক শব্দ 'Aeschyne' বা 'Aeschyn'ৰ পৰা 'Aeschynanthus' শব্দটো আহিছে। 'Aeschyne'ৰ অৰ্থ হৈছে লাজ আৰু 'anthus'ৰ অৰ্থ হৈছে ফুল। ইয়াৰ পাতৰো এক বিশেষত্ব আছে। পাতৰ ওপৰৰ অংশ সেউজীয়া হ'লেও তলৰ অংশৰ ৰং বেঙুনীয়া আৰু সেউজীয়া। এই গছত ফল আৰু ফুল ফুলে অক্টোবৰৰ পৰা জানুৱাৰীৰ ভিতৰত। বিশেষজ্ঞসকলে জনাইছে যে চিৰসেউজ অৰণ্যৰ মাজতে সচৰাচৰ এই প্ৰজাতিৰ গছবোৰ গজে। আৰ্দ্ৰ পৰিৱেশ এই গছৰ অনুকূল। লিপষ্টিক গছে যিকোনো পৰিৱেশত স্বাভাৱিক হ'ব নোৱাৰে। অৰুণাচলৰ আজৱান জিলাত মাজে-মধ্যেই ধল নামে, ভূমিস্খলনো হয়। তদুপৰি জংঘল কাটি প্ৰতিদিনেই নিৰ্মাণ হৈ আছে ৰাস্তা, কংক্ৰিটৰ ঘৰ-দুৱাৰ, বজাৰ। আকৌ জিলাখনত জুম খেতিও ব্যাপক হাৰত হয়। এই সমস্ত বিষয়বোৰ এই প্ৰজাতিৰ গছৰ বাবে একেবাৰে প্ৰতিকূল। সেয়ে সভ্যতাৰ উন্নতিৰ লগে লগে হেৰাই যাবলৈ ধৰিছিল এইবিধ বিৰল গছো। এইবাৰ কিছু অপ্ৰত্যাশিতভাৱেই লিপষ্টিক গছৰ সন্ধান পালে গৱেষকে।

# চৰকাৰী বিদ্যালয়ৰৰ শিক্ষকৰ সন্তানৰ শিক্ষানুষ্ঠানত নামভৰ্তি বাধ্যতামূলক কৰা হ'ব ঃ ডাঃ পেগু

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ১১ জুন ঃ** 'চৰকাৰী বিদ্যালয়ৰ শিক্ষকসকলৰ ছাত্ৰ-ছাত্ৰীসকলক চৰকাৰী খণ্ডৰ শিক্ষা অনুষ্ঠানত নামভৰ্তি কৰোৱা বা পাঠদান কৰোৱাটো বাধ্যতামূলক কৰাৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা কৰা হ'ব।' বিশ্বনাথ জিলাৰ বিহালীত এই মন্তব্য কৰে অসম চৰকাৰৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। উল্লেখ্য যে তেজপুৰত অনুষ্ঠিত কেবিনেট বৈঠকৰ পাছতে বিহালী সমষ্টিৰ বিধায়ক প্ৰাক্তন মন্ত্ৰী ৰঞ্জিত দত্তসহ শিক্ষামন্ত্ৰী ডাঃ পেগুৱে পণ্ডিত দীনদয়াল আদৰ্শ মহাবিদ্যালয় পৰিদৰ্শন কৰে। মহাবিদ্যালয়খনৰ প্ৰথম পৰ্যায়ত নামভৰ্তিত ছাত্ৰ-ছাত্ৰী বহু পৰিমাণে হ্ৰাস পাইছে। তাৰ ওপৰত অভিভাৱকসকলৰ লগত যোগাযোগ কৰাৰ লগতে স্থানীয় বিধায়কৰ লগত আলোচনা কৰি কিদৰে ছাত্ৰ-ছাত্ৰী বৃদ্ধি কৰিব পাৰি তাৰ বাবে ব্যৱস্থা ল'বলৈ তেওঁ আহ্বান জনায়। আনহাতে, হাইস্কুল শিক্ষান্ত পৰীক্ষাত ফলাফল বেয়া হোৱা বিদ্যালয়সমূহৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে শিক্ষামন্ত্ৰীজনে। লগতে চৰকাৰী বিদ্যালয়ৰ শিক্ষকসকলৰ ছাত্ৰ-ছাত্ৰীসকলক ব্যক্তিগত শিক্ষাখণ্ডত নামভৰ্তি কৰোৱাৰ কথাও উল্লেখ কৰে । তেওঁ কয় যে হাতত পইচা থাকিলেই ইংৰাজী বিদ্যালয়ত নামভৰ্তি কৰে অভিভাৱকসকলে। কিন্তু চৰকাৰী বিদ্যালয়ৰ শিক্ষকসকলৰ ছাত্ৰ-ছাত্ৰীসকলক চৰকাৰী খণ্ডৰ শিক্ষা অনুষ্ঠানত নামভৰ্তি কৰোৱা বা পাঠদান কৰোৱাটো বাধ্যতামূলক কৰাৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা কৰা হ'ব বুলি জানিব দিয়ে। আনহাতে, পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তিৰ নামত লোৱা মাচুলসমূহ অধ্যক্ষই আজি পৰ্যন্ত কিয় ঘূৰাই দিয়া নাই বুলি সাংবাদিকৰ প্ৰশ্নত বিভিন্ন ধৰণৰ অজুহাত দেখুৱাই আজি পৰ্যন্ত দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ পৰা নামভৰ্তিৰ নামত লোৱা মাচুল ঘূৰাবলৈ যে বাকী আছে সেই কথা স্বীকাৰ কৰে অধ্যক্ষগৰাকীয়ে।

## বে-চৰকাৰী সংস্থাই জব্দ কৰিলে বৃহৎ পৰিমাণৰ চোৰাং কাঠ

# মহামায়া সংৰক্ষিত বনাঞ্চলত বন দস্যুৰ দপদপনি

**বিশেষ সংবাদদাতা**
**বিলাসীপাৰা, ১১ জুন ঃ** বিলাসীপাৰা মহকুমাৰ সীমান্তৱৰ্তী তথা পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত খোৰাঘাট আঞ্চলিক বন কাৰ্যালয়ৰ বিষয়া কৰ্মীৰ নিষ্ক্ৰিয় ভূমিকা পালন কৰাৰ অভিযোগ উঠিছে। বন বিভাগটোৰ এনে নিষ্ক্ৰিয় ভূমিকাৰ সুযোগ গ্ৰহণ কৰি একাংশ বন দস্যুই মহামায়া সংৰক্ষিত বনাঞ্চলত চলাইছে বন ধ্বংস অভিযান। বিশেষকৈ আঞ্চলিক বন কাৰ্যালয়টোত তিনিমাহ মান পূৰ্বে দায়িত্ব ভাৰ গ্ৰহণ কৰা ৰেঞ্জাৰ অভিজিৎ দুৱৰাৰ অকমন্যতাৰ সুযোগ গ্ৰহণ কৰি বন দস্যু একাংশই পূৰ্বতকৈ দ্বিগুনভাৱে বন ধ্বংস যজ্ঞ চলাই অহাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। তেনে সময়তে খোৰাঘাট বন বিভাগৰ বিষয়া-কৰ্মী নহয় বেচৰকাৰী সংস্থা এটাই চলাইছে বন ৰক্ষাৰ অভিযান। কেজেএফএমচি 'খোৰাঘাট জইন্ট ফৰেষ্ট মেনেজিং কমিটী' নামৰ বেচৰকাৰী সংস্থাটোই যোৱা নিশা অভিযান চলাই বৃহৎ পৰিমাণৰ চোৰাং কাঠ জব্দ কৰিবলৈ সক্ষম হয়। মহামায়া সংৰক্ষিত বনাঞ্চলৰ পৰা অপৈনত শাল, চেগুন আদি



গছ কাটি চোৰাং কাঠ ব্যৱসায়ীয়ে টিপকাই নৈ লৈ নিয়ে। পাছত তাৰে পৰা নাৱৰে সৰবৰাহ কৰিবলৈ লওঁতেই সংস্থাটো কৰ্মীসকলে চোৰাং কাঠসমূহ জব্দ কৰিবলৈ সক্ষম হয়। অৱশ্যে সংস্থাটোৰ উপস্থিতিৰ উমান পাই চোৰাং কাঠ ব্যৱসায়ীসকল পলাই যায়। পাছত জব্দকৃত কাঠৰ কুণ্ডাসমূহ খোৰাঘাট আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ত গতাই দিয়ে। এই ক্ষেত্ৰত বন কাৰ্যালয়টোৰ বিষয়া-কৰ্মীৰ বিৰুদ্ধে নৱ নিযুক্ত বন মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে কি ব্যৱস্থা গ্ৰহণ কৰিব সেয়া পৰৱৰ্তী সময়ত লক্ষ্যণীয় হ'ব।



প্ৰতিষেধক প্ৰদানৰ উদ্দেশ্যে মৰিগাঁৱত স্বাস্থ্যকৰ্মীৰ বিপদ সংকুল যাত্ৰা, শনিবাৰে।

# মাজুলীৰ বৰিটিকা গাঁৱত অবিৰত ভাগৱত পাঠ



**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ১১ জুন ঃ** মাজুলীৰ বৰিটিকা গাঁৱত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অবিৰত ভাগৱত পাঠ অনুষ্ঠিত হৈছে। বৰিটিকা গাঁৱৰ উদ্যোগত অঞ্চলবাসীৰ সহযোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত অবিৰত ভাগৱত পাঠ কাৰ্যসূচীৰ আজি প্ৰথমদিনা পুৱা উষা কীৰ্তন, সামূহিক চাফাই কাৰ্যসূচীৰ পাছতেই পুৱা বেলেসিদ্ধিয়া সত্ৰৰ সত্ৰাধিকাৰ নন্দ দুলাল গোস্বামীয়ে ধৰ্ম্মধ্বজা উত্তোলন কৰে। ইয়াৰ পাছতেই ১১ জনকৈ ব্যক্তিৰ দ্বাৰা বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সাংবাদিক পৰাণজ্যোতি বৰাই আঁত ধৰা অনুষ্ঠানত গাঁওখনৰ ৰাইজে ভাগৱত শোভাযাত্ৰা কৰে। দিলীপ দত্তই বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অবিৰত ভাগৱত পাঠ কাৰ্যসূচীত ভাগৱত প্ৰতিষ্ঠা কৰে বেলেসিদ্ধিয়া সত্ৰৰ মহেন্দ শৰ্মাই। নামাচাৰ্য হেম ভূঞাৰ নাম প্ৰসংগৰ পাছতেই আউনীআটীয় ডেকাধিকাৰ দেৱানন্দ্ৰ দেৱ গোস্বামীয়ে অবিৰত ভাগৱত পাঠৰ উদ্বোধন কৰে।উ দ্বোধন কৰি সত্ৰাধিকাৰজনে সহিষ্ণুতা গুণ যাৰ থাকিব সেইজনেহে সকলো গুণৰ অধিকাৰী হ'ব বুলি কয়। তেওঁ কয় যে আমি যদি বৈষ্ণৱ গুণৰ অধিকাৰী হ'ব লগা হয় তেন্তে আমাৰ সহিষ্ণুতা গুণ থাকিব লাগিব। আমি সহিষ্ণুতা গুণৰ অধিকাৰী হ'বৰ বাবে চিন্তা কৰিব লাগিব। তেওঁহে বৈষ্ণৱ গুণৰ অধিকাৰী হ'ব পাৰিব। তেনে এজন সহিষ্ণু গুণৰ অধিকাৰীহে ভাগৱতৰ তত্ত্ববিলাক আয়ত্ত কৰিব পাৰিব। ভাগৱতৰ দৰ্শন আমি জানিব লাগিব। দৰ্শন জানিবলৈ হলে ভাৱনা শুদ্ধ হ'ব লাগিব যাৰ ভাৱনা শুদ্ধ নহয় তেওঁ ভাগৱতৰ অধিকাৰী হ'ব নোৱাৰে। ভাৱনা ব্ৰহ্মজ্যোতিয়ে হৈছে মহাভাগৱত বুলি উল্লেখ কৰাৰ লগতে কয় সদাচাৰী আৰু গাৰ্হস্থ জীৱনৰ কৰণীয়খিনি নিয়মিত পালন কৰিব পৰাটোৱেই প্ৰকৃত ধৰ্ম বুলি সত্ৰাধিকাৰজনে উল্লেখ কৰে। সত্ৰাধিকাৰজনে ভগৱতৰ তত্ত্বগধুৰ বহু কথা ৰাইজক অৱগত কৰে। ইয়াৰ পাছতেই মূল আচাৰ্য মহেন্দ শৰ্মা, মূল পাঠক প্ৰেম কটকী আৰু সহযোগী পাঠক গোপাল ভূঞাই ভাগৱত পাঠৰ আৰম্ভ কৰে। তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা এই ভাগৱত পাঠৰ ১৩ জুনত সামৰণি পৰিব।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

## ডিগবৈ বগাপানীত বৃক্ষৰোপণ কাৰ্যসূচীত যাদৱ পায়েং

# গছ অবিহনে পৃথিৱীক কোনেও বচাব নোৱাৰে

**ডিগবৈ, ১১ জুন ঃ** দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি অইল ইণ্ডিয়া লিমিটেডৰ উদ্যোগত ডিগবৈ বন সংমণ্ডলৰ সহযোগত ডিগবৈ বগাপানীত এক বৃহৎ বৃক্ষৰোপণ কাৰ্যসূচীৰ আৰম্ভণি কৰে। অইল ইণ্ডিয়া লিমিটেডৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত ডিগবৈ বন সংমণ্ডল লক্ষীপথাৰ ৰেঞ্জৰ অন্তৰ্গত বগাপানীত প্ৰায় ১০০ একৰ ভূমিত দুই লাখ ৫০ হেজাৰ ৰাজ্যিক গছ হোলোং পুলি ৰোপণ কৰাৰ এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে। বৃক্ষৰোপণ কাৰ্যসূচীৰ আজি আৰম্ভণি কৰে অৰণ্য মানৱখ্যাত পদ্মশ্ৰী বঁটাপ্ৰাপক, অইলৰ গ্ৰীণ এম্বেছাদৰ যাদৱ পায়েঙে। অনুষ্ঠানত উপস্থিত থাকে কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী। অইল ইণ্ডিয়াৰ সামাজিক দায়বদ্ধতা বসুন্ধৰা আঁচনি অধীনৰ অইল ইণ্ডিয়া লিমিটেডে তৈলক্ষেত্ৰ খননৰ বাবে কাটি পেলাবলগীয়া হোৱা মূল্যৱান গছ-গছনিসমূহৰ বাবদ নিজাববীয়াকৈ গছ-গছনি ৰোপণ কৰি প্ৰকৃতিৰ সন্তুলন ৰক্ষা কৰাৰ স্বাৰ্থত বিভিন্ন অঞ্চলত বন বিভাগৰ সহযোগত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়িত কৰি আহিছে। ডিগবৈ মহাবিদ্যালয়ৰ প্ৰবক্তা সম্ৰাট ভৰদ্বাজে আঁতধৰা বৃক্ষৰোপণ কাৰ্যসূচীৰ উদ্দেশ্যে অনুষ্ঠিত কৰা মুকলি সভাখনত উপস্থিত থাকে অইল ইণ্ডিয়া লিমিটেডৰ মুখ্য আবাসিক কাৰ্যবাহী বিষয়া প্ৰশান্ত বৰকাকতি, অইলৰ বিষয়া দেৱাশিস বৰা, ত্ৰিদীপ হাজৰিকা, ভাৰতীয় তেল নিগম অসম তেল সংমণ্ডল ডিগবৈ শোধনাগাৰৰ মুখ্য মহা প্ৰবন্ধক কে কে শৰ্মা, ডিগবৈ বন প্ৰাধিকাৰী টি চি ৰঞ্জিত ৰামসহ ডিগবৈৰ বিভিন্ন ক্ষেত্ৰৰ লগত জড়িত বহু সংখ্যক ব্যক্তি, ডিগবৈ সৌমাৰ বিদ্যাপীঠ বিদ্যালয় আৰু ডিগবৈ মহাবিদ্যালয়ৰ এনএছএছ গোটৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰী। মুকলি সভাত অৰণ্য মানৱ যাদৱ পায়েঙে গছৰ অবিহনে পৃথিৱীক কোনেও ৰক্ষা কৰিব নোৱাৰে বুলি মন্তব্য কৰি স্কুলীয়া পাঠ্যক্ৰমত পৰিৱেশ সংৰক্ষণ সম্পৰ্কীয় পাঠ্যক্ৰম সন্নিৱিষ্ট কৰিলেহে ভৱিষ্যৎ দিনত পৰিৱেশ সংৰক্ষণ হ'ব বুলি বক্তব্য ৰাখে। লগতে ধুনীয়া আৰু সেউজীয়া অসমখনক সেউজীয়া কৰি ৰাখিবলৈ সকলোকে আহ্বান জনায়। বিগত বৰ্ষৰ জুনত দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰূপে চৰকাৰে ঘোষণা কৰাৰ পাছতো এচাম দুষ্ট চক্ৰই ৰাষ্ট্ৰীয় উদ্যানখনৰ অন্তৰ্ভাগত অবাধ হাৰত বন ধ্বংস চলাই নিয়া কাৰ্যক পদ্মশ্ৰী পায়েঙে দেশদ্ৰোহী আখ্যা দিয়ে। লগতে বন ধ্বংস যজ্ঞ ৰোধ কৰিবলৈ চৰকাৰক মানুহ নামৰ প্ৰজাতিটোক সংস্কাৰ কৰি অৰ্থ, সামাজিক সকলো দিশতে উন্নতি কৰি গছ কটা বন্ধ কৰিবলৈ আহ্বান জনায়। কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী তেলীয়ে সংবাদমাধ্যমৰ আগত নতুন মন্ত্ৰী সভা সম্প্ৰসাৰণৰ সন্দৰ্ভত কয়, 'পুৰণি আৰু নতুন দলীয় কৰ্মীৰ কথা নাই। পুৰণি আৰু নতুনক লৈ আগবাঢ়ি যোৱাৰ লগতে গঢ়িব লাগিব অসম।' মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দৰ্শনেৰে দেশৰ পাঁচখন ৰাজ্যৰ ভিতৰত অসমক এখন উন্নত ৰাজ্য হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত কাম কৰা লোককহে গুৰুত্ব দিয়াৰ কথা মত আগবঢ়ায়। যাৰ দক্ষতা আছে গুৰুত্ব পাব বুলি মন্তব্য কৰে। দলৰ জ্যেষ্ঠ নেতা ৰাজেন গোহাঁইয়ে মন্ত্ৰীসভা সম্প্ৰসাৰণৰ সন্দৰ্ভত পুৰণি কৰ্মীক প্ৰাধান্য নিদি নতুন দলীয় কৰ্মীক গুৰুত্ব আৰোপৰ সন্দৰ্ভত কৰা মন্তব্যক মন্ত্ৰী তেলীয়ে কয় যে নতুন-পুৰণি কৰ্মী বুলি একো নাই। নতুন-পুৰণি সকলো সমিলমিলেৰে অসমৰ স্বাৰ্থত কাম কৰিব লাগে, লগতে ৰাজেন গোহাঁইক লগ ধৰি এই সন্দৰ্ভত কথা পাতিম বুলি মতামত দিয়ে। লগতে নাগা সংগঠন ইউনাইটেড নাগা ট্ৰাইবছ এছ'চিয়েছন অন ব'ৰ্ডাৰ এৰিয়াজ 'আনটাবা' নামৰ সংগঠনটোৱে ডিগবৈ আৰু নুমলীগড় শোধনাগাৰ নগাভূমিত আছে বুলি সজোৰে দাবী কৰাৰ ওপৰত মন্ত্ৰী তেলীয়ে কয়, 'ডিগবৈ বা নুমলীগড় শোধনাগাৰ ভাৰত ভূমিতে আছে আৰু ভাৰতৰ সম্পত্তি হয়। মাজে সময়ে চুবুৰীয়া ৰাজ্যৰ লগত সীমা বিবাদ চলি থাকে যদিও বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে সীমা বিবাদ সমস্যা সমাধানৰ সন্দৰ্ভত বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। নগা সংগঠনে ডিগবৈ বা নুমলীগড় শোধনাগাৰ নগাভূমিত আছে বুলি দাবী কৰা কথাষাৰ অসমৰ ৰাইজে কোনো ধৰণৰ গুৰুত্ব প্ৰদান কৰাৰ প্ৰয়োজনীয়তা নাই।' মুকলি সভাতেই দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ ল'গ নিৰূপণৰ সন্দৰ্ভত প্ৰতিযোগিতাত অৰ্ণৱ গাৰ্গৰ প্ৰেৰিত ল'গটোক দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ ল'গৰ স্বীকৃতি প্ৰদান কৰি অৰ্ণৱ গাৰ্গক প্ৰশংসা পত্ৰ প্ৰদান কৰে। লগতে যোৱাটো বৰ্ষত মাৰ্ঘেৰিটাৰ মাত বিলত তিনিটাকৈ বনৰীয়া হাতী বোকাত আবদ্ধ হৈ পৰাত বনৰীয়া হাতীকেইটাক উদ্ধাৰৰ বাবে কৰা দুঃসাহসী কৰ্মৰ বাবে ছয়জন বনকৰ্মী ক্ৰমে অচ্যুত কৃষ্ণ গগৈ, দিলীপ শইকীয়া, বিৰিঞ্চি বৰগোহাঁই, ৰাজেশ গোহাঁই, অমৃত লামা আৰু ৰাজু ৰাজকোঁৱৰক সম্বৰ্ধনা জ্ঞাপন কৰে।



## 'মিয়াজাকি মেংগ' নামৰ প্ৰজাতিৰ মূল্যবান আমটোৰ মূল্য ৭০-৮০ হেজাৰ

# কাকীত এটা আমক লৈ চাঞ্চল্য

**অগ্ৰদূত বাৰ্তা**
**কাকী, ১১ জুন ঃ** বৰ্তমান আমৰ বতৰ। বতৰৰ ফলক আপুনি নিশ্চয় খাইছে। আপুনি নিশ্চয় অসমৰ থলুৱা প্ৰজাতিৰ 'আম'ৰ লগতে বহিঃৰাজ্য মালদাৰ পৰা অহা 'আম' খাইছে। প্ৰতিকিলোত ৫০ টকাৰ পৰা ধৰি ৩০০ টকালৈকে এইবোৰ 'আম' খাইছে। কিন্তু আপুনি অনুমান কৰক এইবোৰ প্ৰজাতিৰ 'আম'ক বাদ দি উন্নত প্ৰজাতিৰ আমৰ দাম কিমান হ'ব? আপুনি শুনি আচৰিত হ'ব যে এনে ধৰণৰ উন্নত প্ৰজাতিৰ আমৰ মূল্য আন্তৰ্জাতিক বজাৰত আঢ়ৈ লক্ষাধিকৰ অধিক। এনে এটি আমৰ প্ৰজাতি হ'ল 'মিয়াজাকি মেংগ'। জাপানৰ 'মিয়াজাকি' চহৰখনৰ নামেৰে নামাংকিত মিয়াজাকি আমবিধ হ'ল অতি সুস্বাদু। বিশ্বৰ অতি দামী আমবিধৰ



প্ৰতিকিলোৰ দাম দুই লাখ ৭০ হেজাৰ টকা। বৰ্তমান এই প্ৰজাতিৰ আমবিধৰ এটি পুলি হোজাই জিলাৰ কাকী পদুমপুখুৰীৰ লক্ষ্মণ মুখীয়া নামৰ লোকজনৰ অৰ্ধসামৰিক বাহিনীত জোৱান হিচাপে কৰ্মৰত পুত্ৰই কলিকতাৰ এখন নাৰ্ছাৰীৰ পৰা ক্ৰয় কৰি নিজৰ ঘৰৰ ছাদৰ ওপৰত লগাইছিল। বৰ্তমান ছমাহ পূৰ্বে লগোৱা আমগছ জোপাত লাগিছে এটি মিয়াজাকি মেংগ'। ৰঙচুৱা ৰঙৰ আমটোৰ বৰ্তমান ওজন ২৫০ গ্ৰাম হ'ব। উল্লেখ্য যে ৩৫০ গ্ৰাম পৰ্যন্ত ওজন হোৱা এই আমটোৰ বৰ্তমান বজাৰ মূল্য হ'বগৈ ৭০-৮০ হেজাৰ টকা। সম্প্ৰতি আমটোক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইপিনে, লক্ষ্মণ মুখীয়া নামৰ লোকজনে অতি চহকী এই আমটো নিজৰ ঘৰতে খাই সোৱাদ ল'ব বুলি প্ৰকাশ কৰিছে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com